# প্রথম অধ্যায়

## প্ৰথম অধ্যায়
# যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ চমু ইতিহাস

**আধুনিক অসমীয়া কবিতাৰ নতুন ধাৰাৰ আৰম্ভণি ঃ**

কুৰি শতিকাৰ চল্লিশৰ দশকত আধুনিক অসমীয়া কবিতাৰ নতুন ধাৰা এটিৰ সূচনা হয়। 'জোনাকী' আলোচনী (১৮৮৯) ৰ যোগেদি আধুনিকতাৰ সূচনা কৰা অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগটোৰ অবসান ঘটে ১৯৩৯ চনত। ৰোমাণ্টিক কবিতাৰ উচ্ছ্বাস আৰু কল্পনা প্ৰৱণতাৰ বিপৰীতে এই সময়ছোৱাৰ পিছৰেপৰা অসমীয়া কবিতাই বাস্তববাদী চিন্তা-চেতনাৰে সমৃদ্ধ আধুনিকতাৰ নতুন অনুশীলন আৰম্ভ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী কালছোৱাত এই ধাৰা কবিতাৰ বিকাশ হয় বাবে ইয়াক 'যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতা' বুলিও কোৱা হয়। এই ধাৰাৰ কবিতাক—'সাম্প্ৰতিক কবিতা' বা 'নতুন কবিতা' বুলিও অভিহিত কৰা হৈছে। যুদ্ধোত্তৰ অসমীয়া কবিতা ঐতিহাসিক বিবৰ্তনৰ এক স্বাভাৱিক পৰিণতি। আধুনিকতাৰ স্পৰ্শত সৃষ্টি হোৱা এই ধাৰাৰ কবিতা হঠাতে আৰম্ভ হোৱা নাছিল। ত্ৰিশৰ দশকৰ মাজ ভাগৰ পৰাই অসমীয়া কবিতাৰ মাজলৈ পৰিবৰ্তনৰ জোৱাৰ নামি আহিছিল। এই দশকত আত্মপ্ৰকাশ কৰা ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ 'স্বাধীন ৰায়ত', প্ৰসন্নলাল চৌধুৰীৰ 'নাঙলৰ গীত', 'ইনক্যুলাব জিন্দাবাদ', 'দিঠকৰ বাতৰি', 'মাঘ বিহু', 'সাৰ্থক পূজা' আদি কবিতাই এটা পৰিবৰ্তনৰ আগজাননী আনি দিয়ে। সেই পৰিবৰ্তন অৱশ্যে তেতিয়া ইমান তীব্ৰ হৈ উঠা নাছিল। কিন্তু ১৯৩৬ চনৰ পৰা ১৯৩৯ চনলৈকে অগাপিছাকৈ ৰোমাণ্টিক যুগৰ প্ৰভাৱশালী সাহিত্যিক সকলৰ বিয়োগ হোৱাত ৰোমাণ্টিক কবিতা জগতত একপ্ৰকাৰ শূন্যতাৰ সৃষ্টি হ'বলৈ ধৰে। অন্যহাতে ১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধই সমগ্ৰ বিশ্ববাসীকে জোকাৰি পেলায়। অসমীয়া সাহিত্যৰ বুৰঞ্জীত এই চনটো যুগসন্ধিৰ বছৰ হিচাপে চিহ্নিত কৰি হোমেন বৰগোহাঞিয়ে ক'বৰ দৰে "১৯৩৯ চনত সমগ্ৰ মানৱ সভ্যতাৰ বুৰঞ্জীতেই এটা যুগান্তকাৰী বছৰ কাৰণ সেই বছৰতে আৰম্ভ হ'ল আধুনিক সভ্যতাৰ গতি পথ সলনি

কৰি দিয়া দ্বিতীয় বিশ্বযুদ্ধ। প্ৰায় একে সময়তে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ মৃত্যু লক্ষণ আৰু আধুনিক যুগৰ জন্ম-যন্ত্ৰনাৰ লক্ষণবোৰ প্ৰকট হ'বলৈ ধৰিলে।"[১] এই সন্ধিক্ষণত বিশ্বযুদ্ধৰ ক্ষয়ংকাৰী প্ৰভাৱে অসমীয়া সমাজ-জীৱনক এক নতুন অভিজ্ঞতাৰে থাপিলে। এই চনৰ পৰা আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ নতুন যুগটোক আধুনিক যুগ বুলি অভিহিত কৰি বৰগোহাঞিয়ে উল্লেখ কৰিছে—"১৯৩৯ চনৰ পৰা আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ নতুন যুগটোক মই আধুনিক যুগ বুলি ক'ব খোজা— যিটো অৰ্থত ইংৰাজী সাহিত্যত ভিক্টোৰীয়ান যুগৰ অবসানৰ পিছত আৰম্ভ হোৱা যুগটোক আধুনিক যুগ বুলি ক'ব পাৰি বা কোৱা হয়। ইংৰাজী সাহিত্যৰ আধুনিক যুগৰ দৰে অসমীয়া সাহিত্যৰ এই আধুনিক যুগটোৰো প্ৰধান চৰিত্ৰ-লক্ষণ হ'ল ৰোমাণ্টিক ভাবাদৰ্শৰ বিৰোধিতা। চল্লিশৰ দশকৰ যিখন আলোচনীক কেন্দ্ৰ কৰি নতুন সাহিত্যিক আন্দোলন গঢ় লৈ উঠিছিল, 'নতুন ধাৰাৰ বাহক ৰূপে খ্যাত সেই জয়ন্তীৰ পাতে পাতে দেখিবলৈ পোৱা যায় ৰোমাণ্টিক ভাবাদৰ্শৰ বিৰুদ্ধে সচেতন বিদ্ৰোহ ঘোষণা। অসমীয়া সাহিত্যত নতুনকৈ আৰম্ভ হোৱা এই আধুনিকতাৰ অন্যান্য লক্ষণবোৰ হ'ল পুৰণি বিশ্বাস আৰু প্ৰমূল্য সম্পৰ্কে মোহভঙ্গৰ সূচনা; জীৱন আৰু জগতৰ ব্যাখ্যা কৰিব পৰা নতুন দৰ্শনৰ সন্ধান; ব্যঙ্গপ্ৰৱনতা; সাহিত্যত অভূতপূৰ্ব বিষয়বস্তুৰ অবতাৰণা, আঙ্গিকগত পৰীক্ষা-প্ৰৱনতা ইত্যাদি।"[২]

জাতীয়তাবাদী ভাবধাৰাৰ পৃষ্ঠপোষক হিচাপে ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত ১৯৩৮ চনত 'জয়ন্তী' আলোচনীয়ে আত্মপ্ৰকাশ কৰে। চৌধাৰী সম্পাদিত 'জয়ন্তী'য়ে অসমীয়া সাহিত্যলৈ নতুনৰ ঢল নমাই আনি কবিতাৰ প্ৰচলিত ধাৰাটোৰ মাজত পৰিবৰ্তনৰ ইংগিত দাঙি ধৰিছিল। অৱশ্যে ধাৰা সলনিৰ ইংগিত বহন কৰিলেও তাত প্ৰকাশিত কবিতাৰ বাস্তৱতাৰ ছবিখনে প্ৰকৃতাৰ্থত এটা সাহিত্যৰ স্ৰোত সৃষ্টি কৰিব পৰা নাছিল। কিন্তু প্ৰগতিশীল 'জয়ন্তী'ৰ অংকুৰণ ঘটিছিল চৌধাৰী সম্পাদিত 'জয়ন্তী'ৰ বুকুতে। ৰঘুনাথ চৌধাৰীৰ পৰৱৰ্তী কালত ১৯৪৩ চনৰ পৰা কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ সম্পাদনাত নতুন ৰূপত প্ৰকাশ পোৱা 'জয়ন্তী'য়ে অসমীয়া কবিতাৰ ইতিহাসত এটি যুগ সৃষ্টি কৰি সামাজিক বাস্তৱতাৰ ঢল নমাই আনিবলৈ সক্ষম হয়। এই নতুন সাহিত্য স্ৰোতটোক অসমীয়া সাহিত্যত প্ৰগতিশীল

ধাৰা বুলি চিনাক্ত কৰা হৈছে। এই অৰ্থত অসমীয়া কবিতাৰ জয়ন্তী যুগ বুলি ক'লে প্ৰগতিশীল জয়ন্তীৰ সময়ছোৱাকে (১৯৪৩-৪৬) বুজোৱা হয়। যুদ্ধোত্তৰ অসমীয়া কবিতা মানে চল্লিশৰ দশকৰ পৰা আৰম্ভ হোৱা আধুনিক অসমীয়া কবিতাৰ দ্বিতীয় পৰ্বৰ কবিতাখিনিক কোৱা হয়। যুদ্ধপূৰ্বৰ ৰোমাণ্টিক ধাৰাৰ দুই এক কবিয়ে যুদ্ধোত্তৰ কালত কাব্য চৰ্চা অব্যাহত ৰাখিছিল যদিও সময়ৰ আহ্বানত তেওঁলোকে বিদায় মাগিবলৈ বাধ্য হয়।

**চল্লিশৰ দশকৰ কবিতা ঃ  জয়ন্তী-পছোৱাৰ যুগ**

কুৰি শতিকাৰ চল্লিশৰ দশকটো অসমীয়া সাহিত্যৰ ইতিহাসত অতি গুৰুত্বপূৰ্ণ। এই দশকতে আধুনিক অসমীয়া কবিতাৰ দ্বিতীয় পৰ্বৰ অংকুৰণ হয় আৰু পৰৱৰ্তী 'ৰামধেনু'ৰ কালছোৱাত ই বিস্তাৰ লাভ কৰে। নলিনীধৰ ভট্টাচাৰ্যই ক'বৰ দৰে — "১৯৪০ চনত অসমীয়া কবিতাই এটা নতুন কেঁকুৰি ললে সেইটো হ'ল, আধুনিক অসমীয়া কবিতাৰ দ্বিতীয় পৰ্ব। এই পৰ্বতো 'মিলন-তত্ত্ব'ই ক্ৰিয়া কৰিছে বিস্তৃতভাৱে—যাৰ ফলত কবিসকলে  বিশ্ব-ব্ৰহ্মাণ্ডৰ বীজ সংগ্ৰহত বহু পৰিমাণে সফল হৈছিল।"[৩] ১৯৪০ চনৰ মাৰ্চ মাহৰ 'আৱাহন' আলোচনীত প্ৰকাশ হোৱা হেম বৰুৱাৰ স্পন্দিত গদ্য ছন্দত লিখা 'বান্দৰ' কবিতাই অসমীয়া কবিতাৰ এটা নতুন ধাৰাৰ শুভাৰম্ভ কৰে। এই কবিতাটোৰ যোগেদি সেই সময়ত অসমীয়া কবিতাই ৰোমাণ্টিকতাৰ পৰা আঁতৰি অহাৰ উমান পোৱা গৈছিল। মুঠতে চল্লিশৰ দশকৰ আৰম্ভণিতে অসমীয়া কবিতাই নতুন ভঙ্গী আৰু নতুন কাব্য-বিষয় আদৰি আনিছিল। মুক্তক ছন্দৰ পোন প্ৰথমবাৰলৈ সাৰ্থক ব্যৱহাৰ কৰি মহেশ্বৰ নেওগে ১৯৪১-ত ('বাঁহী' আলোচনীত প্ৰকাশিত) 'অন্ত্যজা' নামৰ কবিতাৰ যোগেদি অসমীয়া কবিতাক চকুত পৰাকৈ আধুনিক পোছাক পিন্ধায়।[৪]

ইতিমধ্যে বিয়াল্লিশৰ ভাৰত ত্যাগ আন্দোলন আৰু দ্বিতীয় বিশ্বযুদ্ধৰ ভয়াবহ পৰিস্থিতিয়ে অসমৰ সমাজ জীৱনৰ বুকুত যি খলকনি তুলিছিল তাৰ ফলত সাহিত্যৰ গতি প্ৰায় স্তব্ধ হৈ পৰিছিল। সেই সময়ত অসমীয়া সাহিত্য আন্দোলনৰ গুৰি বঠা ধৰি থকা 'আৱাহন' আলোচনীয়েও মহাযুদ্ধৰ আনুষঙ্গিক কাৰণ কিছুমানৰ বাবে নিজৰ আপোন মহিমা হেৰুৱাই পেলাইছিল। ইয়াৰ লগে লগে অসমৰ সামাজিক, ৰাজনৈতিক অস্থিৰতা আৰু অৰ্থনৈতিক

বিপৰ্যয়ে চাৰিওফালে হাহাকাৰ আৰু নৈৰাশ্যৰ সৃষ্টি কৰে। এইখিনি সময়তে গুৱাহাটীৰ এটা ডেকাদলে 'যিকোনো উপায়ে আলোচনী এখন উলিয়াবলৈ' সংকল্পবদ্ধ হয়। ১৯৪২ চনত বন্ধ হৈ পৰা ৰঘুনাথ চৌধাৰী সম্পাদিত 'জয়ন্তী'ক তেওঁলোকে ১৯৪৩ চনৰ শেহৰ পৰা 'প্ৰগতিৰ দীপ্ত বাণী'ৰে 'নতুন ধাৰাৰ বাহক ৰূপে' প্ৰকাশ কৰিবলৈ লয়। জয়ন্তী আলোচনীয়ে ৰোমাণ্টিক ভাবধাৰাৰ প্ৰতি বিষোদ্‌গাৰ কৰি নিজকে প্ৰগতিবাদী বুলি ঘোষণা কৰে। মহেশ্বৰ নেওগে ক'বৰ দৰে—"এইখিনিতেই পুৰণি আৰু নতুনৰ বিচ্ছেদ ঘটিল, আৰু নিজৰ মান ৰাখি পুৰণি নীৰব হৈ পৰিল। যদিও 'জয়ন্তী'ৰ থুলে বহুতো প্ৰতিশ্ৰুতিৰে নতুন সাহিত্যৰ তত্ত্ব ঘোষণা কৰিলে, কীৰ্তিৰ ক্ষেত্ৰত মাত্ৰ কবিতাৰ এটি নতুন ভঙ্গী স্থাপন কৰিবলৈহে এওঁলোকে সক্ষম হ'ল।"[৫] মহাযুদ্ধৰ তিক্ত অভিজ্ঞতা আৰু স্বাধীনতা পিয়াসী মুক্তিকামী জনতাই ৰূঢ় বাস্তৱৰ সৈতে মুখামুখী হৈ নতুন দৃষ্টিভঙ্গী গ্ৰহণ কৰিলে। সামাজিক দায়বদ্ধতা স্বীকাৰ কৰি কবিসকলে আশ্ৰয় ল'লে মাৰ্ক্সবাদী দৰ্শনৰ মাজত। তেওঁলোকে বিশ্বাস কৰিলে যে শ্ৰেণীসংগ্ৰামৰ মাজেদি সাম্যবাদী সমাজ প্ৰতিষ্ঠা অবিহনে জনতাৰ মুক্তি অসম্ভৱ। দৰাচলতে মহাযুদ্ধৰ বা-মাৰলিয়ে কোবোৱা অনাহাৰক্লিষ্ট মানৱতাৰ ছবি অংকনৰ তাগিদাতে আধুনিক কবিতাৰ জন্ম হয়।[৬] এনেদৰে কুৰি শতিকাৰ চল্লিশৰ দশকত 'জয়ন্তী' আলোচনীৰ যোগেদি অসমীয়া কবিতাত বাস্তৱবাদী প্ৰগতিশীল চিন্তাৰ ঢল নামি আহে। 'জয়ন্তী'ৰ প্ৰসঙ্গত হোমেন বৰগোহাঞিয়ে ক'লে—"আধুনিক অসমীয়া কবিতাত জয়ন্তীয়ে এটা 'স্কুল'ৰ জন্ম দিয়ে আৰু সাম্প্ৰতিক অসমীয়া কাব্য আন্দোলন সেই 'স্কুল'ৰেই দুই এজনৰ সচেতন চেষ্টাৰ ফল বুলিলেও অত্যুক্তি কৰা নহয়।"[৭]

জয়ন্তীযুগৰ কবিতা আছিল বিদ্ৰোহৰ কবিতা। এই বিদ্ৰোহ ঘনীভূত হয় কমল নাৰায়ণ দেব আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য সম্পাদিত (১৯৪৩-৪৬) 'জয়ন্তী'ৰ বুকুত। ৰঘুনাথ চৌধাৰী সম্পাদিত 'জয়ন্তী'ৰ প্ৰথম পৰ্যায়ৰ কবিতা সমূহৰ মাজত দুটা ধাৰা দেখা গৈছিল। প্ৰথম সংখ্যাত প্ৰকাশিত অতুল চন্দ্ৰ হাজৰিকাৰ 'গন্ধ মালতী' এটি ৰোমাণ্টিক কবিতা; অন্যহাতে প্ৰসন্নলাল চৌধুৰীৰ 'নাঙলৰ গীত' আছিল বাস্তৱ চিন্তাৰ প্ৰতিফলন ঘটা কবিতা। কিন্তু পিছলৈ 'নাঙলৰ গীত'ৰ দৰে কবিতা অন্তত; 'জয়ন্তী'য়ে প্ৰগতিশীল ৰূপ লাভ নকৰালৈ

প্ৰকাশ হোৱা নাছিল। ১৯৪৩ চনৰ পৰা 'জয়ন্তী' য়ে (নবেম্বৰ-ডিছেম্বৰ সংখ্যা) এটা নতুন ধাৰাৰ কবিতা আৰম্ভ কৰে। সামাজিক চেতনাৰে উদ্বুদ্ধ হৈ কবিসকলে শোষিত-নিষ্পেষিতজনৰ হৃদয়ৰ ভাষাক কবিতাৰ মাজলৈ লৈ অহাত কবিতা হৈ পৰিল সৰ্বহাৰাৰ মুক্তিৰ বাণী। পুঁজিবাদী সমাজ ব্যৱস্থাৰ বিপৰীতে এখন শ্ৰেণী-হীন সমাজ প্ৰতিষ্ঠাৰ লক্ষ্যৰে কবিসকল অগ্ৰসৰ হ'ল প্ৰগতিবাদী চিন্তাৰ বাটেৰে। মহেন্দ্ৰ বৰাই ক'বৰ দৰে—"'জয়ন্তী' যুগৰ কাব্য বিপ্লৱৰ কাব্য। প্ৰতিবাদৰ কণ্ঠস্বৰ সেই কাব্যত বলিষ্ঠ। প্ৰখৰ সমাজ-চেতনা আৰু তীক্ষ্ণ সমালোচনা জয়ন্তী যুগৰ কবিতাৰ বৈশিষ্ট্য।"[৮] জয়ন্তী যুগৰ নতুন ধাৰাৰ কবিতাই নতুন কবি গোষ্ঠী এটাৰ জন্ম দিয়ে। কল্পনাশ্ৰয়ী ৰোমাণ্টিক কবিতাৰ ভাব বিলাসিতাৰ জগতৰ পৰা আঁতৰি আহি যুদ্ধোত্তৰ যুগৰ এই সকল কবি দুটা ধাৰাত বিভক্ত হৈ পৰে। এটা সামাজিক চেতনাৰে উদ্বুদ্ধ সাম্যবাদী ধাৰা যাৰ ভূমিকা আছিল প্ৰগতিশীল আৰু আনটো নব্য-ৰোমাণ্টিক। নলিনীধৰ ভট্টাচাৰ্যই 'জয়ন্তী'ৰ ভূমিকা প্ৰসঙ্গত ক'লে—"এইখিনি সময়তে অসমীয়া কবিতাত এহাতে মাৰ্ক্সীয় বিশ্ববীক্ষা আৰু আনহাতে সম্পূৰ্ণ এলিয়টী নহ'লেও, এটি বুদ্ধিজাত সংশয় বেদনাৰ যি ইঙ্গিত দেখা গৈছিল, পৰৱৰ্তী ৰামধেনু যুগত তাৰ বিস্তৃতি অনুভৱ কৰিব পাৰি। জয়ন্তীৰ এই ভূমিকা নিঃসন্দেহে প্ৰশংসনীয়, কিয়নো অসমৰ সংস্কৃতিয়ে যি পৰিবৰ্তন বিচাৰিছিল, তাৰেই প্ৰতিভূ ৰূপে জয়ন্তীয়ে অসমীয়া কবিতাৰ দিক্ পৰিবৰ্তনত অৰিহণা যোগালে। এইদৰে যুদ্ধোত্তৰ কবিতাই নতুন কেঁকুৰি লোৱাত কবিতাৰ পৰিধি বাঢ়িল আৰু ক্ৰমান্বয়ে বিশ্ব সংস্কৃতিৰ বীজ লৈ কবিতাই নিজৰ ৰূপান্তৰো ঘটালে।"[৯] এইখিনি সময়তে সমাজ চেতনাৰে উদ্বুদ্ধ হোৱা এচাম কবিয়ে বৈপ্লৱিক উষ্মা প্ৰকাশৰ বাবে আগবাঢ়ি আহিল আৰু আন এচামে এলিয়টী নৈৰ্ব্যক্তিকতাকো আদৰনি জনালে। এলিয়ট, বোডেলেয়াৰ, মালাৰ্মে আদি পাশ্চাত্য কবি সকলৰ কাব্য-কৌশলৰ উপৰিও দুই-এজনে ফ্ৰয়েদীয় দৰ্শনৰ প্ৰতিও আগ্ৰহী হোৱা দেখা যায়। পিছৰ চাম কবিক সমালোচক সকলে নব্য-ৰোমাণ্টিক বুলি অভিহিত কৰিছে। চল্লিশৰ দশকত অসমীয়া কবিতাৰ এই দুই ধাৰা সম্পূৰ্ণ ৰূপে প্ৰস্ফূটিত হোৱা নাছিল তাৰ অংকুৰহে দেখা গৈছিল। আধুনিক অসমীয়া কবিতাৰ দ্বিতীয় পৰ্বৰ প্ৰকৃত স্ফূৰণ ঘটে পৰৱৰ্তী ৰামধেনু যুগতহে।

'জয়ন্তী'ৰ পাতত ভালেসংখ্যক কবিৰ কবিতা প্ৰকাশ হৈছিল তাৰ ভিতৰত উল্লেখযোগ্য হৈছে ভবানন্দ দত্ত, চক্ৰেশ্বৰ ভট্টাচাৰ্য, হেম বৰুৱা, অমূল্য বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, কেশৱ মহন্ত, ৰাম গগৈ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, চৈয়দ আব্দুল মালিক, অজিৎ বৰুৱা, বীৰেন্দ্ৰ নাথ বৰকটকী, ভবপ্ৰসাদ ৰাজখোৱা, যতিনাৰায়ণ শৰ্মা, নৰকান্ত বৰুৱা, উগ্ৰ কটকী (আনন্দেশ্বৰ শৰ্মা), সদা চলিহা আৰু অন্যান্য সকলৰ ভিতৰত সিদ্ধেশ্বৰ তামূলী, আব্দুছ ছাত্তাৰ আদি। উল্লেখ্য যে কবিতাৰ গতিধাৰা ৰক্ষাত একোখন সংকলনে ভালেখিনি ভূমিকা পালন কৰে। চল্লিশৰ দশকৰ এখন উল্লেখযোগ্য কবিতাৰ সংকলন হৈছে যতিনাৰায়ণ শৰ্মাৰদ্বাৰা সম্পাদিত আৰু ১৯৪৬ চনত প্ৰকাশিত 'আধুনিক অসমীয়া কবিতা।' এই সংকলনৰ মাজেদি আধুনিক অসমীয়া কবিতাৰ 'হিউমেনিষ্টিক মুভমেণ্ট' টোৰ প্ৰথম উমান পোৱা যায়। তদুপৰি ইয়াত সন্নিবিষ্ট দুই এটা উল্লেখযোগ্য কবিতাই আধুনিক অসমীয়া কবিতাৰ গতি নিৰ্ণয় কৰাত ভালেখিনি সহায় কৰিছে।[১০] আধুনিক কবিতাৰ সামগ্ৰিক বিচাৰ প্ৰসঙ্গত হোমেন বৰগোহাঞিয়ে ইউৰোপীয় কাব্য আন্দোলনৰ দুটি বিশিষ্ট ধাৰা ছিম্বলিক বা প্ৰতীকবাদী আৰু সাম্যবাদী ধাৰাৰ বিষয়ে উল্লেখ কৰিছে। আধুনিক কাব্য আন্দোলনৰ এই দুটা বিশিষ্ট ধাৰাৰ ভিতৰত সাম্যবাদী চিন্তাৰ উৎকৃষ্ট ফল হিচাপে তেওঁ উক্ত সংকলনৰ কবিতাসমূহক দাঙি ধৰিব পাৰি বুলি মত পোষণ কৰিছে। 'জয়ন্তী'ৰ পাতত এই তৰুণ কবি গোষ্ঠীয়ে যুদ্ধোত্তৰ অসমীয়া কবিতাৰ সৈতে নিজৰ নাম সংযোজিত কৰাৰ লগে লগে অসমীয়া কবিতাই এটা নতুন গতি লাভ কৰিলে। জয়ন্তীৰ কবিগোষ্ঠীক সমকালীন ভাৰতবৰ্ষ তথা অসমীয়া সমাজৰ পয়ালগা ছবিখনৰ লগতে জনগণৰ দুৰৱস্থাই ক্ষোভিত কৰি তুলিছিল। এনে দুৰৱস্থাৰ ছবি আঁকিবলৈ তেওঁলোকে ইংৰাজী সাহিত্যৰ ত্ৰিশৰ দশকৰ ডব্লিউ. এইচ্. অডেন আৰু তেওঁৰদ্বাৰা প্ৰভাৱিত স্পেন্দাৰ, মেকনিচ্, ডে. লুইছ্ আদি সাম্যবাদী কবিসকলৰ কবিতা আৰ্হি হিচাপে লৈছিল। বংগৰ কল্লোল গোষ্ঠী আৰু পৰৱৰ্তীকালৰ প্ৰগতিশীল পৰিচয় (১৯৩৬) গোষ্ঠীৰ প্ৰেমেন্দ্ৰ মিত্ৰ, সমৰ সেন, বিষ্ণু দে আদি বাওঁপন্থী কবিসকলৰ কবিতাৰ দ্বাৰাও জয়ন্তী-গোষ্ঠীৰ কবিসকল প্ৰভাৱিত হৈছিল।[১১] কিন্তু প্ৰতীক চিত্ৰকল্পবাদী কবিতাৰে সমগ্ৰ ইউৰোপত খলকনি লগোৱা এলিয়টী ক্ষয়িষ্ণু ধাৰাৰ পৰা জয়ন্তী কবি গোষ্ঠী

বিৰত আছিল। আধুনিক কবিতা সম্পৰ্কে তেওঁলোকৰ কেনে ধাৰণা আছিল তাক স্পষ্টকৈ দাঙি ধৰিছিল জয়ন্তীৰ পাতত। জয়ন্তীত প্ৰকাশিত কমল নাৰায়ণ দেৱৰ (সত্যকাম) 'প্ৰগতিশীল কবিতাৰ টেক্‌নিক' শীৰ্ষক লেখাত উল্লেখ কৰিছে—"প্ৰথমত আধুনিক কবিতাৰ দৃষ্টিভঙ্গী হৈছে নেতিবাচক। এই সমাজ নিৰন্তৰ ক্ষয়িষ্ণু, জীৱনৰ আশা ইয়াত নাই। আদৰ্শ আজি বিষময়, সুন্দৰ আজি লাঞ্ছিত। সমাজৰ ঘূনে খোৱা ভিতৰুৱা অংশ আৰু তাৰ আসন্ন পৰিবৰ্তনৰ প্ৰয়োজনীয়তাক ফুটাই তোলাটোৱে আধুনিক কবিতাৰ উদ্দেশ্য।"[১২] মাৰ্ক্সবাদী দৰ্শনৰ দ্বাৰা আকৰ্ষিত ভবানন্দ দত্ত, অমূল্য বৰুৱা আদি কবি সকলে চল্লিশৰ দশকত অসমীয়া কবিতাৰ প্ৰগতিশীল ধাৰাটো সু-সংগঠিত ৰূপত আগবঢ়াই নিয়ে। প্ৰগতিশীল জয়ন্তী জীয়াই আছিল ১৯৪৩ চনৰ পৰা ১৯৪৬ চনলৈ। এইখিনি সময়তে 'জয়ন্তী'য়ে আধুনিক অসমীয়া কবিতাৰ ইতিহাসত এক উল্লেখযোগ্য অৱদান আগবঢ়ায়।

চল্লিশৰ দশকৰ শেষৰ ফালে ১৯৪৮ চনৰ পৰা আধুনিক অসমীয়া কবিতালৈ নতুন জোৱাৰ আহে হেম বৰুৱাৰ সম্পাদনাত প্ৰকাশ হোৱা 'পছোৱা' আলোচনীৰ যোগেদি। আধুনিক অসমীয়া কবিতাৰ গতিশীলতা দান কৰাৰ ক্ষেত্ৰত 'জয়ন্তী'ৰ পিছতে 'পছোৱা'ৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূৰ্ণ আছিল। মাত্ৰ এবছৰ কাল জীয়াই থকা আলোচনী খনত প্ৰায় ডেৰ কুৰি কবিৰ কবিতা প্ৰকাশ হৈছিল। 'পছোৱা'ৰ উল্লেখযোগ্য কবি কেইগৰাকী হৈছে— নবকান্ত বৰুৱা, হেমবৰুৱা, হৰি বৰকাকতি, চক্ৰেশ্বৰ ভট্টাচাৰ্য, বীৰেণ বৰকটকী, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু নলিনীধৰ ভট্টাচাৰ্য। 'পছোৱা'ৰ চৰিত্ৰ আছিল সমাজবাদী গণতান্ত্ৰিক। 'জয়ন্তী'ৰ সাম্যবাদী ভাবধাৰাৰ বিপৰীতে পছোৱাই এক উদাৰ দৃষ্টিভঙ্গীৰে প্ৰগতিশীল আৰু এলিয়টী ধাৰাৰ কবিতাৰ উপৰিও ৰোমাণ্টিক ভাৱৰ কবিতাও প্ৰকাশ কৰিছিল। যোগেশ দাসে উল্লেখ কৰিছে—"যিহক প্ৰকৃততে আধুনিক ধাৰা বুলিব পাৰি তাৰ সূচনা কৰে মাহেকীয়া 'পছোৱা' আলোচনীয়েহে।"[১৩] আধুনিক অসমীয়া কবিতাৰ জয়যাত্ৰাত 'পছোৱা'ৰ ভূমিকা সন্দৰ্ভত হোমেন বৰগোহাঞিয়ে লিখিছে —"আধুনিক অসমীয়া কবিতাৰ গম-গতি লবলৈ হ'লে আমি আকৌ এবাৰ আলোচনীৰ পাত লুটিয়াব লাগিব। বেছিদিন স্থায়ী নহ'ল যদিও 'পছোৱা'ৰ আবিৰ্ভাৱে অসমীয়া কাব্য আন্দোলনক নতুন শক্তি যোগালে। উজ্বল সম্ভাৱনাৰে

পৰিপূৰ্ণ বহুতো নতুন কবি-প্ৰতিভাই পছোৱাৰ পাতত আত্ম প্ৰকাশ কৰে।"[১৪] জয়ন্তীয়ে আৰম্ভ কৰা প্ৰগতিশীল কাব্য আন্দোলনটোক 'পছোৱা'ই আগবঢ়াই নিয়ে আৰু 'ৰামধেনু'ৰ পাতত আধুনিকতাৰ এই ধাৰাটোৱে পূৰ্ণতা লাভ কৰে। অৱশ্যে প্ৰগতিশীল ধাৰাটোৰ উপৰিও চল্লিশৰ দশকতে 'পছোৱা' আলোচনীৰ যোগেদি প্ৰতীক-চিত্ৰকল্পবাদী কবিতাৰ ধাৰাটোও আৰম্ভ হয়। 'ক্ষয়িষ্ণু' চিন্তাৰ বাহক বুলি 'জয়ন্তী'য়ে বিৰাগ ভাব প্ৰদৰ্শন কৰা এলিয়টী-ধাৰাৰ প্ৰতীক চিত্ৰকল্পবাদী কবিতাক 'পছোৱা'ই আদৰণি জনাইছিল। 'জয়ন্তী'য়ে আৰম্ভ কৰা প্ৰগতিশীল সাহিত্য আন্দোলনটো 'পছোৱা'ই এক 'নতুন আয়তন দান' কৰে। সাম্যবাদী বা প্ৰগতিশীল কবিতা ৰচনা কৰা হেম বৰুৱাই পছোৱাৰ কালছোৱাতে এলিয়টৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰে। পছোৱাত সমাজ-চিন্তাৰ লগতে শাশ্বত জীৱন চিন্তাও প্ৰতিফলিত হৈছিল। সমাজ চিন্তা হ'ল বহিৰ্মুখী আৰু শাশ্বত জীৱন চিন্তা হ'ল অন্তৰ্মুখী চিন্তা। পছোৱাই বহিৰ্মুখী চিন্তাৰ লগতে অন্তৰ্মুখী চিন্তাৰো পোষকতা কৰিছিল।[১৫] মুঠতে চল্লিশৰ দশকত আধুনিক অসমীয়া কবিতাৰ প্ৰগতিশীল আৰু প্ৰতীক-চিত্ৰকল্পবাদী (এলিয়টী ধাৰা) দুয়োটি ধাৰাৰ কবিতা ৰচিত হয়। জয়ন্তীয়ে প্ৰগতিশীল ধাৰাটোক সজীৱ কৰি ৰখাৰ বিপৰীতে পছোৱাই প্ৰতীক-চিত্ৰকল্পবাদী ধাৰাটোক উজ্জীৱিত কৰি তোলে।

**পঞ্চাশৰ দশকৰ কবিতা ঃ ৰামধেনু যুগ**

আধুনিক অসমীয়া কবিতাৰ বাবে কুৰি শতিকাৰ পঞ্চাশৰ দশকটো উল্লেখযোগ্য সময়। এইটো দশকতে অসমীয়া কবিতাই প্ৰকৃতাৰ্থত আধুনিকতাৰ শাৰীত উঠে। চল্লিশৰ দশকত কাব্য সাধনাৰে আধুনিকতাৰ জয়যাত্ৰা আৰম্ভ কৰা অধিক সংখ্যক কবিয়ে পঞ্চাশৰ দশকতহে প্ৰতিষ্ঠা লাভ কৰে। পঞ্চাশৰ দশকটো মূলতঃ ৰামধেনু যুগ বুলি অভিহিত কৰা হৈছে। ৰামধেনুৰ কালছোৱাই হৈছে অসমীয়া সাহিত্যৰ আধুনিক যুগ। চল্লিশৰ দশকটো আধুনিক অসমীয়া কবিতাৰ প্ৰস্তুতি পৰ্ব হিচাপে 'জয়ন্তী' আৰু 'পছোৱা'ৰ মাজেৰে আগবাঢ়ি পঞ্চাশৰ দশকত 'ৰামধেনু'ৰ বুকুত আধুনিক অসমীয়া কবিতাই বিস্তৃতি লাভ কৰে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাৰ সময়ছোৱাক পাঠক সমালোচক সকলে পৰৱৰ্তী কালত অসমীয়া

সাহিত্যৰ গৰিমামণ্ডিত 'ৰামধেনু যুগ' বুলি চিহ্নিত কৰিছে। ৰামধেনু যুগৰ কাল নিৰূপনৰ ক্ষেত্ৰত কিছু ভিন্নতা পৰিলক্ষিত হয়। বীৰেশ্বৰ বৰুৱাই ৰামধেনু যুগৰ কাল ১৯৫২-১৯৬১ বুলি উল্লেখ কৰাৰ বিপৰীতে গোবিন্দ প্ৰসাদ শৰ্মাই ১৯৫০-১৯৫৯ চনৰ কাল ডোখৰহে উল্লেখ কৰিছে। দৰাচলতে ৰামধেনু যুগ বুলিলে ১৯৫২ চনৰ পৰা ১৯৬২ চনৰ মাজৰ কালছোৱাকে বুজায়। হোমেন বৰগোহাঞিয়ে ৰামধেনু সংকলনৰ পাতনিত লিখিছে— "অসমীয়া সাহিত্যৰ ৰামধেনু যুগ বুলি ক'লে আমি বুজি পাও কেৱল বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত 'ৰামধেনু'ৰে সৃষ্টি কৰা যুগটোক।"[১৬] বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত ৰামধেনু আলোচনীয়ে অসমীয়া সাহিত্যত যুগান্তৰৰ সূচনা কৰাৰ লগতে যুদ্ধোত্তৰ যুগৰ আধুনিকতাৰ লক্ষণবোৰ প্ৰথমবাৰৰ কাৰণে স্পষ্ট ৰূপত প্ৰকট হয়। ৰামধেনু যুগৰ কবিসকলৰ প্ৰেৰণাৰ উৎস আছিল ফৰাচী প্ৰতীকবাদী কাব্য আন্দোলন আৰু ত্ৰিশৰ দশকৰ ইংৰাজী কবিতা।[১৭] ৰামধেনু যুগত অন্যান্য ভাৰতীয় ভাষাৰ সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো পাশ্চাত্যৰ প্ৰভাৱতে আধুনিক যুগৰ সূচনা হয়। ১৯৫১ চনত প্ৰকাশিত নৱকান্ত বৰুৱাৰ 'হে অৰণ্য হে মহানগৰ' যুদ্ধোত্তৰ অসমীয়া কবিতাৰ ইতিহাসত উল্লেখযোগ্য সংযোজন। তেওঁৰ এই সংকলনটিয়ে আধুনিক অসমীয়া কবিতাৰ গতি নিৰ্দ্ধাৰণত বিশেষ ভূমিকা গ্ৰহণ কৰে। তদুপৰি অধিক সংখ্যক অসমীয়া কবিয়ে পৰৱৰ্তী কালত এই সংকলনৰ কবিতা সমূহৰ পৰাই প্ৰেৰণা লাভ কৰিছিল। এই সময়ৰ কবিসকলে দেশ বিদেশৰ কাব্য চৰ্চাৰ মাজেদি নতুন ভাব-ভংগীৰে কবিতাত এক আন্তজাৰ্তিক সুৰ প্ৰতিধ্বনিত কৰে। ৰামধেনু যুগৰ কবিকুলৰ অধিক সংখ্যকেই আধুনিক কবিতাৰ আদৰ্শৰে বিষয়বস্তু আৰু আংগিকৰ ক্ষেত্ৰত নতুন পৰীক্ষা-নিৰীক্ষাৰ মাজেদি অসমীয়া কবিতাৰ ভেটি সুদৃঢ় কৰি তোলে। এই যুগৰ অসমীয়া কবিসকলে যুদ্ধোত্তৰ কালৰ আধুনিক জীৱন-যাত্ৰাৰ বিচিত্ৰ অভিজ্ঞতাৰে কবিতাসমূহ সমৃদ্ধ কৰে। আধুনিকতাৰ স্বৰূপ প্ৰতিফলিত কৰিবলৈ অধিক সংখ্যক কবিয়ে পঞ্চাশৰ দশকৰ আৰম্ভণিতে প্ৰকাশ হোৱা হেম বৰুৱাৰ 'আধুনিক সাহিত্য'ৰ দ্বাৰাও প্ৰভাৱিত হোৱা দেখা যায়। আধুনিক অসমীয়া সাহিত্যৰ কৰ্ণধাৰ স্বৰূপ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই হেম বৰুৱাৰ দৰেই সমাজবাদী গণ-সাহিত্যৰ ধাৰাটোক গুৰুত্ব দিয়াৰ লগতে 'আধুনিক' বিশেষণটো যে ব্যাপক অৰ্থ প্ৰকাশক

একাধিক ধাৰাৰ সমষ্টি সেই কথা স্বীকাৰ কৰিছিল।

ৰামধেনু যুগে অসমীয়া সাহিত্যক বিশ্বমুখী কৰি সমসাময়িক পাশ্চাত্য সাহিত্যৰ পৰা আধুনিকতাৰ বাৰ্তাবহন কৰি আনিছিল। হোমেন বৰগোহাঞিয়ে ৰামধেনুৰ পাতত 'আধুনিক অসমীয়া কবিতা' শীৰ্ষক প্ৰৱন্ধত আধুনিক কবিতাৰ বিষয়ে লিখিছে—"ঐতিহাসিক দৃষ্টিভঙ্গীৰে চাবলৈ গ'লে আধুনিক কবিতাৰ প্ৰথম আৰম্ভ হয় ফ্ৰান্সত—উনৈশ শতাব্দীৰ মাজভাগত। বোডেলেয়াৰ, ৰ‍্যাবোঁ আদি তৰুণ কবিসকলে ভিক্টোৰ হিউগোৰ নবন্যাসবাদক বুৰ্জোৱা সভ্যতাৰ অকাব্যিক বস্তু নিষ্ঠাৰ বিৰুদ্ধে ক্ষীণ প্ৰতিবাদ বুলি নাকচ কৰাৰ লগে লগেই আধুনিক কবিতাৰ জন্ম হয়। আধুনিক কবিতাৰ বেলেগ এটা ধাৰাৰ উদ্ভৱ হয় আমেৰিকাত — বাল্ট হুইটম্যানৰ  হাতত। ছন্দৰ ৰাজ্যত বিদ্ৰোহ ঘোষণা কৰি হুইটম্যানে কাব্যৰ বুৰঞ্জীত এটা নতুন অধ্যায়ৰ সূচনা কৰে।"[১৮] অন্যহাতে আধুনিক অসমীয়া কবিতাৰ আৰম্ভণিৰ বিষয়ে ক'বলৈ গৈ তেওঁ উল্লেখ কৰিছে—"নিভাঁজ ঐতিহাসিক দৃষ্টিৰে চাবলৈ গ'লে দ্বিতীয় মহাযুদ্ধ আৰু তাৰ পৰৱৰ্তী কালচোৱাৰ অসমীয়া কাব্য আন্দোলনকে প্ৰকৃত আধুনিক কাব্য আন্দোলন বুলিব পাৰি। পৰ্বতৰ পৰা ওলাবৰ সময়ত ক্ষুদ্ৰ নিজৰাৰ ৰূপত থকা জলধাৰাই যেনেকৈ ভৈয়ামলৈ আহি গভীৰ আৰু বহল নদীৰ ৰূপ লয়, ঠিক তেনেকৈ 'আৱাহন'ৰ পৰা ওলোৱা 'আধুনিক অসমীয়া কবিতা'ৰ ক্ষীণ স্ৰোতধাৰাই 'জয়ন্তী'ৰ মাজেদি প্ৰবাহিত হৈ অৱশেষত 'ৰামধেনু'ৰ পাতত বিশাল আৰু গভীৰ ৰূপ ধাৰণ কৰে।"[১৯]

চল্লিশৰ দশকত আৰম্ভ হোৱা আধুনিক অসমীয়া কবিতাৰ গতিধাৰা ৰামধেনু যুগত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাৰ কালছোৱাত বলিষ্ঠ ৰূপত প্ৰকাশ লাভ কৰে। অৱশ্যে ভট্টাচাৰ্যৰ আগতে ১৯৫০-৫১ চনৰ পৰা মহেশ্বৰ নেওগৰ সম্পাদনাত প্ৰকাশ পোৱা ৰামধেনু আলোচনী আছিল অসমীয়া সাহিত্যৰ যুগ পৰিবৰ্তনৰ স্বাক্ষৰ বহনকাৰী। পঞ্চাশৰ দশকৰ আৰম্ভণিতে নেওগৰ সম্পাদনাত ৰামধেনুত বাঁহী- আৱাহন কালৰ আৰু আধুনিক যুগৰ সাহিত্যৰ সমান পয়োভৰ দেখা যায়। নেওগৰ সম্পাদনাৰ ৰামধেনুত নবকান্ত বৰুৱাৰ আধুনিকতাবাদী কবিতা 'এতিয়া কিমান ৰাতি', হেম বৰুৱাৰ 'পোহৰতকৈ এন্ধাৰ ভাল'

আদি আধুনিক কবিতাও প্ৰকাশ হয়। কিন্তু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত প্ৰকাশিত ৰামধেনুৰ কবি-সাহিত্যিক সকলে আধুনিকতা সম্পৰ্কে অধিক সচেতন হৈ পৰিছিল। ৰামধেনু যুগে সমসাময়িক বিশ্বৰ ৰাজনৈতিক, অৰ্থনৈতিক চেতনাৰে আমাৰ সমাজৰ সমস্যা প্ৰতিফলন কৰাৰ লগতে পাশ্চাত্য মনস্তত্ব, দৰ্শন আৰু বিজ্ঞানৰ জ্ঞানৰ সহায়ত মানুহৰ অন্তৰ্জগতৰ পৰিচয়েৰে সমকালীন ব্যক্তি সত্বাক ফুটাই তুলিছিল। পঞ্চাশৰ দশকত ৰামধেনু যুগৰ কবিসকলে বাংলা কবি ৰবীন্দ্ৰ নাথ ঠাকুৰ, জীৱনানন্দ দাস তথা ইংৰাজ কবি এলিয়ট, এজ্ৰা পাউণ্ড আদিৰ দ্বাৰা বিশেষ ভাবে প্ৰভাৱিত হোৱা দেখা যায়। সমসাময়িক ভাব-অনুভূতিক নতুনকৈ প্ৰকাশ কৰাৰ বাবে কবিতাৰ গঢ়ৰ আৰু ছান্দসিক ৰূপৰ জয়ন্তীৰ পাতত আৰম্ভ হোৱা পৰিবৰ্তন ৰামধেনু যুগত সম্পূৰ্ণ হৈ উঠে। গোবিন্দ প্ৰসাদ শৰ্মাই 'অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)'ত উল্লেখ কৰিছে—"ৰামধেনু যুগৰ সাহিত্যৰ ধাৰা প্ৰধানতঃ দুটা — এটা প্ৰগতিবাদী আৰু আনটো আধুনিকতাবাদী।" কবিতাৰ ক্ষেত্ৰত দেখা যায় জয়ন্তীৰ পাতত উল্লেখ হোৱা প্ৰগতিবাদী ধাৰাটো পিছলৈ পছোৱা আৰু ৰামধেনুৰ পাততো প্ৰবাহিত হৈ থাকিল। অৱশ্যে জয়ন্তী যুগৰ তীব্ৰ শ্ৰেণী সংগ্ৰাম আৰু মাৰ্ক্সবাদী, প্ৰগতিবাদী সাহিত্যৰ লগত হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ নেতৃত্বত গঢ়ি উঠা প্ৰগতিশীল সাহিত্য সম্পূৰ্ণ একে নহয়। ৰামধেনু যুগৰ আধুনিকতাবাদী তথা সমাজবাদী গণ-সাহিত্যই সামৰা আধুনিক সাহিত্যৰ নেতা আৰু জয়ন্তী যুগৰ আধুনিক সাহিত্য হিচাপে চিহ্নিত প্ৰগতিবাদী সাহিত্যৰ নেতাসকলৰ পাৰ্থক্য আছিল। জয়ন্তীৰ প্ৰগতিবাদী নেতা ভবানন্দ দত্তই ব্যক্তিকেন্দ্ৰিক আধুনিকতাবাদী সাহিত্য অনুমোদন কৰা নাছিল আৰু প্ৰগতিবাদী সাহিত্যকে অকল আধুনিক সাহিত্য বুলি জ্ঞান কৰিছিল। ৰামধেনু যুগৰ সমাজবাদী গণ-সাহিত্যৰ নেতা হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কিন্তু দুয়োটা ধাৰাকে আধুনিক বুলি আদৰি লৈছিল। ৰামধেনু যুগৰ আধুনিক সাহিত্যৰ সমাজবাদী ধাৰাৰ লগত জয়ন্তীকালৰ শ্ৰেণী-চেতনা সম্পন্ন, মাৰ্ক্সবাদী দৰ্শনৰ অনুগামী বৈজ্ঞানিক সমাজবাদী বা প্ৰগতিবাদী সাহিত্যৰ ধাৰাটো শীৰ্ণ গতিত চলি আছিল। ৰামধেনুৰ পাতত ৰাম গগৈ, নলিনীধৰ ভট্টাচাৰ্য আদি দুই-এক কবিয়ে সেই ধাৰাটো অব্যাহত ৰাখিছিল।[২০]

পঞ্চাশৰ দশকৰ ৰামধেনু যুগৰ অসমীয়া কবিতাৰ পটভূমি আছিল এক আন্তৰ্জাতিক

জীৱন দৃষ্টি। দ্বিতীয় মহাসমৰ আৰু ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা বৌদ্ধিক জগতৰ পৰিবৰ্তনে কবিসকলক বিশেষভাবে প্ৰভাৱান্বিত কৰে। আধুনিক জীৱন শৈলী আৰু পাশ্চাত্য আধুনিকতাবাদৰ প্ৰভাৱ পৰিলক্ষিত হ'ল ৰামধেনু যুগৰ অসমীয়া কবিতাত। বিষয়বস্তু আৰু আংগিকৰ ফালৰ পৰা ৰামধেনুৰ কবিসকলৰ মাজত দুটা ভিন্নমুখী কাব্যধাৰা দেখা গ'ল। মহেন্দ্ৰ বৰাই এই নতুন কবি সকলৰ বিষয়ে উল্লেখ কৰি লিখিছে—"নতুন কবি সকলক দুটা বহলভাগত ভগাব পাৰি — এদল জনতাৰ কবি, আনদল নিৰ্জনতাৰ কবি। এই দুই ভিন্নমুখী কাব্যস্ৰোতৰ সমান্তৰাল গতি নতুন অসমীয়া কবিতাৰ তাৎপৰ্যপূৰ্ণ ঘটনা।"[২১] ১৯৫৬ চনত প্ৰকাশিত মহেন্দ্ৰ বৰাৰ 'নতুন কবিতা' ৰামধেনু যুগৰ আধুনিক অসমীয়া কবিতাৰ প্ৰথম পূৰ্ণাংগ সংকলন। এই সংকলনখন যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ এক উল্লেখযোগ্য সংযোজন। ইয়াত সন্নিবিষ্ট কবিতাসমূহে আধুনিক অসমীয়া কাব্য প্ৰবাহত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। অন্যহাতে 'অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)'-ত গোবিন্দ প্ৰসাদ শৰ্মাই উল্লেখ কৰাৰ দৰে এই সময়ৰ কবিসকলৰ দুটা ধাৰা লক্ষ্য কৰিব পাৰি —

**সমাজবাদী/প্ৰগতিবাদী ধাৰাৰ কবি সকল ঃ**

হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নলিনীধৰ ভট্টাচাৰ্য, ৰাম গগৈ, কেশৱ মহন্ত, চিন্ময় চৌধুৰী, অমলেন্দু গুহ, হেমাংগ বিশ্বাস, সদা শইকীয়া, হীৰেণ গোঁহাই, অমিত সৰকাৰ আদি।

**আধুনিকতাবাদী ধাৰাৰ কবি সকল ঃ**

নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, মহিম বৰা, অজিৎ বৰুৱা, দিলীপ বৰুৱা, হৰি বৰকাকতি, বীৰেণ বৰকটকী, হোমেন বৰগোহাঞি, দিনেশ গোস্বামী, নীলমণি ফুকন, বীৰেশ্বৰ বৰুৱা, প্ৰবীণা শইকীয়া, হীৰেণ ভট্টাচাৰ্য, হৰেকৃষ্ণ ডেকা আদি।

ৰামধেনু যুগৰ কবিসকলক দুটা ভাগত বিভক্ত কৰিলেও এই ভাগ একেবাৰে পানী নসৰকা নিকপকপীয়া বুলি ক'ব পৰা নাযায়। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সু-সম্পাদনাত ৰামধেনু আলোচনীৰ যোগেদি দুয়োটা ভাগতে আধুনিক অসমীয়া কবিতাই বিস্তৃতি লাভ কৰি

আধুনিকতাৰ লক্ষণসমূহ প্ৰকট কৰি তোলে। দৰাচলতে ৰামধেনুৱে অসমীয়া কবিতাক আন্তৰ্জাতিক শাৰীত দাঙি ধৰি বিষয় আৰু আংগিকৰ অভিনবত্বৰে আধুনিকতাৰ মৰ্যাদাৰে থাপিলে। চল্লিশৰ দশকৰ কবিতাত যি নন্দন তাত্ত্বিক দিশৰ অভাৱ ঘটিছিল ৰামধেনু যুগৰ কবিতাই সেইটো খণ্ডন কৰাৰ লগতে এক বুদ্ধিনিষ্ঠ কবিতাৰ ভেটি বান্ধিবলৈ কবিসকলে সক্ষম হয়। পাশ্চাত্যৰ আধুনিক কবিসকলৰ প্ৰভাৱত চিত্ৰকল্পবাদ, প্ৰতীকবাদ, অধিবাস্তববাদ, নানান দাৰ্শনিক মতবাদৰ লগতে ইংৰাজ, মাৰ্কিন, জাৰ্মান আদি বিশ্বৰ বিভিন্ন প্ৰান্তৰ কবিসকলৰ কবিতাৰ বিষয়বস্তু আৰু আংগিকৰ সফল পৰীক্ষা আৰম্ভ হয় এই সময়ৰ কবিতাত। মহাযুদ্ধৰ পিছৰেপৰা অসমীয়া কবিসকলক ফৰাচী, ৰুছ, জাপানী, চীনা আদি মহাদেশীয় কবিতাই প্ৰভাৱ বিস্তাৰ কৰে। নতুন কবিতাৰ এটা লক্ষণীয় দিশ হৈছে কল্পচিত্ৰ তথা প্ৰতীকৰ মাজেদি বিচাৰি পোৱা যায় বোডেলেয়াৰ, পল ভেলেৰি, ষ্টিফেন মালাৰ্মে, ৰেইনাৰ মাৰিয়া ৰিল্কে আদি মহাদেশীয় কবিসকলক।[২২] অন্যহাতে টি.এচ এলিয়ট, ডব্লিউ. এইচ্ অডেন, হুইটমেন, মালাৰ্মে, বোডেলেয়াৰ, ৰ্যাঁবো, গাৰ্চিয়া লৰ্কা, মায়াক ভস্কী, খলিল জিব্ৰান, পাবলো নেৰুডা আদি পাশ্চাত্যৰ কবিসকলৰ কবিতাৰ অনুবাদৰ ক্ষেত্ৰতো অসমীয়া কবিসকল আগ্ৰহী হৈ পৰিছিল। মুঠতে 'ৰামধেনু'ৱে আধুনিক অসমীয়া কবিতাৰ ভেটি নিৰ্মাণত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। হোমেন বৰগোহাঞিয়ে 'ৰামধেনু'ৰ অৱদানৰ বিষয়ে ক'লে—" 'ৰামধেনু'ৰ কবিসকলে 'অসমীয়া কবিতাৰ যি নতুন ৰূপ নিৰ্মাণ কৰিলে, পাঠকৰ মনত কবিতাৰপৰা যি নতুন প্ৰত্যাশা সৃষ্টি কৰিলে আৰু যি নতুন ভাব, ভাষা আৰু আংগিক সৃষ্টি কৰিলে, সিয়েই পিছলৈ আসমীয়া কবিতাৰ চিৰস্থায়ী ধাৰাত পৰিণত হ'ল। যোৱা অৰ্ধশতিকাত অসমীয়া কবিতাৰ যি সুৰম্য সৌধ নিৰ্মিত হৈছে তাৰ ভেটিটো বান্ধিছিল 'ৰামধেনু'ৰ কবি সকলে। সিয়েই হ'ল অসমীয়া সাহিত্যলৈ 'ৰামধেনু'ৰ যুগমীয়া অৱদান।"[২৩]

কবীন ফুকনে আধুনিক অসমীয়া কাব্য-প্ৰবাহৰ সৃষ্টি আৰু বিকাশৰ প্ৰসঙ্গত মূলতঃ তিনিটা সুঁতিৰ মিলনৰ কথা উল্লেখ কৰিছে—প্ৰথম জয়ন্তী আলোচনীৰ উদ্যোগত ঠন ধৰি উঠা বাস্তববাদী বিপ্লৱকামী কবিতা যিটো ৰমন্যাস উত্তৰ কালৰ সমাজমুখী কাব্যধাৰা। দ্বিতীয় পছোৱা আৰু ৰামধেনু আলোচনী দুখনৰ কবিতাত বাস্তৱ ভিত্তিক সমাজ চেতনাৰ লগত

ইউৰোপীয় প্ৰতীকবাদী আৰু কল্পচিত্ৰবাদী চেতনাৰ সংযোগত আত্মিক-সামাজিক জীৱন দৃষ্টিৰ সহগামী কাব্য ধাৰা। এই কাব্যধাৰাৰ লগতে আছে 'পছোৱা' — 'ৰামধেনু'ত প্ৰতিষ্ঠিত হোৱা আত্মিক-চেতনাৰ এটা সুকীয়া কাব্য ধাৰা। তৃতীয়তে 'ৰামধেনু'ৰ উত্তৰ কালৰ সমাজ মুখী কাব্য ধাৰাৰ এটা নতুন অভ্যুদয় হোৱাৰ কথা উল্লেখ কৰি তেওঁ আধুনিক অসমীয়া কবিতাৰ এক ঐতিহাসিক প্ৰবাহ দাঙি ধৰিছে।[২৪]

**যাঠিৰ দশকৰ কবিতা ঃ**

আধুনিক অসমীয়া কবিতাৰ ইতিহাসত যাঠিৰ দশকটো বিশেষ ভাবে তাৎপৰ্যপূৰ্ণ। এখন সুকীয়া আসন লৈ প্ৰতিষ্ঠা লাভ কৰা অধিক সংখ্যক কবিয়ে এই দশকতে আত্মপ্ৰকাশ কৰে অথবা প্ৰতিষ্ঠাৰ দিশত আগবাঢ়ে। যাঠিৰ দশকৰ আৰম্ভণিতে ৰামধেনু যুগৰ অবসান ঘটে যদিও কবিসকলে বিষয় আৰু আংগিকৰ ক্ষেত্ৰত পূৰ্বতকৈ অধিক সচেতন হৈ পৰিল। এই দশকৰ কবিসকলে অভিজ্ঞতাৰ পৰিচয় দিয়াৰ লগতে তেওঁলোকে সমালোচনাত্মক দৃষ্টিভঙ্গীক আদৰণি জনালে। এলিয়টী নৈৰ্ব্যক্তিকতাৰ লগতে গভীৰ আত্মানুসন্ধান কবিসকলৰ মাজত দেখিবলৈ পোৱা যায়। মহাদেশীয় কাব্য আন্দোলনৰ দ্বাৰা প্ৰভাৰিত কবিসকলে চীনা, জাপানী আৰু অন্য ভাষাৰ কবিতা অধ্যয়নেৰে অসমীয়া কবিতাৰ বিষয় আৰু আংগিকৰ পৰীক্ষা-নিৰীক্ষা অব্যাহত ৰাখিলে। কবিতাৰ মূল্যবান অনুবাদ আৰু অসমীয়া কবিতাৰ ওপৰত সিবোৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাব যাঠিৰ দশকৰ কবিতাৰ এটা উজ্বল দিশ। মহাদেশীয় চিত্ৰকল্পবাদ, প্ৰতীকবাদ, অধিবাস্তৱবাদ বা 'চুৰৰিয়েলিজম' আদিৰ দৰে সাহিত্যিক বা কলাৰ আন্দোলনৰ লগতে মাৰ্ক্সবাদ, ফ্ৰয়েডৰ মনস্তাত্ত্বিক বিশ্লেষণ আৰু অবস্থিতিবাদৰ দ্বাৰা কবিসকল প্ৰভাৰিত হয়।[২৫]

অসমীয়া সাহিত্যৰ গতিধাৰা আলোচনী কেন্দ্ৰিক। কবিতাৰ ধাৰাটোও এই ক্ষেত্ৰত আলোচনীৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ বাধ্য। ১৯৬২ চনত 'ৰামধেনু' যুগৰ পৰিসমাপ্তি ঘটাৰ লগে লগে যাঠিৰ দশকৰ আৰম্ভণিৰেপৰা কবিসকলে তেওঁলোকৰ সৃষ্টি ৰাজিক নতুনকৈ প্ৰকাশিত দুই এক আলোচনীয়ে গুৰি ধৰিছিল। 'ৰামধেনু'ৰ পিছত কেইবাখনো আলোচনী আত্মপ্ৰকাশ কৰে যদিও 'ৰামধেনু'ৰ দৰে যুগ সৃষ্টিকাৰী আলোচনী এখনো দেখা নগ'ল।

ষাঠিৰ দশকত বিশেষ ভূমিকা গ্ৰহণ কৰা আলোচনী কেইখনমান হ'ল — মহেন্দ্ৰ বৰা সম্পাদিত 'মণিদীপ' (১৯৬০), বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'সাদিনীয়া নৱযুগ' (১৯৬৩), পদ্ম বৰকটকীৰ সম্পাদনাত 'আমাৰ প্ৰতিনিধি' (১৯৫৯) আৰু চন্দ্ৰ প্ৰসাদ শইকীয়া সম্পাদিত 'অসমীয়া' (১৯৬৮) আদি উল্লেখযোগ্য। এই আলোচনীসমূহে কেইগৰাকীমান সম্ভাৱনাপূৰ্ণ কবি-সাহিত্যিকক উৎসাহিত কৰাৰ লগতে 'ৰামধেনু'ৰ পৰৱৰ্তীকালৰ অসমীয়া কবিতাক নতুন চিন্তা-চৰ্চা, ধ্যান-ধাৰণাৰে পৰিপুষ্ট কৰে।

ষাঠিৰ দশকটো অসমীয়া কবিতাৰ কাৰণে কেইবাটাও দিশৰপৰা গুৰুত্বপূৰ্ণ। এইটো দশকত কবিসকলে পৰিপক্কতাৰ পৰিচয় দিয়াৰ লগে লগে যুদ্ধোত্তৰ অসমীয়া কবিতাক নতুন মৰ্যাদাৰে প্ৰতিষ্ঠা কৰে। নীলমনি ফুকনে ক'বৰ দৰে—"ষাঠিৰ দশকটো যুদ্ধোত্তৰ অসমীয়া কবিতাৰ ইতিহাসত বিশেষভাবে চিহ্নিত হ'বৰ যোগ্য। এই দশকতে ভাষা, চিন্তা আৰু ৰূপৰ ক্ষেত্ৰত অসমীয়া কবিতাই এটা নতুন আয়তন আৰু মৰ্যাদা লাভ কৰে। ভবেন বৰুৱা প্ৰমুখ্যে কেইজনমান নতুন কবিয়ে নতুন কাব্য ৰীতিৰে উজ্বল ৰূপত আত্ম প্ৰকাশ কৰে লগতে কবিতাৰ নতুন মূল্যায়নৰ পৰিবেশ এটাও সৃষ্টি হয়।"[২৬] যুদ্ধজনিত কাৰণত সামাজিক, অৰ্থনৈতিক পৰিবৰ্তনৰ লগতে দেশৰ স্বাধীনতা আন্দোলনে দিয়া অভিজ্ঞতাই পঞ্চাশৰ দশকৰ কবিসকলৰ বিশেষভাৱে প্ৰভাৱিত কৰিছিল। সৃষ্টিৰ উচ্ছ্বাসে কবি সকলক এনে ধৰণে আচ্ছন্ন কৰিছিল যে বহু সময়ত তেওঁলোকে কবিতাত জীৱন আৰু জগত সম্পৰ্কে থকা সূক্ষ্ম চিন্তা তথা সমালোচনাত্মক দৃষ্টিভঙ্গীৰ অভাব দেখা গৈছিল। পঞ্চাশৰ দশকত দেখা দিয়া অসমীয়া কবিতাৰ ৰূপান্তৰৰ সুফল সমূহ দৰাচলতে ষাঠিৰ দশকৰ কবিতাতহে দেখিবলৈ পোৱা যায়। প্ৰকৃততে অসমীয়া কবিতাৰ আধুনিক ধাৰাটো স্বচ্ছন্দে আৰু বলিষ্ঠ তথা অধিক সমৃদ্ধ ৰূপত প্ৰবাহিত হ'বলৈ ধৰে ষাঠিৰ দশকত।[২৭]

ষাঠিৰ দশকৰ যুদ্ধোত্তৰ অসমীয়া কবিতাৰ উল্লেখযোগ্য সংকলন 'বছৰৰ কবিতা, ১৯৬৫' আৰু ১৯৬৬ ৰ ভূমিকাও আছিল গুৰুত্বপূৰ্ণ। এইটো দশকত প্ৰতিষ্ঠিত আন আন উল্লেখযোগ্য কবিসকল হৈছে—হৰেকৃষ্ণ ডেকা, নিৰ্মলপ্ৰভা বৰদলৈ, হীৰেণ ভট্টাচাৰ্য, নীলমণি ফুকন,

নিৰঞ্জন ফুকন, হীৰেন্দ্ৰ নাথ দত্ত আদি। অসমীয়া কবিতাৰ প্ৰগতিশীল সমাজ সচেতন ধাৰাটো পঞ্চাশৰ পৰা যাঠিৰ দশকলৈ অব্যাহত ৰাখে ৰাম গগৈ, কেশৱ মহন্ত আৰু অমলেন্দু গুহ আদি কবিসকলে। আনহাতে যাঠিৰ দশকত তেওঁলোকৰ সৈতে একেটা শাৰীত উঠে নলিনীধৰ ভট্টাচাৰ্য, হেমাংগ বিশ্বাস, ৰবীন্দ্ৰ চৰকাৰ, ৰবীন্দ্ৰ বৰা, নিৰঞ্জন ফুকন আদি। আধুনিক অসমীয়া কবিতাৰ বিষয় আৰু আংগিকৰ বৈচিত্ৰ্যতা তথা নতুন পৰীক্ষা-নিৰীক্ষাৰ ক্ষেত্ৰত সকলোৱে সতকৰ্তা অৱলম্বন কৰিলে। জীৱন আৰু জগত সম্পৰ্কে থকা গভীৰ চিন্তা, ব্যক্তি সত্ত্বাৰ লগতে ব্যক্তিগত আবেগ অনুভূতিৰ মাজেদি বহল সমাজ জীৱনৰ উপলব্ধি এই দশকৰ কবিসকলৰ এক উল্লেখযোগ্য দিশ। অন্যহাতে এই সময়ৰ কবিতাত সমাজ জীৱনলৈ আহিব ধৰা পৰিবৰ্তন সম্পৰ্কে সচেতনতাৰ লগতে সংগ্ৰামী চেতনাৰো বলিষ্ঠ প্ৰকাশ ঘটিছে। উল্লেখ্য যে যাঠিৰ দশকৰ কবিতাতো আত্মমুখী, আত্মানুসন্ধানী আৰু সমাজ সচেতন প্ৰগতিশীল এই দুই ধাৰাৰ কবিতা প্ৰবাহিত হৈ থাকিল। এই দশকৰ শেষৰ পৰাই অসমীয়া কবিতাৰ প্ৰগতিশীল সমাজ সচেতন ধাৰাটো শক্তিশালী হ'বলৈ ধৰে। এই প্ৰসঙ্গত কবীন ফুকনে উল্লেখ কৰা ৰামধেনুৰ পৰৱৰ্তী কালৰ অসমীয়া কবিতাৰ সমাজমুখী ধাৰাৰ এটা নতুন অভ্যুদয় হোৱাৰ কথা ইতিপূৰ্বে উল্লেখ কৰা হৈছে। তদুপৰি ভাষাৰ ক্ষেত্ৰতো এটা লক্ষ্যণীয় পৰিবৰ্তন এই সময়ত দেখা যায়। অসমীয়া জনজীৱনক অতি কাষৰ পৰা চোৱাৰ প্ৰচেষ্টা চলিছিল এই দশকৰ শেষৰ কবিতা সমূহত। চিত্ৰকল্পবাদ, প্ৰতীকবাদ, আৰু অধিবাস্তৱবাদ আদিৰ দ্বাৰা কবিসকল প্ৰভাৱিত হলেও কেৱল এটা কাব্যিক বা কলাৰ আন্দোলনৰ সৈতে নিজকে জড়িত কৰি ৰাখিবলৈ ইচ্ছা কৰা নাছিল। মদন শৰ্মাই 'আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়'ত ক'বৰ দৰে—"যাঠিৰ দশকৰ শেহৰফালে দেখা দিয়া ৰাজনৈতিক পৰিবৰ্তন, বিভিন্ন আন্দোলন, ঘাইকৈ সাম্যবাদী আৰু কৃষক আন্দোলনলৈ অহা পৰিবৰ্তন, ক্ৰমশঃ ঘণীভূত হৈ অহা অৰ্থনৈতিক সংকট আদিয়ে অসমীয়া কবিসকলৰ অনুভূতি আৰু চিন্তাৰ জগতখনত আলোড়ন তুলিলে।" দেখা যায় যে শ্ৰেণী সংগ্ৰাম আৰু সমাজ পৰিবৰ্তনৰ আকাংক্ষাই কবিসকলক সেই সময়ত সৃষ্টিৰ প্ৰেৰণা হিচাপে দেখা দিছিল।

মন কৰিবলগীয়া যে যাঠিৰ দশকৰ আৰম্ভণিতে হীৰেণ গোহাঁই আৰু ভবেন বৰুৱাই

এক উচ্চ মানদণ্ডৰ সাহিত্য বিচাৰেৰে নতুনত্বৰ সন্ধানত ব্ৰতী হোৱা দেখা যায়। হীৰেণ গোঁহায়ে তেওঁৰ লেখনিৰ মাজেদি ব্যক্তি আৰু সমাজৰ দ্বন্দ্বৰ, সূক্ষ্ম মানসিক আৰু আন্তৰিক চেতনাৰ, গভীৰ মানবীয় প্ৰমূল্যৰ আৰু বিশ্বজনীন আদৰ্শৰ সাহিত্যৰ সন্ধান আৰম্ভ কৰে। অন্যহাতে ভবেন বৰুৱাই পূৰ্বৰ আধুনিকতাবাদী আৰু সমাজবাদী বা প্ৰগতিবাদী বেছিভাগ কবিতাৰে গঢ়-গাঁথনি সোলক-ঢোলক বুলি দেখুৱাই দিছিল। তেওঁৰ বিচাৰত কিছু সংখ্যক ৰচনাহে উত্তীৰ্ণ হেৱাত নতুন সাহিত্যৰ এটা নতুন যুগৰ সূচনাৰ বাৰ্তা বহন কৰি আনিলে। ভবেন বৰুৱাই ক'বৰ দৰে — "আধুনিক অসমীয়া কবিতাই যে ষাঠিৰ দশকৰ মাজ ভাগৰে পৰাই এটা নতুন জীৱন লাভ কৰিছিল তেতিয়াৰ পৰাই এটা আকৌ নতুন আৱহ সৃষ্টি হ'বলৈ ধৰিছিল আৰু আগৰ কেইবাজনো আধুনিক অসমীয়া কবিয়েও এই সময়ৰ পৰাই এটা নতুন জীৱন লাভ কৰিছিল সেইটোও সত্য।"[২৮] অৱশ্যে গোঁহাই আৰু বৰুৱাই নতুন যুগৰ বাৰ্তা বহন কৰি আনিলেও পিছলৈ তেওঁলোকে সেই আদৰ্শৰে এটি সাহিত্যিক যুগ প্ৰতিষ্ঠাৰ বাবে আগ্ৰহী হোৱা দেখা নগ'ল। হীৰেণ গোঁহায়ে মাৰ্ক্সীয় দৰ্শনৰ প্ৰগতিবাদী আদৰ্শ গ্ৰহণ কৰিলে। ভবেন বৰুৱাই গ্ৰহণ কৰিলে মাৰ্কিন নতুন কবিতা আৰু নতুন সমালোচনাৰ আদৰ্শ। এনেদৰে ষাঠিৰ দশকত এই দুই সমালোচকৰ নেতৃত্বত সাহিত্যৰ দুটি ধাৰাৰ দুটি আন্দোলনহে প্ৰবল হৈ উঠিল। জয়ন্তী কালৰ প্ৰবল আৰু ৰামধেনু যুগৰ শীৰ্ণ প্ৰগতিবাদী ধাৰাটি এনেকৈ পুনৰ উজ্জীৱিত হৈ হীৰেণ গোঁহাইৰ নেতৃত্বত এটি শক্তিশালী ধাৰা হৈ উঠিল আৰু ভবেন বৰুৱাৰ নেতৃত্বত প্ৰতিষ্ঠিত হৈ শক্তিশালী হৈ উঠিল অসমীয়া সাহিত্যৰ এটি নতুন ধাৰা— নতুন কবিতা আৰু সমালোচনাৰ আদৰ্শৰ ধাৰা।[২৯] এনেদৰে ১৯৭০ পৰ্যন্ত যুদ্ধোত্তৰ অসমীয়া কবিতাই ৰূপান্তৰৰ মাজেদি আহি এক ঐতিহাসিক প্ৰবাহ সৃষ্টি কৰিবলৈ সক্ষম হয়। সত্তৰ দশকৰ আৰম্ভণিৰে পৰা ৰাজনৈতিক সচেতনতা আৰু বিপ্লৱী ভাবধাৰাৰ মাজেদি এচাম সমাজ সচেতন দায়বদ্ধ কবিয়ে আধুনিক অসমীয়া কবিতাৰ জয়যাত্ৰা অব্যাহত ৰাখিছে।

যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ ঐতিহাসিক প্ৰবাহটোত ১৯৪০ চনৰ পৰা ১৯৭০ পৰ্যন্ত কাব্য সাধনাৰে বিশেষ ভূমিকা গ্ৰহণ কৰা প্ৰধান কবিসকলৰ সৃষ্টি ৰাজিৰ বিষয়ে তলত

এটি চমু আভাস দিয়া হ'ল —

**ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত ঃ**

ত্ৰিশৰ দশকত আত্ম প্ৰকাশ কৰা অসমীয়া প্ৰগতিশীল কবিতাৰ বাটকটীয়া কবি হৈছে ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত। এইগৰাকী কবিয়ে 'দীনতা হীনতাৰ বিৰুদ্ধে সমাজৰ কঠোৰ বান্ধোনৰ বিৰুদ্ধে' মানৱতাৰ পক্ষত থাকি চল্লিশৰ দশকতো তেওঁৰ কলম থমকিব দিয়া নাছিল। কবি অজিৎ বৰুৱাই ক'বৰ দৰে — "অসমীয়া কবিতাত মাৰ্ক্সীয় তত্ত্বৰ প্ৰথম আৰু পূৰ্ণ প্ৰকাশ ঘটে ধীৰেন্দ্ৰ চন্দ্ৰ দত্তৰ কবিতাত।"[৩০] ১৯৩৯ চনত 'মিলন' আলোচনীত প্ৰকাশিত দত্তৰ 'কাঠমিস্ত্ৰীৰ ঘৰ' এটি বহু চৰ্চিত কবিতা। ৰমন্যাসিক শব্দ আৰু ধ্বনি সম্ভাৰৰপৰা নহ'লেও ৰমন্যাসিক জীৱন মূল্যৰ পৰা সম্পূৰ্ণকৈ মুক্ত এজন পূৰ্বসূৰী আধুনিক কবি আছিল ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত। তেওঁ আছিল জয়ন্তীৰ আগৰ আৰু জয়ন্তীৰ যুগৰো বাটকটীয়া কবি। কবীন ফুকনে ক'বৰ দৰে "তেওঁ আছিল সাম্যবাদী গণদৃষ্টিৰ প্ৰথম অসমীয়া আধুনিক কবি।"[৩১] দত্তৰ কবিতাতে প্ৰথমে শ্ৰেণী চেতনাৰ প্ৰকাশ আৰু শ্ৰেণী সংগ্ৰামৰ আহ্বান শুনিবলৈ পোৱা যায়।

**ভবানন্দ দত্ত ঃ**

চল্লিশৰ দশকত প্ৰগতিশীল 'জয়ন্তী'ৰ প্ৰথম সংখ্যত প্ৰকাশ হয় ভবানন্দ দত্তৰ (নচিকেতা) 'ৰাজপথ' কবিতা। অসমীয়া কাব্য সাহিত্যৰ বুৰঞ্জীত 'ৰাজপথ' কবিতাৰ এক বিশেষ মূল্য আছে। অসমীয়া সাহিত্য ক্ষেত্ৰলৈ প্ৰগতিশীলতাৰ আমদানি ঘটে ত্ৰিশৰ দশকতে। ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত আৰু প্ৰসন্নলাল চৌধুৰীৰ কবিতাৰ মাজেদি প্ৰগতিশীলতাৰ আমদানি হ'লেও তেওঁলোক ৰোমান্টিক ভাব ভাষাৰ পৰা একেবাৰে মুক্ত নাছিল। গতিকে অসমীয়া কবিতাৰ ঋতু পৰিবৰ্তন কালৰ অৰ্থাৎ ৰোমান্টিকতাৰ পৰা সাম্প্ৰতিকতালৈ উত্তৰণৰ সাৰ্থক স্বাক্ষৰ হৈছে 'ৰাজপথ' কবিতা। নতুন 'জয়ন্তী'ৰ প্ৰথম সংখ্যাত প্ৰকাশ হোৱা এই কবিতাৰ বিষয়বস্তু যিদৰে অভিনৱ, সেইদৰে ভাষাশৈলীও মনোৰম। সাম্প্ৰতিক কবিতাৰ এটা প্ৰধান বৈশিষ্ট্য হ'ল— মহানগৰ চেতনা। 'ৰাজপথ' অসমীয়া সাহিত্যৰ প্ৰথম প্ৰগতিশীল কবিতা য'ত উক্ত লক্ষণৰ সুন্দৰ প্ৰকাশ ঘটিছে।[৩২] মহেশ্বৰ নেওগে ক'বৰ দৰে — " 'জোনাকী'ৰ 'বনকুঁৱৰী' যেনেকৈ নবন্যাসৰ প্ৰথম

মন্ত্ৰ, 'জয়ন্তী'ৰ নচিকেতাৰ 'ৰাজপথ' সেইদৰে এই বিপ্লৱকৰ্মী দলৰ প্ৰথম অশনি সংকেত।"[৩৩]

জয়ন্তী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম ভবানন্দ দত্ত আছিল অসমীয়া সাহিত্যক মাৰ্ক্সবাদী ভাবধাৰাৰে আকণ্ঠ স্নান কৰোৱাই আধুনিক ৰূপলৈ উত্তৰণ ঘটাব বিচৰা লেখক বুদ্ধিজীৱী। চল্লিশৰ অসমীয়া কবিতাৰ প্ৰগতিশীল ধাৰাটোলৈ দত্তই উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। 'জয়ন্তী'ৰ সম্পাদকদ্বয় কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যক নেপথ্যৰ পৰাই তদাৰক কৰি তেওঁ প্ৰগতিশীল আন্দোলনটোক আগবঢ়াই নিছিল। ভবানন্দ দত্তই এলিয়টী পন্থী, প্ৰতীক— চিত্ৰকল্পবাদী অন্তৰ্মুখী কাব্য ধাৰাৰ বিৰোধী আছিল। তেওঁ 'অসমীয়া কবিতাৰ কাহিনী'ত লিখিছে — "আধুনিক অসমীয়া কবিসকলৰ জীৱনত নিষ্ঠাৰ অভাৱ বেছিকৈ ফুটি উঠে এওলোকৰ ইংৰাজী কবি এলিয়ট প্ৰিয়তাত। এলিয়টৰ কবিতাত আন যিয়েই থাকক, মানৱ জীৱনৰ সংগ্ৰামী আৰু প্ৰগতিশীল ধাৰাৰ ছবি নাই, গতিকে তেওঁ বিলাপী কবি।"[৩৪] ভবানন্দ দত্তৰ কবিতাত সেয়ে সমাজমুখী বাস্তৱ চিন্তাৰ প্ৰতিফলন ঘটাহে দেখা যায়। সমালোচনা সাহিত্যত গুৰুত্ব আৰোপ কৰা দত্তৰ কবিতাৰ সংখ্যা তাকৰীয়া। 'ৰাজপথ' কবিতাত তেওঁ দাঙি ধৰিছে শ্ৰেণী বৈষম্যই কেনেদৰে দৰিদ্ৰসকলক ঠিকনা বিহীন যাযাবৰত পৰিণত কৰে আৰু ভাত-কাপোৰ অবিহনে ৰাজপথেই যে তেওঁলোকৰ শেষ আশ্ৰয়ৰ স্থল হয়। 'ৰাজপথ'ৰ পিছতে তেওঁৰ আন দুটা কবিতা হৈছে— 'পাউদাৰ' আৰু 'পূবেৰুণ'। শ্ৰেণী বৈষম্যৰ সামগ্ৰিক ছবিখনে চিন্তিত কৰি তোলা বাবে তেওঁ সমাজৰ প্ৰতি দায়বদ্ধতাৰ পৰিচয় দিছিল। তেওঁ সমাজৰ ধনী-দুখীয়াৰ ছবিখন স্পষ্টভাবে দাখি ধৰিছে 'পাউদাৰ' কবিতাত—

কপালৰ ঘাম মচি—
নিজকে মাৰি ৰচিছে বিলাসী ধনীৰ সুখ
তোমাৰ প্ৰেম-পৰশৰ কণা
নহয় কদাপি বাঞ্ছিত সিবোৰ
মানুহ নামৰ ক্লেদাক্ত কীটৰ বাবে। (পাউদাৰ - ভবানন্দ দত্ত)

ভবানন্দ দত্তৰ আন এটি উল্লেখযোগ্য কবিতা হৈছে 'পূবেৰুণ'। কবিতাটিৰ নামকৰণতে

বাজি উঠিছে কবিৰ গভীৰ আশাবাদৰ সুৰ। কবিৰ বাবে মানৱ সমাজত দিনে দিনে বাঢ়ি অহা লোভ, মোহ, ঘৃণা, ক্ৰোধ, হিংস্ৰতা, ক্ষোভ, কুটিলতাই পৃথিৱীখন জটিল কৰি তুলিছে। 'শীতৰ কালিমা সনা আজিৰ পৃথিৱী'ত কবিয়ে সৰ্বদিশতে শুনিবলৈ পাইছে মৃত্যুৰ কিৰিলি। মানুহৰ মাজত শান্তি, সম্প্ৰীতি ন্যায় আৰু সত্যৰ অভাৱৰ বাবেই কবিয়ে দেখিবলৈ পাইছে 'শতাব্দীৰ ক্ৰুৰ পৰিহাস।' কিন্তু কবি নিৰাশাবাদী নহয়, তেওঁ বুজিব পাৰিছে যে অনাগত দিনত 'কালৰ সাগৰ ভেদি' এদিন উদ্ভাসিত হ'ব 'ৰঙা সুৰুযৰ কিৰণ'। সেয়ে মানুহৰ সমাজত মানৱতা আৰু ভ্ৰাতৃত্বৰ ভাব সৃষ্টি কৰি শান্তিময় সমৃদ্ধিশালী প্ৰগতিশীল সমাজ গঠনৰ পোষকতা কৰিছে 'পূবেৰুণ' কবিতাত। মুঠতে পুঁজিবাদী সমাজ ব্যৱস্থাৰ পতন ঘটি সাম্যবাদী সমাজ স্থাপন কৰিব পাৰিলেহে মানৱ সভ্যতা ক্ষয়িষ্ণু ৰূপৰ পৰা মুক্ত হৈ প্ৰগতিৰ পথেৰে আগবাঢ়িব পাৰিব বুলি কবিয়ে বিশ্বাস কৰে।

**অমূল্য বৰুৱা ঃ**

চল্লিশৰ দশকত সমাজ বাস্তৱতাৰ পটভূমিত গঢ়ি উঠা 'প্ৰগতিশীল কবি গোষ্ঠী'ৰ অন্যতম প্ৰতিভাসম্পন্ন কবি গৰাকী হৈছে অমূল্য বৰুৱা। প্ৰথমে ৰোমান্টিক ভাব বিলাসত আবদ্ধ হোৱা এই গৰাকী কবিক পিছলৈ মাৰ্ক্সীয় দৰ্শনে আকৰ্ষণ কৰে। তেওঁ বাস্তৱবাদৰ ফালে ঢাল খোৱাৰ ঘাই কাৰণ আছিল 'জয়ন্তী'ৰ নতুন ভূমিকা। আন্যহাতে দ্বিতীয় বিশ্বযুদ্ধই অসমৰ জাতীয় জীৱনলৈ সৰ্ব দিশতে সংকট নমাই আনিছিল। সাম্ৰাজ্যবাদী, পুজিবাদী ব্যৱস্থাৰ ফলত শোষণ নিৰ্যাতনৰ বলি হোৱা সৰ্বহাৰা শ্ৰেণীটোৰ দুখ-দুৰ্দশাই কবিক ভবাই তুলিছিল। কবি বৰুৱাই সমাজ জীৱনৰ নিৰ্মম বাস্তৱতাক স্পষ্টভাৱে প্ৰকাশ কৰাৰ লগতে অন্যায় অত্যাচাৰৰ বিৰুদ্ধে তেওঁৰ বিপ্লৱী কবি সত্ত্বা জাগি উঠে। কবি বৰুৱাই পাশ্চাত্যৰ আধুনিকতাবাদী কবি অডেন, স্পেন্দাৰ, এজ্ৰা পাইণ্ড, এলিয়ট আদি কবিসকলৰ লগতে বঙ্গীয় সাহিত্যৰ— বিষ্ণু দে, বুদ্ধদেৱ বসু, অমৰ সেন, সুধীন দত্ত আদিৰ কবিতাৰ সংস্পৰ্শলৈ আহে। তেওঁৰ মৰণোত্তৰ কালত প্ৰকাশিত 'অচিনা' (১৯৬৪)ৰ 'কয়লা', 'কুকুৰ', বিপ্লৱী', 'বেশ্যা', 'সিহঁত তেতিয়া জীৱ', 'আজি আমাৰ বিহু', 'আন্ধাৰৰ হাহাকাৰ' আৰু 'ভাৰতীয় মুক্তি স্বপ্ন' এই আঠোটি কবিতাই তেওঁক এগৰাকী প্ৰগতিবাদী কবি হিচাপে প্ৰতিষ্ঠিত

কৰে। মহাদেশীয় বাস্তৱবাদী কবিসকলৰ কাব্যৰ চৰ্চা আৰু তেওঁৰ নিজৰ চাৰিওফালৰ সমাজখনত বাঢ়ি অহা বিবিধ সংঘাতে কবিক ৰোমান্টিকতাৰপৰা বাস্তবতালৈ উত্তৰণ কৰিলে। ঔদ্যোগিক সভ্যতাৰ বিকাশ মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাব আৰু নিপীড়িত মানৱতাৰ প্ৰতি আন্তৰিক সংবেদনা এই সকলোবোৰ মিলি তেওঁৰ কবিতাক এটা প্ৰগতিবাদী বাস্তৱ নিৰ্ভৰ সুৰ দিলে যি সুৰ আগেয়ে অসমীয়া কবিতাই নাজানিছিল। সেইবাবে অমূল্য বৰুৱাক আধুনিক অসমীয়া কবিতাৰ অগ্ৰণী বুলি কোৱা হয়।[৩৫]

১৯৪৪ চনত কবি বৰুৱাই 'কয়লা' কবিতাটি ৰচনা কৰে। এই কবিতাটিৰ জৰিয়তে তেওঁ প্ৰগতিশীল কবিতাৰ ধাৰাটোত প্ৰথম খোজ পেলাইছিল। প্ৰাক্ স্বাধীনতা কালত বৃটিছৰ ছত্ৰছায়াত চাহ উদ্যোগ, কয়লা খনিৰ আবিস্কাৰৰ লগে লগে এইবোৰত কাম কৰা শ্ৰমিক শ্ৰেণীৰ ওপৰত মালিক পক্ষৰ অত্যাচাৰ উৎপীড়ন বাঢ়িবলৈ ধৰে। এই দুৰ্বিসহ শ্ৰমিক জীৱনৰ ওপৰত ভিত্তি কৰি 'কয়লা' কবিতা সৃষ্টি কৰিছে—

কয়লা  
মোৰ ভগ্ন অভীপ্সাৰ ক'লা ক'লা দাগ  
অন্তৰৰ ৰঙা শোণিতৰ পৰিচিত যেন  
মৰি যোৱা নিষ্ক্ৰিয় যাতনা।  
সিহঁত মোৰ বৰ আপোন  
সিহঁতে মোৰ বাবে গঢ়ি তোলে  
এটা সভ্যতাৰ সুকীয়া সংস্কাৰ।     (কয়লা— অমূল্য বৰুৱা)

'জয়ন্তী'ৰ ষষ্ঠ বছৰ তৃতীয় সংখ্যাত অমূল্য বৰুৱাৰ আন এটি শ্ৰেষ্ঠ কবিতা 'আন্ধাৰৰ হাহাকাৰ' প্ৰকাশ পায়। মহাযুদ্ধৰ ভয়াবহতা আৰু তাৰ ফলত সাধাৰণ মানুহৰ যি অসহায় অৱস্থা তাৰ প্ৰতিক্ৰিয়া স্বৰূপে সৃষ্টি হৈছিল 'আন্ধাৰৰ হাহাকাৰ'। এই দীঘলীয়া কবিতাটোত যুদ্ধ বিধ্বস্ত সমাজৰ ছা-পোহৰৰ বিপৰীত পৰিবেশৰ মাজেদি কবিৰ অন্তৰত বিদ্ৰোহৰ অগনি জ্বলি উঠিছে। কাৰণ শ্ৰেণী বৈষম্য আৰু যুদ্ধৰ ভয়াবহতাই কবিক চিন্তিত কৰি তুলিছে। 'মহাসমৰৰ

দাবানলে পোৰা’ জীৱনৰ কঠিন যাত্ৰাৰ এখন কৰুণ ছবি অংকন কৰিছে এই কবিতাত —

মই যাওঁ পৃথিৱীৰ মাটিৰ মানুহ
মাটিয়েদি খোজ কাঢ়ি কাঢ়ি
বাস্তৱৰ বিকৃত বিপদে ঢকা
মোৰ প্ৰতিকৃতি
সেই অন্ধকাৰ বাটটোত
অকলে অকলে;
শান্তিহীন, শ্ৰান্তিহীন
মহাসমৰৰ দাবানলে পোৰা
পৃথিৱীৰ শ্মশানত
ভয়লগা স্পিৰিটৰ দৰে। (আন্ধাৰৰ আহাকাৰ— অমূল্য বৰুৱা)

অমূল্য বৰুৱাৰ ‘বেশ্যা’ কবিতা এক ঐতিহাসিক প্ৰকাশ। এই কবিতাটি ‘জয়ন্তী’ৰ সপ্তম বছৰৰ ৪ৰ্থ সংখ্যাত (১৯৪৬) প্ৰকাশ হয়। কবীন ফুকনে ক’বৰ দৰে— “এই যুগৰ নতুন পুৰুষৰ কবিয়ে সমাজ দেহৰ দিনে দিনে দেখ দেখকৈ অমঙ্গলীয় হৈ অহা বাহ্যিক ৰূপটো মানি নলৈ বৰং আত্ম সন্তুষ্টিত ডুবি পুৰণি পুৰুষক বেপেৰোৱা ভাবে জোকাৰি বেকায়দাত পেলাব পৰা জীৱন দৃষ্টিক কবিতাত ঠাই দিব খুজিছিল। অমূল্য বৰুৱাৰ ‘বেশ্যা’ এনে জীৱন দৃষ্টিৰ তাৎপৰ্যপূৰ্ণ ঐতিহাসিক প্ৰকাশ। এই কবিতাটোত মূৰ্ত হৈছে সমাজৰ দেহ আত্মাৰ নিৰ্মম সত্যক ভেদ কৰি উদঙাই দিয়াৰ দৃঢ় আৰু অসহিষ্ণু মানসিকতা।”[৩৬] দৰাচলতে চল্লিশৰ দশকত এই ধৰণৰ কবিতা কবি অমূল্য বৰুৱাৰ এক সাহসী পদক্ষেপ। মহেন্দ্ৰ বৰাই তেওঁৰ ‘বেশ্যা’ কবিতাটোক আধুনিক অসমীয়া কবিতাৰ ‘সোণৰ দেউল’ আখ্যা দিছে।[৩৭] অমূল্য বৰুৱাৰ আন দুটা উল্লেখযোগ্য কবিতা ‘কুকুৰ’ আৰু ‘বিপ্লৱী’ৰ মাজেদি চল্লিশৰ দশকৰ অসমীয়া কবিতাৰ ধাৰাটোত— শ্ৰেণী সংগ্ৰামৰ স্পষ্ট ৰূপ দাঙি ধৰাৰ লগতে সমাজ চেতনাৰ সুস্থ আৰু সবল প্ৰকাশ ঘটিছে। হোমেন বৰগোহাঞিয়ে লিখিছে — “অমূল্য বৰুৱাৰ ‘কুকুৰ’ কবিতাটোৱে অসমীয়া সাহিত্যত প্ৰথমবাৰৰ

কাৰণে শ্ৰেণী সংগ্ৰামৰ স্বচ্ছ ৰূপটো স্পষ্টভাৱে দাঙি ধৰে। তেওঁৰ 'বিপ্লৱী' কবিতাটো সেইদৰে আধুনিক অসমীয়া কবিতাৰ ইতিহাসত সমাজ আশ্ৰয়ী চিন্তা আৰু জীৱন উপলব্ধিৰ এখন স্মৰণীয় দলিল বুলি ক'ব পাৰি।"[৩৮]

**চক্ৰেশ্বৰ ভট্টাচাৰ্য ঃ**

চল্লিশৰ দশকত অসমীয়া কবিতাক আধুনিক বাস্তববাদী ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ অৱদান আছিল অন্যতম। প্ৰগতিশীল 'জয়ন্তী'ৰ গুৰু দায়িত্ব লৈ তেওঁ জয়ন্তী কবি গোষ্ঠীক সঠিক পথেৰে আগবঢ়াই নিয়াত যথেষ্ট সহায় কৰিছিল। ভট্টাচাৰ্যৰ কবিতাৰ সংখ্যা তাকৰ— 'মাথোন এখন নোট', 'ৰাসলীলা', 'হেমবৰুৱা', 'শ্ৰীমন্ত' আদি তেওঁৰ প্ৰকাশিত কবিতা। মহাযুদ্ধই গৰকা সমাজৰ শ্ৰেণীবিভাজন দেখি খাটি খোৱা শ্ৰেণীৰ দুখ-দুৰ্দশাই কবিৰ মনত গভীৰ ভাবে ৰেখাপাত কৰে। 'দেৱানাংপ্ৰিয়' ছদ্মনামত লিখা 'মাথোন এখন নোট' এটি চৰ্চিত প্ৰগতিশীল কবিতা। সত্যকামৰূপী কমল নাৰায়ণ দেৱে 'জয়ন্তী'ত প্ৰগতিশীল কবিতাৰ টেক্‌নিক' প্ৰবন্ধ লিখি তাৰ তলতে আৰ্হি হিচাপে ভট্টাচাৰ্যৰ 'মাথোন এখন নোট' কবিতাটি উল্লেখ কৰি আধুনিক টেক্‌নিকেৰে কবিতাৰ অনুশীলন কেনেদৰে কৰা হয় সেই কথা দোহাৰিছে। চল্লিশৰ দশকত কবিয়ে সাধাৰণ শ্ৰেণীটোৰ যি সামাজিক অৰ্থনৈতিক বিপৰ্যয় দেখিবলৈ পাইছিল তাৰ ছবি অংকন কৰিছে উক্ত কবিতাটোত —

মাথোন এখন নোট,— এটকাৰ।
এখন পৰিয়াল, কুৰিটি আশাধাৰী
শেতাঁপৰা চকু।
কাইলৈ এসাজ খোৱাৰ,— খাবলৈ পোৱাৰ
তীব্ৰ ক্ষীণ আশা;
কেন্দ্ৰ তাৰ সেই এটকীয়া নোটখন। (মাথোন এখন নোট — দেৱানাংপ্ৰিয়)

ভট্টাচাৰ্যৰ আন দুটি উল্লেখযোগ্য কবিতা হৈছে 'ৰাসলীলা' আৰু 'হেমবৰুৱা'। মহাজনী অৰ্থনীতিৰ গ্ৰাসত কেনেদৰে সৰ্বহাৰা কৃষক শ্ৰেণীটোৱে পংকিল জীৱন কটাব লাগে তাৰ বাস্তৱ ছবি আঁকিছে 'ৰাসলীলা'ত। শৰৎ কালৰ পূৰ্ণিমা ৰাতি জোনাক নিশাৰ আনন্দৰ সলনি

কবিয়ে শুনিবলৈ পাইছে পৃথিৱীৰ কৰুণ বিননি। দৰিদ্ৰতাই কোঙা কৰা কৃষকৰ দুৰ্বিসহ জীৱন গাথা ৰচনা কৰিছে এই কবিতাটোত। দেশৰ স্বাধীনতাই যে কবিৰ মনলৈ কিছু আশাৰ বতৰা কঢ়িয়াই আনিছিল সেই কথাৰ সম্ভেদ পোৱা যায় 'পছোৱা'ত প্ৰকাশিত তেওঁৰ 'হেমবৰুৱা' কবিতাৰ মাজেদি। গণতান্ত্ৰিকভাৱে নিৰ্বাচিত স্বদেশী চৰকাৰ এখনে জনগনৰ দুখ-দুৰ্দশাৰ অন্ত পেলাব বুলি তেওঁ বিশ্বাস কৰিছিল। কবিতাটোত ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ প্ৰতি সশ্ৰদ্ধ মনোভাব প্ৰকাশ কৰাৰ লগতে 'শোষকৰ জীৰ্ণ জিঞ্জিৰিৰ দানৱ বান্ধোন' এদিন সোলকি পৰিব বুলি তেওঁ আশা ব্যক্ত কৰিছে।

**হেম বৰুৱা ঃ**

আধুনিক অসমীয়া কবিতালৈ নতুনৰ বাৰ্তা কঢ়িয়াই অনা কবি হেম বৰুৱাই চল্লিশৰ দশকৰ পৰাই কাব্য জীৱন আৰম্ভ কৰে। 'জয়ন্তী'ৰ পাতত প্ৰগতিবাদী ভাবধাৰাৰে কবিতা লিখি পৰৱৰ্তী কালত আধুনিক অসমীয়া কবিতাৰ ভেটি নিৰ্মাণত আগশাৰীৰ ভূমিকা গ্ৰহণ কৰা এই গৰাকী কবিক আধুনিক অসমীয়া কবিতাৰ জন্মদাতা বুলিও কোৱা হয়। 'জয়ন্তী'ত প্ৰকাশিত প্ৰথমটো কবিতা 'পূজা'ত জনতাৰ দুখ-যন্ত্ৰণাৰ ছবি আঁকি সমাজ সচেতনতাৰ পৰিচয় দাঙি ধৰিছিল। 'গুৱাহাটী ঃ ১৯৪৪', 'দৌলপূৰ্ণিমা', 'মই', 'মৰু-ভূ' আদি কবিতাই চল্লিশৰ দশকতে আধুনিক কাব্য আন্দোলনটোত বিশেষ অৰিহণা যোগায়। তেওঁৰ চল্লিশৰ দশকৰ আটাইবোৰ কবিতাৰ সমাজৰ নিস্ব জনৰ ছবি নাথাকিলেও পুঁজিবাদী সমাজৰ শ্ৰেণী বৈষম্যৰ প্ৰতি তীব্ৰ বিদ্বেষ প্ৰকাশ পাইছে। তেওঁৰ কবিতাত শ্ৰেণী বৈষম্যৰ কদৰ্য ৰূপৰ লগতে দৰিদ্ৰ জনতাৰ দুখ আৰু সংগ্ৰামৰ ছবি দেখা যায়। মাৰ্ক্সবাদী আদৰ্শক সম্পূৰ্ণ বিশ্বাসত নল'লেও হেম বৰুৱাই সমাজৰ পৰা অসমতা দূৰ কৰি সমাজবাদী দেশ গঠনৰ বাবে মাত মাতিছিল। সমাজৰ ছোটলোকৰ প্ৰতি সমমৰ্মিতা প্ৰকাশ পাইছে 'পূজা' কবিতাত—

"আমি মাৰিছোঁ চকু কণা হোৱা
বাটৰ ধূলি খাই।
ৰাস্তাৰ দাঁতিৰ ধূলিৰে ভৰা লেম্প-পষ্টটোৰ
দশাই আমাৰ ছোটলোকৰ দশা। (পূজা— হেমবৰুৱা)

হেম বৰুৱাই চল্লিশৰ দশকতে টি. এচ. এলিয়টৰ দ্বাৰা প্ৰভাৱিত হৈছিল যদিও তেওঁ এলিয়টৰ দৰে 'বিলাপী' কবি নহয়। সেয়েহে তেওঁ 'সভাতাৰ সূৰ্যহীন শুকান মৰুভূ প্ৰান্তত' জীয়াই থকাৰ সপোন দেখে। বিশ্বৰ জনগণৰ সুখ-সমৃদ্ধি বিচৰা কবিয়ে 'মৰুভূ' কবিতাৰ যোগেদি এক আন্তৰ্জাতিক মানৱতাবাদৰো পৰিচয় দাঙি ধৰিছে। মহেন্দ্ৰ বৰাই ক'বৰ দৰে "হেম বৰুৱাই অসমীয়া কবিতালৈ এক নতুন বস্তু আনি দিলে। সেই বস্তুটো হৈছে আন্তৰ্জাতিক মন। ইংৰাজী কবিতাত লুই মেক্‌নিচৰ পৰা আৰম্ভ কৰি চিডনী কী পৰ্যন্ত এদল কবিৰ কবিতাত এই সুৰটো শুনিবলৈ পোৱা যায়।"[৩৭] তেওঁৰ চল্লিশৰ দশকৰ কবিতাসমূহত ৰূপৰ ক্ষেত্ৰত শিথিলতা থাকিলেও মহাযুদ্ধই গৰকা সমাজৰ জীৱন-ধাৰাৰ প্ৰতিচ্ছবি সিবোৰত মূৰ্ত হৈ উঠিছে। অসমীয়া কবিতাৰ ঋতু পৰিবৰ্তন কালৰ কবি হিচাপে হেম বৰুৱাৰ কবিতাই পৰৱৰ্তী আধুনিক অসমীয়া কবি সকলক উৎসাহিত কৰিছিল। তেওঁ দেখুৱাই দিয়া বাটেৰেই পৰৱৰ্তী কবিসকলে খোজ দিবলৈ ধৰে। সময়ত এই গতিধাৰা সলনি হৈছে যদিও এই বাটৰ স্মৰণীয় আৰু অবিসম্বাদী পথ প্ৰদৰ্শক হৈছে হেম বৰুৱা।

'জয়ন্তী'ৰ পিছতে 'পছোৱা'ৰ পাতত হেম বৰুৱাৰ ভাব ভংগীৰ কিছু পৰিৱৰ্তন আহি পৰে। 'জয়ন্তী'ৰ পাতত ধনীক শ্ৰেণীক আভিজাত্যৰ ফোপলা স্বৰূপ দেখুৱাই ক্ষোভেৰে বঞ্চিত জনৰ বাবে যি কবিতা লিখিছিল 'পছোৱা'ত সেই ভাবৰ পৰা মুক্ত হৈ এক সবল আশাবাদৰ সুৰহে শুনিবলৈ পোৱা যায়। 'পৃথিৱী', 'এৰ'প্লেন' আৰু 'তুমি জাতিৰ জনক' আদি 'পছোৱা'ত প্ৰকাশিত তেওঁৰ উল্লেখযোগ্য কবিতা। জয়ন্তীত প্ৰকাশিত কবিতাত সামাজিক বাস্তৱতাৰ বিপৰীতে পছোৱাৰ কবিতাসমূহত সেই ভাব উধাও হৈছে। এই সময়ৰ কবিতাত নিমজ ভাব-ভাষাৰে তেওঁৰ কাব্য-শৈলীৰ কিছু উত্তৰণ ঘটা দেখা যায়।

হেম বৰুৱাই চল্লিশৰ দশকতে কাব্য জীৱন আৰম্ভ কৰিলেও 'জয়ন্তী', 'পছোৱা'ৰ যোগেদি তেওঁৰ কাব্য চিন্তাৰ বিকাশ সাধন হৈ পঞ্চাশৰ দশকত ৰামধেনু যুগতহে প্ৰতিষ্ঠা লাভ কৰে। ঐতিহাসিক আৰু কলাত্মক উভয় দিশতে লেখতলবলগীয়া তেওঁৰ কবিতাই এক নতুন কাব্য-বোধ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে তেওঁৰ সকলোবোৰ কবিতা উৎকৃষ্টতাৰ শাৰীত উঠা নাই। হেম বৰুৱাৰ কাব্য সংকলন দুখন — 'বালিছন্দা' (১৯৫৯) আৰু 'মন

ময়ুৰী' (১৯৬৭)। অন্যান্য অপ্ৰকাশিত কবিতাৰে সৈতে দুয়োখন একেলগ কৰি ১৯৮৬ চনত 'হেম বৰুৱাৰ কবিতা' নামেৰে পুনঃ মুদ্ৰিত কৰা হৈছে। মহেন্দ্ৰ বৰাই তেওঁৰ কাব্য সংকলন দুখনৰ প্ৰসঙ্গত লিখিছে — "আধুনিক অসমীয়া কবিতাৰ সাম্প্ৰতিক ঋতু পৰিৱৰ্তনৰ বতাহে 'মনময়ুৰী'ক দোলা দি গৈছে। 'বালিছন্দা'ত ইংৰাজী কাব্য আন্দোলনৰ তথাকথিত 'পাইলন গোষ্ঠী'ৰ দূৰ সূদূৰৰ ক্ষীণ প্ৰতিধ্বনি স্পষ্টকৈ শুনিছিলো। কবিৰ কণ্ঠস্বৰ বিদ্ৰোহৰ, প্ৰতিবাদৰ পৌৰুষৰ সুতীক্ষ্ণ গ্ৰামত গ্ৰথিত আছিল। 'মনময়ুৰী'ৰ সুৰ তাৰ তুলনাত অনুনাসিক; কিন্তু অধিকতৰ মৰ্মস্পৰ্শী। ইয়াত মোহভঙ্গৰ অস্থিৰ উন্মাদনা নাই, গনজীৱনৰ উগ্ৰ সামূহিক কামনাৰ বিস্ফোৰণ নাই। ইয়াত বিচাৰি পাইছোঁ, সমাজ জীৱনৰ লগত গভীৰভাৱে জড়িত এজন কবিৰ বিৰল একান্ত আত্মিক জীৱনৰ মৰ্মবাণী।[৪০] আধুনিক কবিতাৰ শব্দসম্ভাৰ, লয়, ধ্বনি স্বাধীনতাৰ উত্তৰ কালত মিহি আৰু কোমল হৈ অধিক ব্যঞ্জনাক্ষম কৰাৰ ক্ষেত্ৰত হেম বৰুৱাই কিছু আগুৱাই নিছিল। তদুপৰি আধুনিক ইউৰোপীয় চিন্তা-চেতনা হেম বৰুৱাৰ কবি মানসত কিছু গভীৰ আৰু বহল হৈছিল। আনফালে তেওঁৰ কবিতাৰ ভাব ভাষাত লোকদৃষ্টি আৰু লোকপৰম্পৰাৰ অৰ্থপূৰ্ণ সংযোগ সাধন হৈছে।[৪১] হেমবৰুৱা আছিল যুগ সচেতন কবি। যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাত বাস্তৱতাৰ সফল প্ৰয়োগৰ কৃতিত্বও তেওঁৰে প্ৰাপ্য। সমাজবাদী বৈপ্লবিক চিন্তাধাৰাৰ কবিতা সমূহৰ বাহিৰে তেওঁৰ কবিতাত আছে অতীত স্মৃতি, ভৱিষ্যতৰ স্বপ্ন, যৌৱনৰ গৌৰৱ আৰু বিপ্লৱৰ প্ৰয়োজনীয়তা। হেমবৰুৱাৰ কবিতাৰ প্ৰসঙ্গত মহেন্দ্ৰ বৰাই 'নতুন কবিতা'ত লিখিছে —"হেম বৰুৱাৰ, মানসিক মানচিত্ৰ বহল। তেখেতৰ বিস্তীৰ্ণ দিগবলয়ত প্ৰখৰ বুৰঞ্জী-বোধৰ বৰ্ণাঢ্য প্ৰকাশ পোৱা যায়। হেম বৰুৱাৰ কবিতা পূৰ্বৰ মনৰ সৈতে পশ্চিমৰ মনৰ সংঘাতৰ অপূৰ্ব প্ৰতিলিপি। তেখেতৰ কবিতা পংগু ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ওপৰত যেন খহি পৰা এটা বিৰাট অভিশাপ। বৰ্তমানৰ সমাধিৰ ওপৰত তেখেতে নতুন দিনৰ সুস্থ সমাজ গঢ়ি তোলাৰ সপোন দেখে।"[৪২] হেম বৰুৱাক অডেন, স্পেণ্ডাৰ, এজৰা পাউণ্ড, এলিয়ট আদি মহাদেশীয় কবিসকলৰ কাব্য-ৰীতিয়ে সততে মুগ্ধ কৰি ৰাখিছিল। তেওঁৰ পৰৱৰ্তী কালৰ কবিতাত প্ৰতীক, চিত্ৰকল্পৰ প্ৰয়োগ অতিশয় নিটোল ৰূপত ধৰা দিছে। সমাজবাদী ধ্যান ধাৰণাৰ লগতে আশাবাদ আৰু মানৱতাৰ সুৰ

তেওঁৰ কবিতাত বলিষ্ঠ ৰূপত প্ৰকাশিত হৈছে—

“আমি মানুহ উটৰ দলে
জীৱন সাঁকো কতনো বগাই,
আজি প্ৰাণ চাহাৰাত গাইছোঁ গান।” (পৃথিৱী — হেম বৰুৱা)

হেমবৰুৱাৰ কেইটামান উল্লেখযোগ্য কবিতা ‘চনিয়া’, ‘এখন ইস্তাহাৰ’, ‘এমুঠি কবিতা’, ‘আইতা’, ‘জোন’, ‘এখন চিঠি’, ‘যাত্ৰাৰ শেষ নাই’, ‘জাৰৰ দিনৰ সপোন’, ‘মমতাৰ চিঠি’, ‘বিহুৰ দিনৰ গান’, পোহৰতকৈ এন্ধাৰ ভাল’, ‘এটা আৱিষ্কাৰ’ আদিত তেওঁ প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। ‘মমতাৰ চিঠি’ তেওঁৰ এটি বিখ্যাত কবিতা। এই কবিতাটোত এজৰা পাউণ্ডে অনুবাদ কৰা চীন দেশীয় কবি লি পো ৰ ‘ৰিভাৰ মাৰ্চেন্টচ ওৱাইফ ঃ এ লেটাৰ’ নামৰ কবিতাৰ প্ৰভাব আছে। কিন্তু দেশীয় পটভূমিত ৰচনা কৰা হেম বৰুৱাৰ ‘মমতাৰ চিঠি’ মৌলিক প্ৰতিভাৰে জিলিকি উঠিছে।

**নৰকান্ত বৰুৱা ঃ**

জয়ন্তী যুগত আত্ম প্ৰকাশ কৰি ‘পছোৱা’ আৰু বিশেষকৈ ‘ৰামধেনু’ যুগত কাব্য প্ৰতিভাৰ বিস্তৃতি ঘটা উল্লেখযোগ্য কবি গৰাকী হৈছে নৰ কান্ত বৰুৱা। এই গৰাকী বিশিষ্ট কবিয়ে কেইবা দশক জুৰি কাব্য সাধনাৰে আধুনিক অসমীয়া কবিতাত এখন স্বকীয় আসন দখল কৰিবলৈ সক্ষম হৈছে। চল্লিশৰ দশকতে আত্মপ্ৰকাশ কৰিলেও তেওঁ জয়ন্তীয়ে দেখুৱাই দিয়া পথৰ পথিক নাছিল। মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি বিশেষ আকৰ্ষণ নেদেখুৱালেও তেওঁ বুজি পাইছিল যে পুঁজিবাদে শ্ৰেণী বৈষম্যৰ সৃষ্টি কৰি পৃথিৱীত অশান্তিৰ সৃষ্টি কৰিছে। কিন্তু তেওঁ আশাবাদী যে ‘ৰত্নাকৰ’ স্বৰূপ তেনে শক্তিক এদিন বাল্মীকিলৈ ৰূপান্তৰিত কৰিব জনতাইহে—

“আমাৰ কৰুণাই সিহঁতৰ তস্কৰ কণ্ঠত
আনি দিব সৃষ্টিৰ বাণী,
সিহঁতে ৰচিব নতুন সৃষ্টিৰ ৰামায়ণ
সিহঁত ৰত্নাকৰ।

সিহঁতৰ বাল্মীকি কৰাৰ দায়িত্ব মাথোন আমাৰ।" (এজন বন্ধুলৈ — নৰকান্ত বৰুৱা)

জয়ন্তীত প্ৰকাশিত তেওঁৰ প্ৰথমটো কবিতা 'আমাৰ পৃথিৱী'ত অতীত ঐতিহ্য স্মৰণ কৰি বৰ্তমানৰ প্ৰতি এক নিৰাশাৰ সুৰ প্ৰকাশ কৰিছে—

"আমিতো নাপালো হাই পৃথিৱীৰ প্ৰথম যৌৱন,
অৰণ্যৰ সেউজী সুৰভি।
নুশুনিলো নক্ষত্ৰৰ পাখিৰ স্পন্দন" (আমাৰ পৃথিৱী — নৰকান্ত বৰুৱা)

নৰকান্ত বৰুৱাই চল্লিশৰ দশকতে ৰবীন্দ্ৰ নাথ আৰু এলিয়টৰ প্ৰতি আকৰ্ষিত হয়। 'সীমা দত্ত' ছদ্ম নামত 'জয়ন্তী'ত 'প্ৰাৰ্থনা' কবিতা লিখি বৰুৱাই ঈশ্বৰ বিশ্বাসত একপ্ৰকাৰ সন্দিহান হৈ ঈশ্বৰক 'বীজ গণিতৰ এক্স (X)'ৰ সৈতে ৰিজনি দিছে। এলিয়টৰ দ্বাৰা প্ৰভাৱিত হৈ অতীত ঐতিহ্য সোঁৱৰণ কৰাৰ লগতে তেওঁক বৰ্তমানৰ নৈৰাশ্যৰ ভাৱে ক্ৰিয়া কৰা দেখা যায়। 'পছোৱা'ত প্ৰকাশিত তেওঁৰ 'অপটিমিজম্', 'চাওতালী নাচ', 'এন্ধাৰ ৰাতিৰ ইলিজি' আদি চল্লিশৰ দশকৰ সাৰ্থক কবিতা। তেওঁৰ এই কালচোৰাৰ কবিতাৰ প্ৰধান বিশেষত্ব হ'ল এলিয়টী ঠাচঁত যুদ্ধোত্তৰ যুগৰ অসহায়তা, অবসাদগ্ৰস্ততা আৰু ক্ষয়িষ্ণু ৰূপৰ চিত্ৰণ।

আধুনিক অসমীয়া কবিতাৰ সেঁতু বন্ধনত উল্লেখযোগ্য অবদান আগবঢ়ায় তেওঁৰ প্ৰথমখন কাব্য সংকলন 'হে অৰণ্য হে মহানগৰ' ৰে (১৯৫১)। গোটেই জীৱন কাল কাব্য-সাধনাত ব্ৰতী হোৱা এই গৰাকী কবিৰ সত্তৰৰ দশকলৈ প্ৰকাশ হোৱা কেইখনমান উল্লেখযোগ্য কাব্য সংকলন হ'ল— 'এটি দুটি এঘাৰটি তৰা' (১৯৫৮), 'যতি আৰু কেইটামান স্কেচ্ছ' (১৯৬০), 'সম্ৰাট' (১৯৬২), 'ৰাৱণ' (১৯৬৩), 'মোৰ আৰু পৃথিৱীৰ' (সংগ্ৰহ, ১৯৭৩)।

ইয়াৰ পিছত প্ৰকাশ হোৱা আন কেইখনমান কাব্য সংকলন হ'ল — 'সূৰ্যমুখীৰ অংগীকাৰ' (১৯৯০) 'ৰত্নাকৰ আৰু অন্যান্য কবিতা (১৯৮৬), 'এখন স্বচ্ছ মুখাৰে' (১৯৯০), মহাকাব্যৰ পাণ্ডুলিপি', 'নৰকান্ত বৰুৱাৰ কবিতাৱলী' (১৯৯৮), 'ৰাতি জিল মিল তৰা জিল মিল' (১৯৯৯), 'দলঙত তামীঘৰা' (২০০০) ইত্যাদি।

ৰামধেনু যুগৰ অন্যতম সফল কবি হৈছে নৱকান্ত বৰুৱা। দৰাচলতে কবি বৰুৱা কোনো এটা যুগৰ কবি নহয়, তেওঁ সকলো যুগৰে কবি। আধুনিক অসমীয়া কবিতাৰ বিষয় আৰু আংগিকৰ নতুন পৰীক্ষাৰ মাজেদি গতিশীলতা প্ৰদানত তেওঁৰ অৱদান অনস্বীকাৰ্য। আধুনিক জীৱন দৃষ্টি আৰু কাব্য-কৌশলৰ সফল প্ৰয়োগেৰে অসমীয়া কবিতালৈ তেওঁ এক নতুন দৃষ্টিভঙ্গীৰ আগমন ঘটায়। মন কৰিব লগীয়া যে আধুনিক কবিতাক মহানগৰ শিল্প বুলিও অভিহিত কৰা হয়। বৰুৱাৰ কবিতাতে পোন প্ৰথমে মহানগৰৰ (কলিকতা) শিহৰণে স্পষ্ট আৰু সাৱলীল কাব্য ৰূপ লয়। ৰমন্যাসিক শব্দ সম্ভাৰ ভালেখিনি গ্ৰহণ কৰিও নৱকান্ত বৰুৱাই অসমীয়া আধুনিক কবিতাত ৰমন্যাসিক আত্মোসন্তোষৰ পুৰণি ধাৰণাটোক সলনি কৰি দিয়ে। তেওঁ ৰবীন্দ্ৰ নাথ আৰু এলিয়টৰ উপৰিও বিশেষকৈ খলিল জিব্ৰান, মায়াকভচকি, হুইটমেন আদিৰ দ্বাৰাও প্ৰভাৱিত হোৱা দেখা যায়। ৰবীন্দ্ৰ বৰাই নৱকান্ত বৰুৱাৰ কবিতাৰ আলোচনা প্ৰসঙ্গত উল্লেখ কৰিছে — “কবি নৱকান্ত বৰুৱা আধুনিক জীৱনৰ এগৰাকী সফল কবি। ‘জয়ন্তী’ যুগৰ পৰা আজিলৈকে ৰচনা কৰা কবিৰ বিশাল কাব্য সৃষ্টিয়ে দৰাচলতে আধুনিক অসমীয়া কবিতাৰ ইতিহাসকে দাঙি ধৰি আহিছে। মানৱতাবাদী কবি বৰুৱাৰ কাব্য জীৱন আধুনিক অসমীয়া কবিতাৰ বিবৰ্তনৰ সৈতে সাঙোৰ খাই আছে। কবি বৰুৱাৰ কাব্য সৃষ্টিত আধুনিক অসমীয়া কবিতাৰ ধাৰাবাহিকতাৰ উজ্বল স্বাক্ষৰ জিলিকি আছে।”[৪৩] আধুনিক অসমীয়া কবিতাৰ এক নতুন দিশ উন্মোচন কৰা ‘হে অৰণ্য হে মহানগৰ’ৰ উপৰিও তেওঁৰ বাকী কেইখন কাব্য সংকলনত বিষয়বস্তু আৰু আংগিকৰ সফল প্ৰয়োগ ঘটিছে।

অসমীয়া কবিতাক বাস্তৱমুখী কৰিবলৈ নৱকান্ত বৰুৱাৰ প্ৰথম পৰ্যায়ৰ কবিতা সমূহতে তাৰ প্ৰচেষ্টা আৰম্ভ হৈছিল। ৰোমান্টিক কবিতাৰ আদৰ্শৰ বিৰোধিতাৰে ‘হে অৰণ্য হে মহানগৰ’ৰ কবিতাবোৰত যুদ্ধৰ বাতাবৰণত কলিকতা মহানগৰীৰ বাস্তৱতাক দাঙি ধৰিবলৈ বিচৰা হৈছে। কবিৰ নগৰ চেতনাৰ মাজতে লুকাই আছে জীৱন আৰু মৃত্যুৰ উপলব্ধি। ইয়াত প্ৰাণ আছে কিন্তু প্ৰাণৰ স্পন্দন নাই। এনে আধুনিক চেতনা দাঙি ধৰিছে কবিয়ে এইদৰে —

“টেঁটুচেপা ট্ৰেফিকৰ দূৰৰ স্পন্দনে

ভয় আৰু আশ্বাসৰ জটিল উৎকণ্ঠা আনে” (হে অৰণ্য হে মহানগৰ)

চল্লিশৰ দশকৰ পৰা তেওঁ ৰচনা কৰা কবিতাসমূহ বিশ্লেষণ কৰিলে আধুনিক অসমীয়া কবিতা যে ৰূপান্তৰৰ মাজেদি অগ্ৰসৰ হৈছিল সেইটো উপলব্ধি কৰিব পাৰি।

আধুনিক সভ্যতা তথা যুদ্ধোত্তৰ যুগৰ মানবীয় মূল্যবোধৰ সংকট, বুদ্ধি আৰু অনুভূতিৰ সংঘাত, সমকাল চেতনা তথা ৰাষ্ট্ৰ চিন্তা বিষয়ক ধ্যান-ধাৰণা বৰুৱাৰ কবিতাত উজ্বলি আছে।[৪৪]

আধুনিকতাৰ লক্ষণেৰে তেওঁৰ কবিতাসমূহ সমৃদ্ধ হৈছে বিশেষকৈ নগৰ চেতনা, আন্তৰ্জাতিকতাবাদ, নিঃসঙ্গতাবোধ, বিজ্ঞান-চেতনা, মানৱতাবোধ, সামাজিক চিন্তা, প্ৰেম, মানবীয় মূল্যবোধ তথা মৃত্যু-চেতনা ইত্যাদি তেওঁৰ কবিতাৰ উপজীব্য। ইমদাদ উল্লাহে ক'বৰ দৰে “কুৰি শতিকাৰ আধুনিক কবিতাৰ ইতিহাসত নৰকান্ত বৰুৱাৰ অবদানে নিঃসন্দেহে মুখ্য স্থান অধিকাৰ কৰিছে। বিষয় বস্তুৰ বৈচিত্ৰ্য আংগিকগত কলা-কৌশলৰ অভিনৱত্ব আৰু প্ৰতিভাৰ নিৰ্ভুল স্বাক্ষৰ— এই কেউপিনৰপৰা নৰকান্ত বৰুৱাক মহাযুদ্ধোত্তৰ যুগৰ শ্ৰেষ্ঠ কবিৰ সন্মান দিব পাৰি।”[৪৫] আধুনিক অসমীয়া কবিতাৰ ইতিহাসত স্থান দখল কৰা নৰকান্ত বৰুৱাৰ কেইটিমান উল্লেখযোগ্য কবিতা হৈছে— ‘হে অৰণ্য হে মহানগৰ’, ‘ক্ৰমশঃ’, ‘পলস’, লিফট্’, ‘সৰ্বংপ্ৰাণএজতি’, বোধিদ্ৰুমৰ খৰি’, ‘ইয়াত নদী আছিল’, মহাকাব্যৰ পাণ্ডুলিপি’, ‘উভতি নহাৰ কবিতা’, ‘জোখ’, ‘এদিন আমি নাৰেৰে,’ ‘শৰণীয়াত সন্ধ্যা’, ‘বশিষ্ঠত পিক্নিক্’, ‘এটি দুটি এঘাৰটি তৰা’, ‘এটা প্ৰেমৰ পদ্য’, ইত্যাদি। তেওঁৰ বহু চৰ্চিত কবিতা ‘ইয়াত নদী আছিল’ত আধুনিক জীৱনৰ অবক্ষয়ৰ বাস্তৱ ছবি অংকন কৰিলেও মানুহৰ ভৱিষ্যতকলৈ কবি সচেতন। নদীক প্ৰাণ চঞ্চল সভ্যতাৰ প্ৰতীক স্বৰূপে লৈ কবিয়ে মৰুভূমি সদৃশ আধুনিক সভ্যতাৰ হতাশাক কেতিয়াও স্বীকাৰ নকৰে।

**কেশৱ মহন্ত ঃ**

চল্লিশৰ দশকত ‘জয়ন্তী’ত ‘চোৰৰ কৈফিয়ৎ ‘তেওঁ আৰু মই’ আদি কবিতাৰে আত্ম প্ৰকাশ কৰা মাৰ্ক্সবাদী চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত কবি কেশৱ মহন্তই অসমীয়া কবিতাৰ প্ৰগতিশীল ধাৰাটোলৈ উল্লেখযোগ্য অৱদান আগবঢ়ায়।

১৯৪৬ চনত প্ৰকাশিত তেওঁৰ প্ৰথম কাব্য সংকলন 'আমাৰ পৃথিৱী'ত প্ৰগতিবাদৰ সুৰ ধ্বনিত হৈছে। চন্দ্ৰ কটকীয়ে ক'বৰ দৰে— "তেওঁৰ কবিতাত প্ৰগতিবাদৰ সুৰ খুব স্পষ্ট। আমাৰ পৃথিৱী নামৰ কাব্য গ্ৰন্থত তেওঁ এখন নতুন পৃথিৱীৰ সন্ধান কৰিছে। নতুন পোহৰেৰে উদ্ভাসিত হৈ উঠা মেহনতী জনতাৰ কাৰণে এক সঁচা আশ্ৰয়ৰ পৃথিৱী কবিয়ে সন্ধান কৰিছে।"[৪৬]

তেওঁৰ আন এটি উল্লেখযোগ্য কবিতা 'ফাগুৱা ১৯৪৫' ত উল্লেখ কৰিছে ফাগুৱাৰ ৰাঙলী প্ৰলেপৰ আনন্দখিনি যেন নাইকীয়া কৰিছে যুগৰ ডাঠ ক'লা ৰঙে। যুদ্ধোত্তৰ যুগৰ এক অবক্ষয়িত ৰূপ দাঙি ধৰিছে এই কবিতাটোত। মন কৰিবলগীয়া যে চল্লিশৰ দশকত কেশৱ মহন্তৰ কবি প্ৰতিভাই বিশেষ উদ্‌গতি লাভ কৰিব পৰা নাছিল। ৰামধেনু যুগত এইগৰাকী বাওঁপন্থী কবিয়ে কেইবাটাও মননশীল কবিতা ৰচনা কৰি তেওঁৰ প্ৰতিভা বিচ্যুৰিত কৰে। তেওঁৰ গীত আৰু কবিতাৰ মাজত বাওঁপন্থী সমাজ-চেতনাৰ কাব্যিক প্ৰকাশ দেখা যায়। ৰামধেনু যুগত কবি প্ৰতিভাৰ বিস্তৃতি ঘটোৱা কবিতা সমূহক লৈ তেওঁ ১৯৬৩ চনত দ্বিতীয়খন কাব্যগ্ৰন্থ 'আগন্তুক' প্ৰকাশ কৰে। তেওঁৰ আনকেইখনমান কাব্যগ্ৰন্থ হ'ল— 'তোমাৰ তেজ', 'মোৰ শুকান কলিজাৰ কুঁহিপাত' ইত্যাদি। তেওঁৰ 'আন্ধাৰ আৰু পোহৰ', 'প'ষ্টাৰ', 'ছাঁই', 'আঘোণৰ কুঁৱলী', 'সোণজিৰা মাহীৰ নাড়ী', 'জালুকবাৰীতঃ ৰাতি', 'চিত্ৰলেখা', 'সুহুৰি', 'চৰাই হৈ পৰিমগৈ' আদি উল্লেখযোগ্য কবিতা। ব্যঞ্জনাময় ভাব প্ৰকাশক 'আঘোণৰ কুঁৱলী' তেওঁৰ এটি উৎকৃষ্ট কবিতা। 'সোণজিৰা মাহীৰ নাড়ী' কবিতাত সহজ-সৰল মানুহৰ অভাৱ অনাটনৰ ছবিখনৰ মাজেদি মানবীয় দৃষ্টিভঙ্গী দাঙি ধৰিছে এনেদৰে —

"টিংৰাই তৰণীৰ তিনিপুৰা মাটি  
বছৰটো খাটি  
যিখিনি ভাগত পৰে, তাৰে হেনো  
শাওনতে টেকেলি কাটি।" (সোণজিৰা মাহীৰ নাড়ী — কেশৱ মহন্ত)

**অজিৎ বৰুৱা ঃ**

অজিৎ বৰুৱাই কবি হিচাপ চল্লিশৰ দশকতে আত্মপ্ৰকাশ কৰে। তেওঁৰ 'তীখা' আৰু

'হাতুৰী' প্ৰগতিবাদী চিন্তাধাৰাৰ উল্লেখযোগ্য কবিতা। যুগ পৰিবৰ্তনৰ ক্ষেত্ৰত অত্যন্ত আশাবাদী কবিয়ে শতাব্দীৰ আবৰ্জনা নাইকীয়া কৰি 'নৰসৃষ্টিৰ জন্মাষ্টমী'ক আদৰিব খোজে। যুদ্ধ বিধ্বস্ত সমাজৰ ক্ষয়ংকাৰী ৰূপে কবিক চিন্তিত কৰিছিল যদিও নতুন যুগ ৰচনাত বঞ্চিত আৰু লাঞ্ছিত সকলে তেওঁলোকৰ মুক্তিৰ বাবে আগবাঢ়ি আহিব বুলি তেওঁ আশা কৰে—

"দৃপ্ত হাতৰ হাতুৰীৰ কোব
ফিৰিঙতি সৌ চিটিকি পৰে,
ৰঙা তীক্ষা পিটি বিজয়ী মানুহে
নতুন যুগৰ ভিত্তি গঢ়ে।"    (তীখা— অজিৎ বৰুৱা)

চল্লিশৰ দশকৰ শেষৰফালে এই গৰাকী কবিয়ে প্ৰতীক আৰু চিত্ৰকল্পবাদী কবিতাৰ প্ৰতি আকৰ্ষিত হয়। বিশেষকৈ টি. এচ এলিয়টৰ ভংগীৰদ্বাৰা প্ৰভাৱান্বিত বৰুৱাৰ এই সময়ৰ দুটি উল্লেখযোগ্য কবিতা হৈছে— 'মন-কুৰঁলী সময়' আৰু 'দুখৰ কবিতা'। এই দুইটা কবিতাতে আধুনিক ৰূপ লক্ষ্য কৰা যায়। কবি নীলমণি ফুকনে লিখিছে — "কৈশোৰৰ 'তীখা' আৰু 'হাতুৰী'ৰ পিছত পঞ্চাশৰ দশকত নীৰব হোৱা অজিৎ বৰুৱাই লেখিলে চল্লিশৰ পদপ্ৰান্তত যুদ্ধোত্তৰ যুগৰ প্ৰকৃতাৰ্থত প্ৰথম আধুনিক কবিতাটো— 'দুখৰ কবিতা'।"[৪৭] তেওঁৰ কাব্য পুথিসমূহৰ ভিতৰত কিছুমান পদ্য আৰু গান' আৰু 'ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য' আদি উল্লেখযোগ্য। চল্লিশৰ দশকৰ শেষৰফালে প্ৰতীকবাদী মননশীল কবিতা 'মন-কুঁৰলী সময়' ৰচনা কৰি (১৯৪৮) জয়ন্তীৰ কাব্যাদৰ্শৰ পৰা আতঁৰি আহি বুদ্ধিনিষ্ঠ ধাৰাটোৰ প্ৰতি আকৰ্ষিত হয়। অজিৎ বৰুৱাৰ আন কেইটামান উল্লেখযোগ্য কবিতা হৈছে— 'হঠাতে এছাট অকলশৰীয়া বতাহ', 'আজি আকৌ মেজাঙ্কৰি,' 'জেংৰাই ১৯৬৩', 'এজোপা জাকাৰান্দা', 'এযোৰ তামৰ অৰ্ঘা, 'কিছুমান ব্ৰোঞ্জৰ ঢেঁকীয়া' 'ৰমণীয় বসন্ত কালত', 'অবন্তী নগৰ' ইত্যাদি। প্ৰায় এটা দশক কাল নীৰৱ হৈ থাকি তেওঁ পুনৰ ষাঠিৰ দশকৰপৰা কবিতা লিখিবলৈ আৰম্ভ কৰে। ষাঠিৰ দশকত তেওঁৰ বহু চৰ্চিত কবিতা 'জেংৰাই ১৯৬৩' প্ৰকাশ হয়। কবিয়ে ইয়াত ব্যক্তিগত মানবীয় অভিজ্ঞতাৰ ভেটিত এটা জীৱন বোধৰ সৃষ্টি কৰিছে য'ত জীৱনৰ ৰূপটোক ফহিয়াই

চাবলৈ আমাক অৱকাশ দিয়ে। ভবেন বৰুৱাই ‘তেওঁৰ ‘জেংৰাই ১৯৬৩’ কবিতাটোৰ প্ৰসঙ্গত লিখিছে — “অসমীয়া সাহিত্যত এনে সুগভীৰ পৰ্য্যায়ৰ ‘আধুনিক’ সৃষ্টিৰ পৰিচয় দুৰ্লভেই ভাৰতীয় সাহিত্যতো এনে সৃষ্টিৰ উদাহৰণ বিৰল।”[৪৮]

**চৈয়দ আব্দুল মালিক ঃ**

জয়ন্তী-পছোৱা যুগত আধুনিক কবিতাৰ শুভাৰম্ভ কৰা অন্য এজন কবি হৈছে চৈয়দ আব্দুল মালিক। প্ৰগতিবাদী চিন্তাৰে আধুনিক কবিতাৰ পাতনি মেলা মালিকৰ কবিতাত আছে মধ্যবিত্ত শ্ৰেণীৰ জীৱনৰ ফোপোলা স্বৰূপ আৰু ভণ্ডামী। তেওঁৰ কবিতাত সমাজ সচেতনতাৰ চাপ তীব্ৰতৰ। সেয়েহে সৰ্বহাৰাৰ প্ৰতি এক উদাৰ সহানুভূতিৰে শ্ৰেণী সংগ্ৰামৰ সমৰ্থনত মহাদেশীয় কবি লুই আৰাগঁ, স্পেণ্ডাৰ, অডেন আদি কবিসলৰ দৰে তেওঁ সাম্যবাদৰ আশ্ৰয় বিচাৰিছে। তেওঁৰ ‘অনাগত দিনৰ ইতিহাস’ চল্লিশৰ দশকৰ এটি উল্লেখযোগ্য কবিতা। যুদ্ধ বিধ্বস্ত সমাজলৈ ‘মানৱতা’ ঘূৰি আহিব বুলি বিশ্বাস কৰা কবিয়ে অনাগত দিনত নতুন আলোকেৰে ‘নতুন সুৰৰ মহাযুগ’ আৰম্ভ হ’ব বুলি আশাবাদী—

“সকলোৰে কণ্ঠৰ পৰা
আপুনি নিনাদি উঠে এষাৰ বাণী
‘মানৱতা, মানৱতা’।
অন্য ভাষা সিহঁতে পাহৰি যায়।
অনাগত দিন নতুন আলোক
আৰু নতুন সুৰৰ মহাযুগ—”

(অনাগত দিনৰ ইতিহাস — চৈয়দ আব্দুল মালিক)

১৯৪৮ চনত প্ৰকাশিত ‘বেদুইন’ মালিকৰ এখন উল্লেখযোগ্য কবিতাৰ সংকলন। তেওঁৰ ‘বেদুইন’ শীৰ্ষক দীঘলীয়া কবিতাটোৰ মাজেদি শ্ৰেণী বৈষম্যৰ ছবি খনৰ লগতে সংগ্ৰামী জনগনত সুখ-দুখৰ অনুভূতি প্ৰকাশ কৰিছে। ‘বেদুইন’ সংকলনখন সন্দৰ্ভত কবীন ফুকনে উল্লেখ কৰিছে “১৯৪৮ চনত প্ৰকাশিত আব্দুল মালিকৰ ‘বেদুইন’ নামৰ সংকলনত আধুনিক অসমীয়া কাব্য

কথন পূৰ্বতকৈ সহজ নাটকীয় আৰু স্বাভাৱিক হোৱাতো চকুত পৰে। কবিতাৰ বিকাশৰ এটা অন্যতম বাট হ'ল একেটা ভাষাৰে সৃষ্টিশীল গদ্যৰ লগত হোৱা আন্তঃক্ৰিয়া। এনে ইতিবাচক আন্তঃক্ৰিয়াৰ আঁচোৰ বেদুইনত আছে।"[৪৯] মালিকৰ আন কেইখন কাব্য সংকলন হৈছে— 'স্বাক্ষৰ' (১৯৬৪) 'স্বপ্ন, দুঃস্বপ্ন আৰু অন্য কিছু কথা' (১৯৮৮) ইত্যাদি। উল্লেখ্য যে চল্লিশৰ দশকৰ অসমীয়া কবিতাৰ গদ্য শৃংখলা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মালিকৰ অৰদান উল্লেখনীয় ।

**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ঃ**

ৰামধেনু সম্পাদনাৰ গুৰু দায়িত্ব পালনেৰে অসমীয়া সাহিত্যক আধুনিকতাৰ শীৰ্ষত স্থাপন কৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কবিতাৰ সংখ্যা সীমিত। তেওঁ প্ৰধানতঃ 'জয়ন্তী', 'পছোৱা' আৰু 'ৰামধেনু' যুগৰ এজন সমাজ সচেতন কবি। তেওঁৰ 'ফেঁচা', বিষুওৰাভা এতিয়া কিমান ৰাতি,' 'এপাহি কপৌফুল', 'এৰাতিৰ দুটি কবিতা', 'ক্ৰুছৰ বন্ধুলৈ', 'অদ্ভুত সময়', 'যাত্ৰাৰ শেষ হ'লে', 'চমৰখণ্ড', 'ৰেলৰ পৰা স্কেচ' আদি কবিতাসমূহৰ মাজত সমাজ সচেতন আৰু লগতে মানৱতাৰ সুৰ শুনিবলৈ পোৱা যায়। 'সান্ধ্যসুৰ' তেওঁৰ এমাত্ৰ কাব্য সংকলন। তেওঁৰ জনপ্ৰিয় কবিতা 'বিষুওৰাভা এতিয়া কিমান ৰাতি'ত উল্লেখ কৰা মতে জন-গণে দুখ-কষ্টৰ মাজেদি সমস্বৰে মুক্তিৰ জয়ধ্বনি তুলিব বুলি কবিয়ে বিশ্বাস কৰে। সমাজবাদী আদৰ্শত বিশ্বাসী কবিয়ে তেওঁৰ কবিতাৰ মাজেদি জনতাৰ প্ৰতি দায়বদ্ধতাৰ পৰিচয় দিছে। সমাজ চেতনাৰ লগতে প্ৰকাশ ভংগীৰ অনন্যতাই 'বিষুওৰাভা এতিয়া কিমান ৰাতি' কবিতাটো আকৰ্ষণীয় কৰি তুলিছে। নলিনীধৰ ভট্টাচাৰ্যই লিখিছে 'বিষুওৰাভা' তেওঁৰ কবিতাত বন্দী শিল্পীৰ প্ৰভিভূ — জীৱন শিল্পী আৰু জনতাৰ আশা আকাংক্ষাৰ বিহু সন্মিলনৰ কল্পনা মনোৰম। জীৱন আৰু কলাৰ সমন্বয়ৰ অনুভূতি 'বিষুওৰাভা'ৰ মূল প্ৰতিপাদ্য।"[৫০]

**ৰাম গগৈ ঃ**

ৰামধেনু যুগৰ এগৰাকী জনপ্ৰিয় প্ৰগতিবাদী কবি ৰাম গগৈৰ কবিতাত সামাজিক চেতনা বোধৰ উজ্বল আভাস আছে। তেওঁ আছিল প্ৰকৃতাৰ্থত মাটি আৰু মানুহৰ কবি। শোষিত আৰু শ্ৰমজীৱী মানুহৰ মুক্তিৰ আকাংক্ষাৰ লগতে সামাজিক বৈষম্যই কবিক ক্ষোভিত কৰি

তুলিছে। 'মাটিৰ স্বপ্ন' (১৯৬৩) তেওঁৰ প্ৰথম কবিতা পুথি। তেওঁৰ 'পথাৰ', 'এটমবোমা', 'ইংগিত', 'জোঁৱাৰ যিদিনা আহিলে', 'টিপ্‌লিং, ১৯ আগষ্ট ঃ ৫৭', 'নদী' 'তেজীমলা তোমাৰ কাৰণে' 'মই পৃথিৱীৰ কবি' আদি উল্লেখযোগ্য কবিতা। 'পথাৰ', 'এটমবোমা' আদি কবিতাৰ মাজেদি মানৱতাৰ সাৰ্থক প্ৰকাশ ঘটাৰ লগতে শ্ৰমজীৱী মানুহৰ জীৱন সংগ্ৰামৰ ছবি দাঙি ধৰিছে। কবিয়ে লাঞ্ছিত সৰ্বহাৰাৰ জীৱনৰ দুখ-বেদনা ভালদৰে উপলব্ধি কৰিব পাৰিছিল। কৃষক শ্ৰমিকৰ মুক্তিৰ বাবে তেওঁ কবিতাৰ মাজেদি বিপ্লবৰ সুৰ তুলিছিল। মহাজনী অৰ্থনীতিৰ কবলত শোষিত কৃষকসকলৰ জীৱন কোঙা হৈ পাৰিছে। কিন্তু কৃষকসকলৰ নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ হ'লে সংগ্ৰামৰ পথাৰত সন্মিলিতভাৱে বিদ্ৰোহৰ জাগৰণ তুলিব লাগিব বুলি কবিয়ে 'পথাৰ' কবিতাত উল্লেখ কৰিছে। মানুহ আৰু মাটিক ভালপোৱা এইগৰাকী জনতাৰ কবিয়ে শ্ৰেণী চেতনা, শোষিত সকলৰ প্ৰতি গভীৰ সহানুভূতি তথা সমাজ পৰিৱৰ্তনৰ চিন্তা কবিতাৰ মাজেদি বলিষ্ঠভাৱে প্ৰকাশ কৰিছে। কবিয়ে নিজেই ঘোষণা কৰিছে যে তেওঁ 'পৃথিৱীৰ কবি', 'মানুহৰ কবি'—

"হে সূৰ্য
তুমি পৃথিৱীৰ প্ৰথম প্ৰেমিক
আৰু মই — পৃথিৱীৰ কবি
মোৰ প্ৰসাৰিত দুহাতত ধৰা দিয়া
মোৰ কণ্ঠত তোমাৰেই গান। আলোকৰ গান
মই মানুহৰ কবি
মই পৃথিৱীৰ অমৰ সন্তান।" (মই পৃথিৱীৰ কবি— ৰাম গগৈ)

**নলিনীধৰ ভট্টাচাৰ্য ঃ**

ৰামধেনু যুগৰ আন এগৰাকী কবি হৈছে নলিনীধৰ ভট্টাচাৰ্য। সমাজ চেতনাৰ আদৰ্শ তথা প্ৰগতিশীল দৃষ্টিভঙ্গী তেওঁৰ কবিতাত বিদ্যমান। ভট্টাচাৰ্য ৰামধেনু যুগৰ হ'লেও তেওঁৰ কাব্য প্ৰতিভাৰ বিকাশ ঘটে ৰামধেনুৰ পৰৱৰ্তী দশক সমূহতহে। আৰ্থ-সামাজিক অৱস্থাৰ লগতে জনতাৰ সংগ্ৰামী জীৱনৰ ছবিও তেওঁৰ কবিতাত প্ৰকাশ পাইছে। 'এই কুঁৱলীতে',

'চেৰাশালিৰ মালিতা', 'আঁহত সপোন' আৰু 'ননী আছ নে ঘৰত' তেওঁৰ উল্লেখযোগ্য কাব্য সংকলন। ভটাচাৰ্য এগৰাকী মানৱতাবাদী কবি। পুঁজিবাদী সমাজ ব্যৱস্থাটোৰ প্ৰতি কবিৰ ক্ষোভ আৰু প্ৰতিবাদৰ সুৰ কবিতা সমূহত বাজি উঠা দেখা যায়। তেওঁৰ কবিতাত স্বৰাজোত্তৰ কালৰ দুৰ্বল আৰ্থ-সামাজিক ব্যৱস্থাৰ লগতে খাটি খোৱা জনগনৰ জীৱনৰ সামগ্ৰিক ছবি দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। বৰ্তমান সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন কৰি এখন শ্ৰেণীহীন সমাজ গঢ়াৰ বাবে কবি আগ্ৰহী। 'মৈৰাপুৰত এৰাতি', 'পঞ্চাশ নিযুতৰ প্ৰাৰ্থনা', 'মই', 'পিতৃ তৰ্পণ', 'জটায়ু' 'মৰিশালি যত চেৰাশালি হয়', 'পদাতিক', 'সাক্ষাৎকাৰ', 'গুৱাহাটী', 'পোহৰৰ গান', ইস্তাহাৰ' আদি কবিতা সমূহত কবিৰ প্ৰতিভা মূৰ্ত হৈ উঠিছে। লোক সংস্কৃতিৰ সমাহাৰ ঘটাই আধুনিক জীৱনৰ চিন্তা-চেতনাক তেওঁৰ কবিতাত প্ৰতিফলিত কৰা দেখা যায়। 'পঞ্চাশ নিযুতৰ প্ৰাৰ্থনা' কবিতাত প্ৰেমৰ জ্যোতিৰে পৃথিবীৰ বুকুত মানবীয় মহত্ত্ব প্ৰতিষ্ঠা কৰিবলৈ নতুন শক্তিক কবিয়ে প্ৰাৰ্থনা জনাইছে।

**বীৰেণ বৰকটকী ঃ**

জয়ন্তীৰ পাতত কাব্য জীৱন আৰম্ভ কৰা কবি বীৰেণ বৰকটকী এজন মানৱতাবাদী কবি। পিছলৈ 'পছোৱা', 'ৰামধেনু'কে আদি কৰি ভালে সংখ্যক আলোচনীৰ বুকুত তেওঁৰ কবিতা প্ৰকাশ হৈছে। তেওঁৰ কাব্য সংকলন দুখন— 'মন্বন্তৰ' আৰু 'চিৰন্তন'। তেওঁৰ উল্লেখযোগ্য কবিতা 'ডায়েৰী'ত দিন হাজিৰা কৰা শ্ৰমিকৰ জীৱন-বুৰঞ্জীৰ বাস্তৱ ছবি অংকন কৰিছে। মানৱতাৰ জয়গান গোৱা এই গৰাকী কবিৰ 'এই ছবি' নামৰ কবিতাটিত পৃথিৱীৰ মানুহৰ আশা-আকাংক্ষাৰ লগতে বেদনা বিধৌত জীৱনৰ ছবি সহজ সৰল ভাষাৰে প্ৰকাশ কৰিছে।

অন্যহাতে 'মন্বন্তৰ' কবিতাত কবিয়ে দুস্কৃতিনাশি শ্ৰীকৃষ্ণ, বুদ্ধৰ আদৰ্শৰে পৃথিৱী উৰ্বৰা কৰা মানুহৰ সমদল গান শুনিবলৈ পাইছে।

**হৰি বৰকাকতি ঃ**

যুদ্ধোত্তৰ যুগৰ এজন উল্লেখযোগ্য আধুনিক কবি হৈছে হৰি বৰকাকতি। চল্লিশৰ দশকৰ শেষৰফালে (১৯৪৮) বৰকাকতিয়ে কবিতা লিখিবলৈ আৰম্ভ কৰে যদিও তেওঁ ৰামধেনু

যুগৰ কবি হিচাপেহে পৰিচিত হয়। বৰকাকতি এগৰাকী ৰোমাণ্টিক চৈতন্যৰ কবি। তেওঁৰ কবিতাত প্ৰেমৰ আধুনিক ৰূপ প্ৰতিফলিত হৈছে। নব্য ৰমন্যাসিক সুৰ তেওঁৰ কবিতাৰ অন্যতম বিশেষত্ব। ৰামধেনু যুগত আধুনিক অসমীয়া কবিতাৰ বুদ্ধিনিষ্ঠ আৰু প্ৰগতিবাদী সংগ্ৰামী ধাৰাৰ মাজত থাকি বৰকাকতিয়ে ৰোমাণ্টিক মধুৰতাক ঘূৰাই আনিব বিচাৰিছিল। তেওঁ আধুনিক অসমীয়া কবিতাৰ পৰা বিচ্ছিন্ন হৈ পৰা ৰোমাণ্টিক আবেগৰ সুৰ পুনৰ প্ৰৱৰ্তন কৰে। সেইবুলি ৰোমাণ্টিক কবি সকলৰ সৈতে তেওঁৰ কবিমানস একে নহয়। যুগ আৰু সমাজৰ প্ৰতি সচেতন কবিয়ে ঠগ-প্ৰৱঞ্চনা, ভুৱা আভিজাত্যক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে।

ৰোমাণ্টিক যুগৰ প্ৰেমৰ ধাৰণাটো দেৱকান্ত বৰুৱাৰ হাতত পৰিবৰ্তনমুখী ৰূপ লোৱাৰ পিছত ৰামধেনু যুগত আধুনিক অসমীয়া কবিতালৈ হৰি বৰকাকতিয়ে ইয়াৰ এটা নতুন ৰূপ কঢ়িয়াই আনে তেওঁৰ এমুঠি প্ৰেমৰ কবিতাৰ মাজেদি। 'ৰামধেনু' যুগত দেৱকান্ত বৰুৱাৰ মাজেদি অহা কবিতাৰ ধাৰাটোৰ তেওঁ আছিল সাৰ্থক আধুনিক উত্তৰসুৰী। মহেন্দ্ৰ বৰাই ক'বৰ দৰে — "নৱকান্ত বৰুৱাৰ দৰে হৰি বৰকাকতিৰ কবিতাতো জনতাৰ কলকণ্ঠ সম্পূৰ্ণ নীৰৱ। নিৰ্জতাৰ প্ৰতি থকা নিবিড় ভালপোৱা তেখেতৰ প্ৰত্যেক কবিতাত সহজে চকুত পৰে।"[৫১] 'কোনোবা শীতৰ এটা বগা সন্ধিয়াত', 'হৰি বৰকাকতিৰ কবিতা', 'সময় বালিৰ খোজ', 'মন কাগজৰ নাও', 'চিনাকি চিনাকি গোন্ধ' আদি হৰি বৰকাকতিৰ উল্লেখযোগ্য কাব্য সংকলন। মহেন্দ্ৰ বৰাই ভাগ কৰা ৰামধেনু যুগৰ কবিসকলৰ নিৰ্জনতাৰ কবি হৰি বৰকাকতিৰ কবিতাত ৰোমাণ্টিক অনুভূতিৰ তীব্ৰ প্ৰকাশ, প্ৰেয়সীৰ প্ৰতি আকুল আহ্বান আৰু স্বপ্নভঙ্গৰ ইঙ্গিত আছে। যুগৰ দৈন্যই কবিৰ স্বপ্নভঙ্গ কৰিলেও স্বপ্নৰ যেন শেষ নাই। কবিয়ে প্ৰিয়াৰ প্ৰেমত মছগুল হৈ থাকিব বিচাৰে, পৃথিৱীৰ খবৰ তেওঁক নালাগে—

"তোমাৰ ব্ৰাউন দুচকুৰ মৰম সিঁচি  
বিগত দিনৰ চিতাভস্মৰ পৰা  
মোক জীয়াই তোলা  
ফিনিক্স জীয়াদি।

আৰু কাৰো নালাগে খবৰ,
পৃথিৱী উৰঁলি যক সোণপাহী
সন্ধি আজি তুমি আৰু মোৰ।”        (সন্ধি — হৰি বৰকাকতি)

বৰকাকতিৰ কবিতাত জীৱন ৰহস্য ভেদ কৰিব পৰা কাব্য শক্তিৰ তুলনাত এক ৰোমান্টিক অৱসাদ বোধে ক্রিয়া কৰিলেও তেওঁৰ কেইবাটাও সুখপাঠ্য কবিতাই তেওক এগৰাকী মননশীল কবি হিচাপে দাঙি ধৰিছে। ‘কোনোবা শীতৰ এটা বগা সন্ধিয়াত’, ‘লাইট হাউছ’, ‘সন্ধি’, ‘অনুৰ্ব্বৰা’, ‘বলাকা’, ‘প্রিয়াৰ চিঠি’, ‘সন্ধিয়াৰ ধোঁৱা’, ‘বিৱৰ্তন’, ‘ইভনছং’ আদি তেওঁৰ উল্লেখযোগ্য কবিতা। চল্লিশৰ দশকৰ শেষৰফালে ৰচনা কৰা ‘কোনোবা শীতৰ এটা বগা সন্ধিয়াত’ কবিতাটোত কবিয়ে তেওঁ ৰিক্ত প্ৰাণৰ শতিকা জোৰা ইতিহাস মচি পেলাব খোজা নাই। তেওঁ এই পৃথিবীৰ পৰা হেৰাই গ’লেও কোনোবাই হেঁপাহেৰে বিচাৰিলে বাটৰ দাঁতিৰ ক’লা-বগা শিলেও যেন কবিৰ স্বপ্নজগতৰ সন্ধান দিব।

**মহিম বৰা ঃ**

অসমীয়া সাহিত্যৰ সু-প্ৰসিদ্ধ গল্পকাৰ মহিম বৰাই পঞ্চাশৰ দশকত কাব্য চৰ্চা আৰম্ভ কৰে। ৰামধেনু যুগৰ অন্যতম কবি বৰাৰ সত্তৰ দশকৰ শেষৰফালে ‘ৰঙা জিঁয়া’ নামৰ কাব্য সংকলন প্ৰকাশ হয়। মুষ্টিমেয় কেইটামান কবিতাৰ মাজেদিয়ে এই গৰাকী কবিয়ে তেওঁৰ কবিত্ব শক্তিৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ ‘মাছ’, পুখুৰী’, ‘দৃষ্টি’, ‘বালিচৰ’, ‘সৰু মানিমুনি’, ‘দুবৰি’, ‘উভতি অহাৰ কথা’, ‘মই বিচৰা চিঠিখন’, ‘শিল ধুমুহাৰ পিছৰ পুৱা’, ‘ভৰলুপাৰৰ আবেলি” ইত্যাদি কবিতা সমূহত প্ৰকৃতিৰ সত্তাৰ মাজত মানুহৰ আবেগ-অনুভূতিৰ বাঙ্ময় প্ৰকাশ ঘটিছে। দৰাচলতে মহিম বৰাৰ কবিতাত প্ৰকৃতিৰ সৈতে প্ৰাণীজগতৰ এক নিবিড় সম্পৰ্ক স্থাপন হৈছে। তেওঁৰ ‘দুবৰি’ কবিতাত প্ৰকৃতিৰ বুকুত যৌন আহ্বান থকাৰ বিপৰীতে ‘মাছ’ কবিতাত মাছৰ দেহৰ বৰ্ণ সমৃদ্ধ আৰু প্ৰাণৰ চিৰন্তনতাৰ প্ৰতি এটি বিস্ময় মিশ্ৰিত আবেগ কম্পিত ভাবৰ প্ৰকাশ ঘটিছে। আনহাতে ‘পুখুৰী’ কবিতাত মানৱ জীৱনৰ স্তৰে স্তৰে বাঢ়ি অহা দুখ-বেদনা আৰু হা-হতাশাত দগ্ধ হোৱা প্ৰাণৰ পৰিচয় দাঙি ধৰিছে। আচলতে

কেৱল মানৱ জীৱনেই নহয় এতিয়া যেন আমাৰ পৃথিৱীখনেই অভিশপ্ত[৫২]—

"জীৱনৰ স্তৰে স্তৰে পোৰা কয়লাৰ খাদ

নতুন মৃত্যুৰ গোন্ধ প্ৰতি উশাহত,

কোন এক

অভিশপ্ত শাম্বৰ গৰ্ভেৰে

গৰ্ভৱতী পৃথিৱী আমাৰ!" (পুখুৰী — মহিম বৰা)

ভবেন বৰুৱাই মহিম বৰাৰ 'পুখুৰী' কবিতাটোক সফলতম আধুনিক অসমীয়া কবিতাসমূহৰ ভিতৰত এটা বুলি মন্তব্য কৰিছে।[৫৩]

**মহেন্দ্ৰ বৰা ঃ**

যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ ইতিহাসত স্মৰণীয় হৈ ৰোৱা 'নতুন কবিতা'ৰ সংকলক মহেন্দ্ৰ বৰাই চল্লিশৰ দশকৰ শেষৰ পৰাই কাব্য সাধনা আৰম্ভ কৰে। ৰামধেনু যুগৰ এজন উল্লেখযোগ্য কবি মহেন্দ্ৰ বৰাৰ 'কেৰেণী শ্যেলীৰ চিঠি', 'কপৌ আৰু শগুণ' আদি কবিতাত সমাজ চেতনাৰ চিটিকনি আছে। তেওঁৰ আন আন কবিতা সমূহৰ ভিতৰত 'জাতিস্মৰ', 'প্ৰাৰ্থনা ঃ দেহাচ্যুত আত্মাৰ','আবৰণহীন কণী', 'গীৰ্জা, ব্লাউজ আৰু শ্যেম্পেন', 'Come, my beloved', 'শূণ্য এখনি সোণৰ পিৰিচ', 'তেজীমলা', 'এই নদীয়েদি', 'চঞ্চলতা', 'ফাউষ্ট', চামুৰাই', 'অপৰূপ এই নদী' আদি কবিতাসমূহে কম বেছি পৰিমাণে প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। তেওঁৰ কেইবাটাও কবিতাত ৰোমাণ্টিক ব্যঞ্জনাই আকৰ্ষণীয় ৰূপত ধৰা দিছে। মহেন্দ্ৰ বৰাৰ প্ৰথম কাব্য সংকলন 'জাতিস্মৰ'ত প্ৰকাশিত প্ৰথম অৱস্থাৰ কবিতা সমূহে ৰমন্যাসিক লক্ষণৰ পৰা একেবাৰে আঁতৰি আহিব পৰা নাই। 'মধুমালতীৰ চিঠি', 'সাপ', 'চকুপানী যযাতি চলিহাৰ' আদি কবিতাত ৰমন্যাসিক ভাব দেখা যায়। নব্য ৰমন্যাসিক কবি মহেন্দ্ৰ বৰাৰ আন কেইখনমান কাব্য সংকলন হৈছে— 'এই নদীয়েদি', 'ৰূপৰ টিলিঙাৰ মাত', 'নীলা ধতুৰাৰ ফুল' আৰু 'আলি দোমোজাৰ ক্ৰচৰ পৰা'। বৰাৰ কবিতাত প্ৰেমৰ প্ৰকাশ বিস্তাৰিত ভাবে দেখা যায়। জাতীয় আৰু ঐতিহাসিক কাহিনী আদিয়ে তেওঁৰ কবিতা স্পৰ্শ কৰিছে। চন্দ্ৰ কটকীয়ে ক'বৰ দৰে "প্ৰগতিবাদী কবিসকলৰ দৰে তেওঁৰ কবিতাত

সামাজিক ৰাজনৈতিক বিপৰ্যয়ৰ চিন্তা কম আনহাতে তেওঁৰ কবিতাৰ অতিশয় বুদ্ধিনিষ্ঠ সচেতন চেষ্টাও কম; বৰাক স্বৰূপাৰ্থত এজন imagist বা চিত্ৰকল্পবাদী বুলি ক'ব পাৰি।"[৫৪] মহেন্দ্ৰ বৰাৰ কেইবাটাও কবিতাৰ শিৰোনাম নদীক লৈ গঠিত। 'এই নদীয়েদি', 'অপৰূপ এই নদী', 'ইতিকথা নদী আৰু মানুহৰ' আদি কবিতাত নদীয়ে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। অনাদি কালৰে পৰা জন্ম মৃত্যুক নেওচি বৈ যোৱা জীৱন প্ৰবাহৰ প্ৰকাশ হৈছে নদী—

"সন্ধ্যা হ'লে এই নদীয়েদি ভাহি যায়।
পুৰি যোৱা জীৱনৰ এমুঠি চিতাৰ ছাই
গোমা গধূলিৰ সৈতে লাহে লাহে নামি আহে
ছয়াঁময়া কুৱঁলীৰ ধুৱঁলীয়া ৰাতিৰ আভাস
অপৰূপ এই নদী
ইয়াৰ বুকুতে আছে জীৱনৰ কলতান মৰণৰ নীৰৱ আৰতি।"

(অপৰূপ এই নদী— মহেন্দ্ৰ বৰা)

**হোমেন বৰগোহাঞি ঃ**

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'ৰামধেনু'ৰ প্ৰথম সংখ্যাত 'অৰণ্য' কবিতাৰে ভুমুকি মাৰা হোমেন বৰগোহাঞি ৰামধেনু যুগৰ আধুনিকতাবাদী ধাৰাৰ কবি। বৰগোহাঞিয়ে 'বাঁহী', 'পছোৱা' আদিত কবিতা প্ৰকাশ কৰিছিল যদিও ৰামধেনু যুগত এজন চিন্তাশীল আধুনিক কবি হিচাপে পৰিচিত হয়। এইগৰাকী প্ৰসিদ্ধ কবিৰ গদ্য সাহিত্যত যি দখল তাৰ তুলনাত কবিতাৰ সংখ্যা কম। 'ৰামধেনু'ৰ আধুনিকতাবাদী আন্দোলনটোত সক্ৰিয়ভাৱে জড়িত হৈ পৰা বৰগোহাঞিয়ে চাৰ্লচ্ বোডেলেয়াৰ, ৰাইনাৰ মাৰিয়া ৰিল্‌কে আৰু এডুইন মুইৰৰ কবিতা আদি অনুবাদ কৰি ৰামধেনুৰ পাতত প্ৰকাশ কৰিছিল। তেওঁ 'আধুনিক অসমীয়া কবিতা' তথা 'জনদিয়েক আধুনিক কবি' আদি বিভিন্ন চিন্তাশীল প্ৰবন্ধৰে ৰামধেনুৰ পাতত আধুনিক অসমীয়া কবিতাৰ বিষয়ে অতি তত্ত্বগধুৰ কথা আলোচনা কৰে। বৰগোহাঞিৰ একমাত্ৰ কবিতাৰ পুথি হৈছে 'হৈমন্তী'। বুদ্ধিনিষ্ঠ ধাৰাৰ কবি বৰগোহাঞিৰ কবিতাত ইংৰাজী আৰু ফৰাছী কবিতাৰ প্ৰভাৱ দেখা যায়। এলিয়ট, বোডেলেয়াৰ আদিৰ প্ৰতীকবাদী কবিতাৰ দ্বাৰা

অনুপ্ৰাণিত হোৱাৰ উপৰিও ফ্ৰয়েদীয় মনস্তত্বৰ প্ৰতিও তেওঁ আগ্ৰহী। জীৱনৰ ক্লেদ, দুঃস্বপ্ন, অনিকেত মনোভাব, দেহজ প্ৰেম, কামনা, মূল্যবোধত সংশয়, জীৱন-মৃত্যু, অবচেতন মনৰ প্ৰকাশ তথা মাৰ্ক্সীয় দৰ্শনৰ আভাসেৰে বৰগোহাঞিৰ কবিতা সমূহ সমৃদ্ধ হৈছে। তেওঁৰ 'সাপ' কবিতাটোত ফ্ৰয়েদীয় মনস্তত্বৰ প্ৰভাৱ লক্ষ্য কৰা যায়। কবিতাটোত অবচেতন মনৰ বৰ্হিপ্ৰকাশ ঘটিছে য'ত দুঃসহ সুন্দৰ ৰাতি কবিৰ মনটোৱে সৰ্পিল গতিৰে ভাঁহি যায় ৰাতিৰ অন্ধকাৰ নদীত। নলিনীধৰ ভট্টাচাৰ্যই তেওঁৰ 'সাপ' কবিতাটোৰ প্ৰসঙ্গঁত ক'বৰ দৰে — " 'সাপ' অন্ধকাৰৰ দ্যোতক ঃ ('এ আঁধাৰ আলোৰ অধিক'- বুদ্ধদেৱ বসু) কবিয়ে দেখা পাইছে কেৱল ক্লেদ। এই কদৰ্যতাই সৃষ্টি কৰা ঘৃণাই তেওঁক সৌন্দৰ্যৰ সন্ধান কৰিবলৈ প্ৰেৰণা যোগাইছে। যি অন্ধকাৰে কবিৰ মনত এনে সৌন্দৰ্য স্পৃহা যোগাই তুলিছে সেই অন্ধকাৰক কবিয়ে এটা উজ্বল সোণালী সাপ বুলি অভিহিত কৰিছে। ই প্ৰতীকী কবিতা নহয়; সাপ ৰূপক মাত্ৰ"[৫৫] 'অৰণ্য', 'মহানগৰ', 'ৰাতি' আদি কবিতাত জীৱন আৰু পৃথিবীখনক ভালপোৱা কবিয়ে মৰণৰ আহ্বান শুনি আশংকাত ভুগিছে। 'হৈমন্তী' কবিতাত ৰমন্যাসিক চেতনাৰ কিছু আভাস আছে। 'বিকল্প' কবিতাত কবিয়ে আশ্ৰয় বিচাৰিছে নাৰীৰ দেহৰ উম, ফুল, তৰা আৰু ৰাতিৰ আকাশত।

ইয়াৰ উপৰিও কবি বৰগোহাঞিৰ— 'ৰাতিৰ প্ৰাৰ্থনা', 'স্মৃতি', 'শাশ্বতী', 'ওফেলিয়া', 'মোৰ আইতা' আদি কেইবাটাও উল্লেখযোগ্য কবিতাত তেওঁৰ কাব্যভঙ্গীৰ উমান পাব পাৰি।

**বীৰেশ্বৰ বৰুৱা ঃ**

ৰামধেনু যুগৰে আন এগৰাকী বিশিষ্ট কবি হৈছে বীৰেশ্বৰ বৰুৱা। বিষয় আৰু আংগিকৰ বৈচিত্ৰ্যেৰে বৰুৱাই আধুনিক অসমীয়া কবিতালৈ উল্লেখযোগ্য অবদান আগবঢ়াইছে। ১৯৬১ চনত প্ৰকাশিত 'নিৰ্জন নাবিক' তেওঁৰ প্ৰথম কাব্য সংকলন। ১৯৭০ চনত প্ৰকাশ হয় তেওঁৰ দ্বিতীয় কাব্য-সংকলন 'অচিন আৰাও'। ইয়াৰ পিছত 'ডাউকী', 'চৰাই, 'শামুক আৰু নক্ষত্ৰ', 'নিৰ্ব্বাচিত কবিতা', 'অন্য এক জোনাক' আৰু 'অনেক মানুহ অনেক ঠাই আৰু নিৰ্জনতা' আদি কেইবাখনো কাব্য সংকলন প্ৰকাশ হয়। ফৰাচী কবিৰ দ্বাৰা প্ৰভাৱিত হ'লেও তেওঁ এলিয়টী কাব্য ৰীতি পৰিহাৰ কৰা নাই। তদুপৰি তেওঁ জাৰ্মান অভিব্যক্তি বাদী কবিসকলৰ দ্বাৰাও অনুপ্ৰাণিত

হোৱা দেখা যায়। তেওঁৰ কবিতাত নগৰ চেতনা, নাৰী, প্ৰেম, ঈশ্বৰ, নৈসৰ্গিক প্ৰীতি, বিষাদ, গাঁৱলীয়া জীৱন আদি ৰূপায়িত হৈছে। বৰুৱা আধুনিক কবি হ'লেও ৰোমান্টিক আবেগৰ পৰা মুক্ত নহয়। তেওঁৰ প্ৰথমৰ কবিতা বিলাকৰ অবক্ষয়ী নগৰীয়া জীৱনৰ ধূসৰ ছবি প্ৰতিফলিত হৈছে। যান্ত্ৰিক সভ্যতা তথা শ্ৰেণী সংগ্ৰামৰ যন্ত্ৰণাৰ পৰা মুক্ত থাকি কবিয়ে প্ৰকৃতিৰ বুকুত নদীৰ অন্তৰংগতাত পাহাৰৰ  লগত নিবিড় আত্মীয়তাত বান্ধ খাই থাকিব বিচাৰে —

"এতিয়া চোৱাৰ পাল জীৱনৰ প্ৰান্তৰে প্ৰান্তৰে
ঘাঁহৰ সেউজী আভা, ধানৰ সোনালী ৰং,
হালধীয়া পখী যেন সৰিয়হ ফুলবোৰ,
ফাগুনৰ উতলা বাসনা"
(প্ৰত্যাৱৰ্তনৰ গান-বীৰেশ্বৰ বৰুৱা)

'লিলিৰ আবেলি', 'ডায়েৰী', 'বহাগ', 'পৰিচয়', 'পাহাৰৰ চনাটা', 'মুখামুখি' 'জন্মৰ আগৰ প্ৰাৰ্থনা' আদি তেওঁৰ সুখপাঠ্য কবিতাসমূহৰ ভিতৰত অন্যতম।

**অমলেন্দু গুহ ঃ**

সমাজবাদী চেতনাৰে ৰামধেনু যুগৰে পৰা কবিতা ৰচনা কৰি অহা সকলৰ ভিতৰত অমলেন্দু গুহ অন্যতম। তেওঁৰ কবিতাত আছে শ্ৰমিক, কৃষক আদি শ্ৰমজীৱী মানুহৰ জীৱন সংগ্ৰামৰ ছবি আৰু তেওঁলোকৰ প্ৰতি এক আন্তৰ্জাতিক আত্মীয়তা। ইয়াৰ লগতে পাৰিবাৰিক জীৱনৰ খণ্ডিত চিত্ৰ আৰু অসমৰ গাওঁ-ভূঁই, চাহ-বাগান, সোণালী পথাৰ আদিৰে তেওঁৰ কবিতাসমূহ সমৃদ্ধ। ১৯৬০ চনত প্ৰকাশিত 'তোমালৈ' তেওঁৰ অন্যতম কাব্য সংকলন। 'বাগিছাত দেওবাৰ' তেওঁৰ সুখপাঠ্য কবিতা সমূহৰ ভিতৰত উল্লেখযোগ্য। কবিতাটোত চাহ-শ্ৰমিকৰ জীৱন গাঁথাৰ লগতে শ্ৰমিক জীৱনৰ খণ্ডিত চিত্ৰ ভাব আৰু ৰূপৰ সমন্বয়ত শ্ৰমিক জীৱন উজ্বল হৈ পৰিছে। ইয়াত চাহ শ্ৰমিকৰ এশ বছৰীয়া যন্ত্ৰণাৰ ইংগিত আছে। আনহাতে সহজ সৰল বৰ্ণনাই কবিতাটোক অনন্য ৰূপ দিছে। 'কটন কলেজলৈ' কবিতাত কবিক যৌৱন কালীন স্মৃতিয়ে আমনি কৰিছে। কটন কলেজ চিৰ-যৌবনা সেয়ে চিৰ ওঠৰৰ

লগতহে প্ৰেমৰ নিবিড় সম্পৰ্ক। কবিৰ কটন কলেজ এতিয়া অতীত হ'ল। ত্ৰিশৰ ডেওনাত থকা কবিয়ে বৰ্তমান হৈ কেতিয়াও কলেজখনলৈ ঘূৰি আহিব নোৱাৰে। গতিকে পুৰণি দিনৰ স্মৃতিয়ে কবিৰ মনত হেন্দোলনি তুলিছে —

"চিৰ-যৌৱনা কটন কলেজ, তিৰিশৰ ভালপোৱা
নেলাগে তোমাক, চিৰ ওঠৰৰ লগত তোমাৰ প্ৰেম।"
(কটন কলেজলৈ — অমলেন্দু গুহ)

'শান্তিৰ কোলাত' 'সুখৰ টোপনি' বিচৰা কবি অমলেন্দু গুহৰ কবিতাত সৰ্বসাধৰণ জনতাৰ প্ৰতি মানৱতাৰ বৰ্হিপ্ৰকাশ দেখা যায়। মেহনতী জনতাৰ প্ৰতি কবিয়ে গভীৰ সহানুভূতি দেখুৱাই কবিতাৰ প্ৰত্যক্ষ সংগ্ৰামৰ পোষকতা কৰিছে। কবিয়ে আশা কৰে হোৱাংহোৰ পৰা মিচিচিপিলৈ, লুইতৰ পৰা ভল্গাৰ পাৰলৈ পৃথিৱীৰ সকলো মানুহে এদিন ভাতৃত্বৰ সম্পৰ্ক গঢ়ি তুলিব।

**হেমাংগ বিশ্বাস ঃ**

পঞ্চাশৰ দশকত আত্মপ্ৰকাশ কৰা ভাৰতীয় গণনাট্য সংঘৰ অন্যতম হোতা এজন উল্লেখযোগ্য প্ৰগতিবাদী কবি হৈছে হেমাংগ বিশ্বাস। সাম্যবাদী আদৰ্শৰে কবিতা লিখা এই গৰাকী কবিৰ কবিতাত শোষিত লাঞ্ছিত কৃষক, বনুৱা আদি মেহনতী জনতাৰ হৃদয়ৰ ভাষাৰ কাব্যিক ৰূপ পোৱা যায়। 'আৱাহন', 'আমাৰ প্ৰতিনিধি' আদি আলোচনীত প্ৰথমে তেওঁৰ কবিতা প্ৰকাশ হৈছিল। ১৯৭০ চনত প্ৰকাশিত তেওঁৰ 'কুল খুৰাৰ চোতাল' যুদ্ধোত্তৰ যুগৰ এখন উল্লেখযোগ্য কাব্য-সংকলন। সংগ্ৰামী চেতনা আৰু মানৱতা তেওঁৰ কবিতাৰ উপজীব্য। তেওঁৰ কবিতাত সৰ্বহাৰা শ্ৰেণী মানুহৰ জীৱন-সংগ্ৰাম, নিৰ্যাতন আৰু যন্ত্ৰনাৰ বাস্তৱ ছবি ফুটি উঠিছে। হেমাংগ বিশ্বাসৰ সাৰ্থক কবিতা হিচাপে বিবেচিত হোৱা 'কুল খুৰাৰ চোতাল'ত শোষিত লাঞ্ছিত কৃষক সমাজৰ প্ৰতিনিধি কুল খুৰাক বিচাৰি পোৱা যায়। 'নাম তাৰ কমৰেড্ ৰত্নেশ্বৰ ৰাভা' তেওঁৰ আন এটি উল্লেখযোগ্য কবিতা। শোষিত শ্ৰেণীৰ মানসিক যন্ত্ৰনা তথা মানৱতাৰ অপমৃত্যু দেখি কবিৰ হৃদয়ত কিদৰে জোকাৰণি তুলিছিল তাৰ বাস্তৱ ছবি দাঙি ধৰিছে তেওঁৰ 'ওভতনি' কবিতাত—

"ৰেচনৰ লাইনৰ পৰা ল'ৰাটো
আজিও উভতি নাহিল।
লঘোনীয়া মাক জনী ভেলেঙী চকুৰে
বাট চাই থাকে—
সি আহিব।"
(ওভতনি)

পৃথিৱীৰ সকলো মানুহৰ প্ৰতি সমমৰ্মিতা দেখুৱা কবিয়ে ভিয়েটনামৰ সংগ্ৰামী জনতাৰ মৰ্মব্যথা দাঙি ধৰিছে 'গঙ্গা চিলনীৰ গীত', 'বৰদলৈচিলাৰ চিঠি', 'চিৰ বিনিদ্ৰ' আদি কবিতাত। 'ডিব্ৰুগড়লৈ,' 'মঘাই ওজা', 'মই ফুৰো হোৱাংহোৰ পাৰে পাৰে' আদি তেওঁৰ জনপ্ৰিয় কবিতাসমূহৰ ভিতৰত অন্যতম।

**দীনেশ গোস্বামী ঃ**

ৰামধেনু যুগৰ এগৰাকী আগশাৰীৰ কবি হৈছে দীনেশ গোস্বামী। 'ৰামধেনু'ৰ বুকুত প্ৰকাশিত কবিতা সমূহক লৈ তেওঁ সত্তৰৰ দশকত 'আলোড়িত অন্ধকাৰ' কাব্য সংকলনখন প্ৰকাশ কৰে। তেওঁ প্ৰকৃততে  এলিয়টী ধাৰাৰ কবি। নগৰীয়া জীৱনৰ যান্ত্ৰিক অভিঘাতৰ চিটিকনি তেওঁৰ কবিতাত দেখা যায়। আনহাতে তেওঁৰ কবিতা সমূহ ৰমন্যাসিক চেতনাৰ পৰাও মুক্ত নহয়। প্ৰেম, জন্ম-মৃত্যু, বিষাদ নিসংগতাৰে তেওঁৰ কবিতা ভাৰাক্ৰান্ত। 'বিধ্বস্ত নিৰ্জনতা', 'বৃত্তৰ বাহিৰত' 'তুমি আৰু সন্ধ্যাৰ মানুহ', 'দলিল', 'উত্তৰণ' 'প্ৰত্যয়' 'পলায়ন' 'নগ্নতা', 'প্ৰতিকাৰহীন' আদি কবিতাৰ মাজেদি কবিৰ প্ৰতিভাৰ উমান পাব পাৰি।

**পৰেশ মল্ল বৰুৱা ঃ**

ৰামধেনু যুগত অৱদান আগবঢ়োৱা কবিসকলৰ ভিতৰত পৰেশ মল্ল বৰুৱা অন্যতম। তেওঁৰ 'সান্ধ্য আৰতি', 'আৰণ্যক' আৰু 'সোণালী সংগম' উল্লেখযোগ্য কাব্য সংকলন। তেওঁৰ কবিতা ৰমন্যাসিক কল্পচিত্ৰৰ ভিতৰুৱা। প্ৰতীক-চিত্ৰকল্প প্ৰয়োগেৰে কবিতা সমূহ দুৰ্বোধ্যতাৰ শাৰীত উঠিছে। তেওঁৰ কিছুমান কবিতা সামাজিক চেতনাৰে সমৃদ্ধ হৈছে। প্ৰগতিবাদী ভাবৰ

এনে কবিতা হৈছে 'খটিয়ান'। 'জীৰ্ণঘৰ' 'এজাক বনৰীয়া ৰাজহাঁহ', 'পৃথিৱীৰ মুখ', 'ধূসৰ অস্তিত্ব', 'সোণালী ফচল', 'তোমাৰ বাবে' আদি কবিতা তেওঁৰ কবিত্ব শক্তিৰ পৰিচায়ক।

**নীলমণি ফুকন ঃ**

যুদ্ধোত্তৰ যুগৰ এজন লেখত ল'বলগীয়া আধুনিক কবি হৈছে নীলমণি ফুকন। ৰামধেনু যুগত আত্মপ্ৰকাশ কৰি তেওঁ ষাঠিৰ দশকৰ পৰা বিকাশ লাভ কৰিবলৈ আৰম্ভ কৰে। জয়ন্তী যুগৰ প্ৰভাৱৰ পৰা মুক্ত হৈ পঞ্চাশৰ দশকত আধুনিক অসমীয়া কবিতাই এটা নিজস্ব গতিত বিকশিত হ'বলৈ ধৰে। সেই সময়ত মননশীল অনুশীলন আৰু বৰ্ণাঢ্যতাৰে গভীৰ হৈ উঠা আধুনিক অসমীয়া কবিতাৰ পথিকৃৎ কবি নবকান্ত বৰুৱাৰ পিছতে যি এদল নতুন কবিয়ে আত্মপ্ৰকাশ কৰিছিল তেওঁলোকৰ ভিতৰত নীলমনি ফুকন অন্যতম। পঞ্চাশৰ দশকৰ পৰা কাব্য চৰ্চা কৰি নিজৰ প্ৰতিভা আৰু সাধনাৰ ফলত এই গৰাকী কবিয়ে আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। সমসাময়িক কবিসকলৰ ভিতৰত তেওঁ এটা নতুন কাব্য শৈলী আৰু নতুন পৰীক্ষা নিৰীক্ষাৰ মাজেদি অসমীয়া কবিতাক বিস্তৃতি প্ৰদান কৰিবলৈ সক্ষম হৈছে। ৰামধেনু যুগৰ কবিতা আৰু ১৯৬৩ চনত সঙ্কলিত 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' নামৰ প্ৰথমখন সঙ্কলনতে তেওঁৰ কবি মানসৰ পৰিচয় পোৱা যায়। দেশ-বিদেশৰ কবিতাৰ লগতে স্থাপত্য, ভাস্কৰ্য, সংগীত, চিত্ৰ আৰু অসমীয়া সংস্কৃতিৰ ঐতিহ্যই নীলমনি ফুকনৰ কবিতাক বিশেষ মান্যতা প্ৰদান কৰিছে। চীনা, জাপানী কবিতাৰ উপৰিও বিশ্বৰ বিভিন্ন কবিসকল—গাৰ্থিয়া লৰ্কা, নাজিম হিক্‌মত্, হো-চি-মীন আদিৰ লগত কবিৰ পৰিচয় আছিল গভীৰ। তেওঁৰ আৰম্ভণি কালৰ কবিতাৰ মাজত নব্য ৰোমাণ্টিক চেতনাই ক্ৰিয়া কৰিছিল যদিও পৰৱৰ্তী কালত কবিয়ে প্ৰতীকবাদ আৰু চিত্ৰকল্পবাদৰ ফালে ধাবমান হয়। পৃথিৱীৰ বিভিন্ন দেশৰ কবি সকলৰ প্ৰতি আকৰ্ষিত হোৱাৰ লগতে তেওঁলোকৰ কবিতা অনুবাদ কৰি তেওঁ প্ৰকাশ কৰিছে। অধ্যয়নশীল আৰু বুদ্ধিনিষ্ঠ কবি গৰাকীৰ কবিতাত কোনো কবিৰে প্ৰত্যক্ষ প্ৰভাব পাবলৈ নাই। জাতীয় জীৱনৰ ভেটিত লোক-সংস্কৃতি, চিত্ৰকলা তথা ঐতিহ্য চেতনাৰে নীলমনি ফুকনৰ কবিতা সমূহ সমৃদ্ধ হৈছে। তদুপৰি প্ৰতীক, চিত্ৰকল্পৰ প্ৰয়োগ বৈচিত্ৰ্যই তেওঁৰ কবিতাক অনন্যতা প্ৰদান কৰিছে। তেওঁৰ প্ৰকাশিত আন কেইখনমান

কাব্য-সংকলন হ'ল— 'নিৰ্জনতাৰ শব্দ', 'আৰু কি নৈঃশব্দ,' 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে', 'কাঁইট গোলাপ আৰু কাঁইট', 'গোলাপী জামুৰ লগ্ন', 'কবিতা', 'নৃত্যৰতা পৃথিৱী' আৰু 'সাগৰ তলিৰ শংখ'। অনুবাদ পুথি কেইখন হ'ল—'জাপানী কবিতা', 'গৰ্থিয়া ল'ৰকাৰ কবিতা', 'অৰণ্যৰ গান' আৰু 'চীনা কবিতা'। নিৰ্জনতাৰ কবি নীলমনি ফুকনৰ প্ৰথম স্তৰৰ কবিতাখিনিত আদিম প্ৰেম আৰু সৌন্দৰ্যৰ চিত্ৰ, এটা নিৰ্জন সুৰ, যুগ-যন্ত্ৰনাজনিত গভীৰ বিষাদ আৰু আধ্যাত্মিক শক্তিত বিশ্বাস ফুটি উঠিছিল। এই কবিতা সমূহত বিশেষকৈ এলিয়টৰ আৰ্হিত বিশ্ব-ব্ৰহ্মাণ্ডৰ বীজ উপকৰণ হিচাপে দেখা দিছিল।[৫৬] প্ৰথম স্তৰৰ কবিতাখিনিৰ মাজত অপৰিণত ভাবনা আৰু গাঁথনিৰ শিথিলতা থাকিলেও পৰৱৰ্তীকালত যাঠিৰ দশকৰ পৰা কবিৰ কাব্যভঙ্গীৰ উত্তৰণ ঘটিবলৈ আৰম্ভ কৰে। তেওঁ নিজে স্বীকাৰ কৰি লিখিছে— "মই নিজেও পঞ্চাশৰ দশকৰ পৰা কাব্য চৰ্চা কৰি আহি এখন বহল আকাশ বিচাৰি পাওঁ।"[৫৭] এই উত্তৰণৰ ক্ষেত্ৰত দেখা যায় দেশ-বিদেশৰ কবি আৰু কবিতাৰ আংগিকৰ সৈতে এই সময়ত তেওঁৰ এক আন্তৰিক সংযোগ আৰম্ভ হয়। জাপানী 'হাইকু' জাতীয় কবিতা আৰু ফৰাচী প্ৰতীকবাদৰ প্ৰভাৱত তেওঁৰ কবিতা স্বকীয় প্ৰতিভাৰে উজ্বল হৈ পৰে। ফুকনৰ কবিতাসমূহৰ দুৰ্বোধ্যতা অস্বীকাৰ কৰা নাযায় যদিও পৰৱৰ্তীকালত এই কঠিনতাৰ দুৱাৰ কিছু শিথিল হ'বলৈ ধৰে। ভবেন বৰুৱাই লিখিছে —"দেশ-বিদেশৰ কবিতা, চিত্ৰকলা, নন্দনতত্ত্ব আৰু অসমীয়া সংস্কৃতিৰ ঐতিহ্যটোত থকা মূল্যবান সম্পদবোৰৰ বিষয়ে আন্তৰিকভাবে আগ্ৰহী হ'বলৈ ধৰা—নিজৰ মনক কলা— চেতনা আৰু সূক্ষ্ম চৰিত্ৰৰ ভাবনা-বেদনাৰে সমৃদ্ধ কৰি তুলিবলৈ বিচৰা কবি যাঠিৰ দশকৰ নতুন কবি সকলৰ মাজতো মই পোৱা নাছিলো।"[৫৮] যাঠিৰ দশকলৈ প্ৰকাশিত তেওঁৰ সূৰ্য হেনো নামি আহে এই নদীয়েদি', 'স্বপ্নবাসৱদত্তা', 'বুৰঞ্জী', 'মৈথুন সঙ্গীত', 'দৃশ্য', 'গোলাপীজামুৰ লগ্ন', 'গ্ৰীষ্মৰ কেইটামান ক্ষুদ্ৰকায় দৃশ্য' ইত্যাদি সাৰ্থক কবিতা হিচাপে বিবেচিত। কবি হৃদয়ৰ গভীৰ ব্যঞ্জনা প্ৰকাশ পাইছে 'স্বপ্নবাসৱদত্তাৰ'ৰ এনে প্ৰকাশৰ মাজেদি—

"মোৰ চকুলোৰে সাগৰত তোমাৰ পদুম পাহিৰ নাও
পখিলা পাখিৰ পালৰ, উটি উটি দিশ হেৰুৱাই

উপকূল য'ত নাই......"

(স্বপ্নবাসৱদত্তা)

'তুমি যে তিল ফুল হে' ক্ষুদ্ৰ কবিতাটো কবিৰ সাৰ্থক কবিতাসমূহৰ ভিতৰত অন্যতম। চীনা কবিতাৰ দৰে প্ৰতীক চিত্ৰকল্পৰ সহযোগত অতি চমু পৰিসৰত কবিৰ নিঃসঙ্গতাক ইয়াত অৰ্থব্যঞ্জক কৰি তুলিছে।

প্ৰথমে প্ৰতীকধৰ্মী কবিতা আৰু পিছলৈ চিত্ৰকল্পই তেওঁৰ কবিতাৰ স্থান দখল কৰিছিল। নীলমণি ফুকন যথাৰ্থতে এজন চিত্ৰকল্পবাদী কবি। ফৰাচী কবিতাৰ প্ৰতীক চিত্ৰকল্পবাদৰ লগতে জাৰ্মান এক্সপ্ৰেছনিজিম-ইম্প্ৰেছনিজিম্, চীনা-জাপানী কবিতাৰ পৰা প্ৰেৰণা আৰু স্থানীয় ঐতিহ্য চেতনাই তেওঁৰ কবিতাত অন্য এক মহত্ব আনি দিছে।

**হীৰেণ ভট্টাচাৰ্য ঃ**

পঞ্চাশৰ দশকত কাব্য চৰ্চা আৰম্ভ কৰি ষাঠি সত্তৰৰ দশকত উজ্বল প্ৰতিভাৰে আত্মপ্ৰকাশ কৰা আধুনিক অসমীয়া কাব্য জগতৰ জনপ্ৰিয় কবি গৰাকী হৈছে হীৰেণ ভট্টাচাৰ্য। প্ৰেম আৰু মানৱতাৰ কবি হীৰেণ ভট্টাচাৰ্যই আধুনিক অসমীয়া কবিতাক এক প্ৰকাৰ দুৰ্বোধ্যতাৰ পৰা মুক্ত কৰি কবিতা প্ৰেমী বহল পাঠক সমাজ গঢ়ি তোলে। তেওঁ আচলতে যৌবনৰো কবি। তেওঁৰ উল্লেখযোগ্য কবিতা পুথিসমূহ হ'ল— 'ৰৌদ্ৰ কামনা', 'মোৰ দেশ মোৰ মোৰ প্ৰেমৰ কবিতা', 'বিভিন্ন দিনৰ কবিতা', 'কবিতাৰ ৰ'দ', 'প্ৰেমৰ কবিতা', 'তোমাৰ বাঁহী', 'সুগন্ধি পখিলা', 'শইচৰ পথাৰ মানুহ' আদি। ভট্টাচাৰ্যৰ কবিতাত প্ৰগতিশীল সমাজ চেতনাৰ উপৰিও প্ৰেম, যৌৱন, স্বদেশানুৰাগ তথা মানৱতাৰ উজ্বল প্ৰকাশ দেখা যায়। কবীন ফুকনে ক'বৰ দৰে "ৰামধেনু যুগে বাগৰ সলাওতে অসমীয়া আধুনিক কবিতাত নতুন ভাব আৰু শব্দ সজ্জা দিয়াত ভট্টাচাৰ্যৰ কাব্য সাধনা বিশেষভাবে ক্ৰিয়াশীল হৈছিল।"[৫৯] তেওঁৰ স্বদেশানুৰাগেৰে ৰঞ্জিত কবিতাসমূহত স্বদেশৰ মানুহৰ লগতে পৃথিৱীৰ সকলো মানুহৰ প্ৰতি ভালপোৱাৰ ভাব প্ৰকাশিত হৈছে। ইয়াৰ উপৰিও প্ৰাকৃতিক সৌন্দৰ্য, যৌবন, শোষিত মানৱ সমাজৰ ছবি, বৈপ্লৱিক চেতনা, সমকালীন পৃথিৱীৰ দুখ-দুৰ্দশা, তথা আত্মিক বিষাদে

তেওঁৰ কবিতাত ভূমুকি মাৰিছে। ১৯৬৪ চনত প্ৰকাশিত ‘ৰৌদ্ৰকামনা’ তেওঁৰ প্ৰথম কবিতা সংকলন। এইখন ষাঠিৰ দশকত আধুনিক অসমীয়া কবিতাৰ অনন্য সংযোজন। ইয়াত নিজস্ব আংগিক বৈশিষ্ট্য আছে যদিও বিশেষ কোনো অভিনবত্ব দেখা নগৈছিল। কিন্তু সেই সময়তে তেওঁ কেইটামান আকৰ্ষণীয় কবিতা উপহাৰ দিয়ে।

ভট্টাচাৰ্যৰ আৰম্ভণিকালৰ এনে কেতবোৰ কবিতাৰ ভাব আৰু শব্দৰ মৰ্মস্পৰ্শী প্ৰকাশে সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। প্ৰথম কবিতা ‘ৰৌদ্ৰ কামনা’ত মাতৃভূমি, ব্যক্তি একাকাৰ হৈ তৰা আৰু সূৰ্যৰ প্ৰতীকেৰে কবিৰ ভাবনা মূৰ্ত হৈ উঠিছে—

“উজাগৰ ৰাতি
সপোন দেখিছো মই
ফুল আলসুৰা তোমাৰ মুখৰ
শইচ সোণালী হাঁহি।
অযুত তৰাৰ ঘুমুটি ভাঙি
যেন সূৰ্য আহিছে নামি।”
(ৰৌদ্ৰ কামনা)

তেওঁৰ দ্বিতীয় খন কাব্য সংকলন ‘মোৰ দেশ মোৰ প্ৰেমৰ কবিতা’ৰ কবিতা সমূহ ১৯৬৪-১৯৭০ চনৰ ভিতৰত লিখা কবিতা। দ্বিতীয় কাব্য সংকলনৰ কবিতাসমূহৰ যোগেদি ষাঠিৰ দশকৰ শেষৰ পৰাই কবি হীৰেণ ভট্টাচাৰ্যই আধুনিক অসমীয়া কাব্য সাহিত্যত প্ৰতিষ্ঠাৰ দিশত আগবাঢ়ে। ‘মোৰ দেশ’, ‘ঘৰ-জেউতি’, ‘ৰৌদ্ৰ কামনা’, ‘অভিজ্ঞান’, ‘যন্ত্ৰনা’, ‘সময়’, ‘নাগৰিক’, ‘আৰক্ত প্ৰহৰ’—আদি বিভিন্ন কবিতাত কবিৰ সহজ-সৰল কবি মন আৰু কাব্য ভঙ্গীৰ উমান পাব পাৰি। ‘অনৈক্যৰ মাজত ঐক্য আৰু বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা’ৰে স্বদেশানুৰাগৰ লগতে মানৱ প্ৰেম সিঁচা কবিৰ ‘মোৰ দেশ’ এটি উৎকৃষ্ট কবিতা। নিজৰ দেশক ভালপোৱা ভাবৰপৰাই কবিতাটোত সৃষ্টি হৈছে এক আন্তজাৰ্তিকতাবোধ।

“মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ, মোৰ দেশ

মোৰ প্ৰতিটো কামে, মোৰ প্ৰতিটো চিন্তাই এই দেশৰ বুকুত ৰচে
শইচ সোণোৱালী ভৱিষ্যতৰ সপোন।" (মোৰ দেশ)

প্ৰকৃতিৰ নিৰ্মল পৰিবেশ আৰু ইয়াৰ সৌন্দৰ্য, ব্যক্তি জীৱনৰ প্ৰেম, যৌৱন আনন্দ বিষাদ আৰু সমাজ চেতনা জনিত কবিতাসমূহৰ স্বাভাৱিক প্ৰকাশভঙ্গীয়ে কবিতাসমূহ আকৰ্ষণীয় কৰি তুলিছে। ভট্টাচাৰ্যৰ কবিতাত গীতি ধৰ্মী আবেগ আৰু নাটকীয়তা আছে। এই সুতীব্ৰ আবেগৰ মাজেদিয়ে কবিয়ে কেতিয়াবা আৱৰণহীন প্ৰেমৰ ছবি আকে ।

অতি সংযমী আৰু মিতব্যয়ী ভাষাৰ ব্যৱহাৰ, বাচকবনীয়া শব্দচয়নৰ যাদুকৰী শক্তিৰে চুটি চুটি কবিতাৰ মাজত এক সংবেদনশীল ভাবনাৰ গীতিধৰ্মী প্ৰকাশ হীৰেণ ভট্টাচাৰ্যৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। ভবেন বৰুৱাই 'অসমীয়া কবিতাঃ ৰূপান্তৰৰ পৰ্ব'ত হীৰেণ ভট্টাচাৰ্যক 'গীতিধৰ্মী আবেগৰ কবি' আখ্যা দিছে। তেওঁৰ কবিতাৰ আলোচনা প্ৰসঙ্গত বৰুৱাই লিখিছে—"হীৰেন ভট্টাচাৰ্যৰ সকলোবোৰ কবিতাই গীতিধৰ্মী আবেগৰ কবিতা, আকৃতিত নাতিদীৰ্ঘ। তেওঁৰ কবিতাৰ সুৰ একতাৰৰ বা দোতাৰাৰ। এপিক মুখী নাইবা দ্বন্দ্বমুখৰ নাটকীয় আবেগৰ জটিল ৰূপৰ কবিতা তেওঁ লিখা নাই; আৰু দৰ্শনমুখী বিমূৰ্ত চিন্তাক গ্ৰহণ কৰা বিধৰ কবিতা মননধৰ্মী জটিলটাৰ পৰাও তেওঁৰ কবিতা দূৰত ৰৈছে। কবিতাৰ গীতিধৰ্মী দিশটোকেই তেওঁ গ্ৰহণ কৰিছে। ভট্টাচাৰ্যৰ সমাজ ভাৱনাৰ ৰূপটোও বিশুদ্ধ 'লিৰিকেল' আবেগৰ ওপৰতেই নিৰ্ভৰশীল" জনতাৰ প্ৰতীবাদী কণ্ঠ কবিয়ে শুনিবলৈ পাইছে। ক্লেশ যাতনা আঁতৰাই জীৱন সুন্দৰ কৰাৰ বাবে যেন তেওঁ আগবাঢ়ি আহিছে। কবিয়ে জনতাৰ প্ৰতিবাদৰ কাব্যিক ৰূপ দিছে এনেদৰে—

"কাল সমুদ্ৰত আহিছে জোৱাৰ
যেন ক্ষুব্ধ অজগৰ।
জনতাৰ প্ৰগলভ কণ্ঠত
দুৰ্মদ প্ৰতিবাদ।"
(যন্ত্ৰণা)

**নির্মল প্ৰভা বৰদলৈ ঃ**

যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাৰ একক আৰু অদ্বিতীয় মহিলা কবি গৰাকী হৈছে নির্মল প্ৰভা বৰদলৈ। দৰাচলতে নির্মলপ্ৰভা বৰদলৈ কুৰি শতিকাৰ সৰ্বশ্ৰেষ্ঠ মহিলা কবি। পঞ্চাশৰ দশকৰ আৰম্ভণিৰেপৰা কবিতা লিখিবলৈ লোৱা এই গৰাকী কবিয়ে ষাঠি আৰু সত্তৰৰ দশকত বিস্তৃতি লাভ কৰে। ভাৰতীয় কাব্য পৰম্পৰা, অসমীয়া লোক-সাহিত্য আৰু লোক জীৱনৰ ঐতিহ্য, আধুনিক জীৱনবোধ, ব্যক্তিৰ অন্তৰ্জগতৰ উপলব্ধি, ইতিহাস চেতনা, প্ৰেম আৰু প্ৰকৃতিৰ চিৰন্তন ৰূপ তেওঁৰ কবিতাত প্ৰতিফলিত হৈছে। 'বন ফৰিঙৰ ৰং' তেওঁৰ প্ৰথম কাব্য পুথি। পিছলৈ তেওঁৰ কেইবাখনো কাব্য পুথি প্ৰকাশ হয় — 'সমীপেষু', 'অন্তৰঙ্গ', 'দিনৰ পাছত দিন', 'সুদীৰ্ঘ দিন আৰু ঋতু', 'শব্দৰ ইপাৰে শব্দৰ সিপাৰে', আৰু 'অমিতাভ শব্দ' ইত্যাদি। কবি-গীতিকাৰ নির্মল প্ৰভা বৰদলৈয়ে ১৯৫০ চনত 'ৰামধেনু'ত 'বাৰ্নাড শ্ব' কবিতাৰে কাব্য জীৱন আৰম্ভ কৰে। অকল আৰম্ভণি কালৰ কবিতাখিনিক লৈ অৱশ্যে তেওঁৰ প্ৰতিভাৰ মূল্যায়ন কৰিব নোৱাৰি। ১৯৬৮-১৯৭৫ ঃ এই সময়চোৱাৰ ভিতৰত ৰচিত কবিতা সমূহৰ সংকলন 'দিনৰ পিছত দিন'ৰ কবিতা সমূহৰ যোগেদি কবি গৰাকীয়ে তেওঁৰ অনন্য প্ৰতিভা দাঙি ধৰিছে। ষাঠিৰ দশকৰ শেষৰ পৰাই বৰদলৈৰ কবিতাই সমালোচক সকলৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ ধৰে। অতীত অনুৰাগ, স্মৃতি-বিষাদ আদি ভাবাবেগক সু-নিপুণ শব্দ চয়নেৰে প্ৰকাশ কৰা কবিতাসমূহৰ ৰমন্যাসিক স্পন্দন লক্ষ্যনীয়। বৰদলৈ এগৰাকী নব্য-ৰমন্যাসিক কবি। তেওঁ একোটা কাব্যিক অনুভূতিক সহজ-সৰল আৰু নিমজ ৰূপত আকৰ্ষণীয়কৈ প্ৰকাশ কৰিব পাৰে। সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত—"কাব্যিক অনুভূতিক অতি সংক্ষেপে অথচ সংবেদনশীল ভাৱে, মঞ্জুল ভাষা আৰু চিত্ৰধৰ্মী বৰ্ণনাত প্ৰকাশ কৰিব পৰা প্ৰতিভা ... হেৰোৱা দিনলৈ উভতি চোৱাৰ প্ৰৱণতা, মনত লগা কল্পচিত্ৰ, নৈসৰ্গিক প্ৰকৃতিৰ লগত আত্মিক বন্ধন আৰু ব্যক্তিগত আশা নিৰাশাৰ অনুপম চিত্ৰ কিছুমান কবিতা অন্তস্পৰ্শীভাৱে প্ৰকাশ হৈছে।"[৬০] তেওঁৰ 'দিনৰ পাছত দিন' সংকলনত সন্নিবিষ্ট 'মৰ্মান্তিক' কবিতাটো শ্ৰেষ্ঠ কবিতাসমূহৰ ভিতৰত অন্যতম। মাটি আৰু মানুহৰ সম্পৰ্ক ৰক্ষা কৰা গাঁৱৰ কৃষকজনৰ বিদায়ৰ মুহূৰ্তটোক জীৱনৰ অন্তিম বিদায়ৰ কৰুণতম সুৰ কৰি তুলি ধৰাত

কবিতাটোৰ সাৰ্থকতা—

"তেওঁক মই যোৱাগৈ দেখিছিলো
বেলি লহিওৱাৰ পৰত
পথাৰৰ বকিয়াইদি।
মূৰত জাপি
কান্ধত মেটমৰা ডাঙৰিৰ
জিৰিক্ জিৰিক্ মাত।"
(মৰ্মান্তিক)

তেওঁৰ আন আন সাৰ্থক কবিতাসমূহৰ ভিতৰত উল্লেখ কৰিব পাৰি—'অব্যক্ত', 'পথৰুৱা গীত', 'দুখৰ পাহাৰটো', 'বহাগ (কুঁহিপাত এটাৰ দৰে), 'কৰুণ প্ৰহৰ', 'বশিষ্ঠত দুপৰীয়া', 'অন্ধকাৰ', 'ৰাতিৰ বাঁহী', 'সাৰেং চৰাইৰ মাত', 'চ'ত', 'ছাই', 'শব্দত', 'কৰুণতম', ইত্যাদি। বাস্তবৰ খহটা ৰূপে যি অভিজ্ঞতা দিলে তাৰ সংশয়ত ভৱিষ্যতৰ বাবে কবি চিন্তিত আৰু অতীত স্মৃতিৰ সমধৰ্মী ৰূপত অনাগত দিনবোৰক স্থাপন কৰিবলৈ কবি যেন সমৰ্থ নহয়।

**হীৰেন্দ্ৰ নাথ দত্ত ঃ**

ষাঠিৰ দশকত আধুনিক অসমীয়া কবিতাৰ নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰা সকলৰ ভিতৰত হীৰেন্দ্ৰ নাথ দত্তৰ নাম উল্লেখ কৰিব পাৰি। এই সময়ত কবিতাৰ প্ৰচলিত ধাৰাটোৰ পৰা অলপ ফালৰি কাটি আহি এচাম তৰুণ কবিয়ে কবিতাৰ ভাষা, শব্দচয়ন আদি আংগিকগত বৈশিষ্ট্যৰ ক্ষেত্ৰত কিছু নতুনত্বৰ সন্ধান কৰিছিল। হীৰেন্দ্ৰ নাথ দত্তই ষাঠিৰ দশকৰ আগছোৱাৰে পৰা আলোচনী আদিত কবিতা লিখিবলৈ আৰম্ভ কৰে। তেওঁ কিন্তু সমসাময়িক কবিসকলৰ কাব্য কৃতিতকৈ এটা বেলেগ চৰিত্ৰৰ কাব্য কৃতিকহে আদৰি লৈছিল।[৬১] কাব্য-কৌশলত অভিনৱত্ব দত্তৰ কবিতাৰ উল্লেখযোগ্য দিশ। ষাঠিৰ দশকৰ এই তৰুণ কবিসকলে ৰামধেনু যুগৰ ভাবোচ্ছ্বাস পৰিহাৰ কৰি কবিতাৰ বিষয় আৰু আংগিকৰ সুসমন্বয়ত গুৰুত্ব প্ৰদান কৰিছিল। উপেন্দ্ৰ নাথ শৰ্মাই ক'বৰ দৰে —"ষাঠিৰ দশকত যিসকল কবিয়ে আংগিকৰ

পৰীক্ষা-নিৰীক্ষা আৰু উপলব্ধিৰ নিষ্ঠাৰে নতুন ধৰণৰ কবিতা ৰচনাত প্ৰবৃত্ত হৈছিল তাৰ ভিতৰত হীৰেন্দ্ৰ নাথ দত্ত অন্যতম। এইসকল কবিয়ে পঞ্চাশৰ দশকৰ সৰ্বসাধাৰণ কবিৰ সাধাৰণীকৃত ভাবধাৰা, উচ্ছ্বাস, সংযম, বহুবল্কিতা আৰু নান্দনিক স্খলন আদি সম্পূৰ্ণ ভাবে বৰ্জন কৰিছিল। দত্তৰ কবিতাত বিষয়বস্তু আৰু প্ৰকাশভঙ্গীৰ সু-সমন্বয় দেখিবলৈ পোৱা যায়।"[৬২] বিশিষ্ট প্ৰতিভাৰ কবি হীৰেন্দ্ৰ নাথ দত্তই ষাঠিৰ দশকত প্ৰথমে 'নৱযুগত' কাব্য-চৰ্চা আৰম্ভ কৰে। কম সংখ্যক কবিতা ৰচনা কৰি এই গৰাকী কবিয়ে আধুনিক অসমীয়া কবিতাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ আশীৰ দশকত প্ৰকাশিত কাব্য সংকলনখন হৈছে—'সোমধিৰিৰ সোঁৰৰণী আৰু অন্যান্য কবিতা।' তেওঁৰ সোমধিৰিৰ সোঁৰৰণি', 'অস্তাচল', 'বনৰীয়া', 'চোৰাংবজাৰ', 'শোধন', 'অন্ধ জ্যোতিষ', 'আইতালৈ', আদি কবিতাত কাব্য-কুশলতাৰ পৰিচয় দাঙি ধৰিছে। 'সোমধিৰিৰ সোঁৰৰণি' নিভাঁজ প্ৰাণময় ভাষাৰে সোমধিৰি নদীক কেন্দ্ৰ কৰি অতীত স্মৃতি ৰোমন্থন হৈছে। 'অস্তাচল'ত কবিয়ে অতীতৰ ভুলৰ আত্ম বিশ্লেষণ কৰি ভৱিষ্যতৰ প্ৰতি আশাৰ ভাব ব্যক্ত কৰিছে এনেদৰে —

"কিনো বেহাবলে' আহি সোণালী পামৰ পৰা
কেঁচা হালধিৰ স'তে সলালো কেঁতুৰি,
*** *** ***
স্বপ্নৰ কলচী,
চাই যাবা মধুমতী
বুনিয়াদী আশা আছে এতিয়াও
পুৰতিৰ আকাশৰ ৰঙা কলিজাত।"
(অস্তাচল)

**হৰেকৃষ্ণ ডেকা ঃ**

ষাঠিৰ দশকত আত্মপ্ৰকাশ কৰা আন এগৰাকী উল্লেখযোগ্য কবি হৈছে হৰেকৃষ্ণ ডেকা। তেওঁৰ প্ৰথমখন কাব্য সংকলন হৈছে 'স্বৰবোৰ'। 'সাগৰৰ সূৰ্যাস্ত' কবিতাৰে 'ৰামধেনু'ত কাব্য-

চৰ্চা আৰম্ভ কৰা ৰামধেনুৰ শেহতীয়া কবি গোষ্ঠীৰ অন্যতম আছিল তেওঁ। পিছলৈ কেইবাখনো কাব্য সংকলন প্ৰকাশ কৰি এইগৰাকী বিশিষ্ট কবিয়ে তেওঁৰ কাব্য সাধনা অব্যাহত ৰাখিছে। ভাষা, শব্দচয়ন, চিত্ৰকল্প আৰু প্ৰতীকৰ কলাত্মক প্ৰকাশত কবিৰ সিদ্ধহস্ততাৰ পৰিচয় পোৱা যায়। তেওঁ আধুনিক অসমীয়া কবিতাত প্ৰতিষ্ঠিত এগৰাকী মননশীল কবি। ষাঠিৰ দশকৰ পৰা লিখা কবিতাবোৰৰ সংকলন 'স্বৰবোৰ'ৰ মাজেদিয়ে তেওঁৰ প্ৰতিভাৰ বিকাশ লক্ষ্য কৰিব পাৰি। হৰেকৃষ্ণ ডেকা মুখ্যতঃ চিত্ৰকল্পবাদী কবি। 'জন্ম', 'মগজুত ঘূৰে গানৰ তীক্ষ্ণ ছুৰী', 'যিহেতু হৃদয় আছে', 'বতাহে মন্থন কৰে আন্ধাৰৰ ঘন গৰ্ভ', 'সমুদ্ৰভীতি', 'গৰুড়', 'ভয়', 'উপলব্ধি' আদি তেওঁৰ সুখপাঠ্য কবিতা। ''সমুদ্ৰ ভীতি' তেওঁৰ অন্যতম সফল সৃষ্টি। সময় চেতনা, ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰকাশ, মুক্তক ছন্দৰ ব্যৱহাৰ আৰু ভাবৰ বৈচিত্ৰ্যই 'সমুদ্ৰভীতি' সমৃদ্ধ কৰিছে। কবিতাটোত সমুদ্ৰ পাৰ সম্ভাৱনাৰ প্ৰতীক হিচাপে ধৰা দিছে—

"সমুদ্ৰ নিজেই এক সুপ্ৰাচীন নাৰী
চিৰদিন গৰ্ভৱতী।"
(সমুদ্ৰ ভীতি)

**নিৰঞ্জন ফুকন (হীৰেণ গোঁহাই) ঃ**

ৰামধেনু যুগৰ পৰৱৰ্তী কালত আত্মপ্ৰকাশ কৰা নিৰঞ্জন ফুকনৰ (হীৰেণ গোঁহাই) কবিতাৰ সংখ্যা বেছি নহয়। কিন্তু প্ৰকাশিত কবিতা খিনিত তেওঁৰ বৰ্ণনাৰ স্পষ্টতা আৰু জীৱনবোধৰ পৰিচয় আছে। ১৯৬৩ চনত 'ৰামধেনু'ৰ পাতত তেওঁৰ 'অভিমন্যু' কবিতাটি প্ৰকাশ হয়। আনহাতে নিৰঞ্জন ফুকন ছদ্মনামত 'দুজনী যুগশ্লাভ গাভৰুৰ কথা ভাবি' কবিতাটিও 'ৰামধেনু'তে প্ৰকাশ হৈছিল। 'নৱযুগ' আলোচনীত প্ৰকাশিত তেওঁৰ 'উত্তৰ ৰবীন্দ্ৰ', আৰু 'যযাতি' দুটি উল্লেখযোগ্য কবিতা। তেওঁৰ কাব্য সাধনাৰ দুটি কবিতা হৈছে—'মধুযামিনী' আৰু 'দায়িত্ব'। 'ফেউৰা', 'তপস্যা', 'গোবিন্দ কাকতিৰ স্বগতোক্তি' আদি কবিতাকেইটিও কবি প্ৰতিভাৰ চানেকি দাঙি ধৰিছে। মাৰ্ক্সবাদী দৰ্শনত বিশ্বাসী কবিৰ 'উত্তৰ ৰবীন্দ্ৰ' আৰু 'যযাতি' কবিতাত প্ৰগতিবাদী ভাবধাৰাৰ বিকাশ ঘটিছে। 'অনা এলিয়টীয়' আৰু 'এলিয়টীয় মন' লগ'ৰ পৰীক্ষা-নিৰীক্ষা হীৰেণ গোঁহাইৰ কবিতাত দেখা পোৱা যায়। সাংগীতিক খণ্ডবাক্য

সংযোজন আৰু ভাবৰ আবহ সংক্ৰমন তেওঁৰ কোনো কোনো মন'লগৰ প্ৰধান বৈশিষ্ট্য। 'উত্তৰ ৰবীন্দ্ৰ' কবিতাটিত এটা যুগৰ সামূহিক অবক্ষয়ৰ ছবি নিৰ্মাণ বিচাৰি পোৱা যায়। ইয়াত তেওঁ গধুৰ চিন্তা আৰু ব্যঙ্গৰ সংমিশ্ৰণত এক নতুন ৰসবোধৰ সৃষ্টি কৰিছে। তেওঁৰ কবিতাত সামাজিক অবক্ষয়ৰ বিশ্লেষণ পোৱা যায় লগতে মাৰ্ক্সীয় দৃষ্টিঙ্গীৰে নতুন সমাজ গঠনৰ উদ্যম ষাঠিৰ দশকৰ অন্যতম প্ৰতিভা হিচাপে ধৰা দিছিল।

**ভবেন বৰুৱা ঃ**

যুদ্ধোত্তৰ যুগৰ ষাঠিৰ দশকৰ কবিসকলৰ ভিতৰত ভবেন বৰুৱাৰ নাম উল্লেখযোগ্য। ১৯৫০ ৰ পৰাই কবিতা ৰচনাত হাত দিছিল যদিও ষাঠিৰ দশকতহে কবি হিচাপে আত্মপ্ৰকাশ কৰে। ষাঠিৰ দশকৰ নতুন প্ৰজন্মৰ সংহত কবিগোষ্ঠীৰ অন্যতম শ্ৰেষ্ঠ কবি হিচাপে ভবেন বৰুৱাৰ নাম উল্লেখ কৰিব পাৰি। তেওঁৰ প্ৰথম স্তৰৰ কবিতা সমূহত চিত্ৰকল্প আৰু প্ৰতীকৰ সফল প্ৰয়োগ ঘটিছে। 'সোণালী জাহাজ' তেওঁৰ এটি বিখ্যাত কবিতা। "ক্লেদৰ নিৰ্যাস ভৰা শস্য ৰাশি" লৈ সোনালী জাহাজে এক ৰহস্যৰ সন্ধান কৰিছে। আৰু তাৰ চাৰিওফালে থকা ৰঙৰ সমাবেশ আৰু উজ্বলতাই অনন্য সৌন্দৰ্যৰো ইংগিত বহন কৰিছে। দুখ-যন্ত্ৰণাৰ মাজতো কবিয়ে সন্ধান কৰে এক ৰহস্যময় আশা। আধ্যাত্মিক সুখৰ সন্ধান কৰা এনে ভাবৰ বাঙ্ময় প্ৰকাশ হৈছে ভবেন বৰুৱাৰ 'সোণালী জাহাজ' কবিতা। তেওঁৰ আন আন কবিতা সমূহৰ ভিতৰত 'স্বচ্ছতা', 'শুভ্ৰতাৰ স্বৰ' 'তোমালোকৰ', 'বিহুৰ ৰাগী', 'শব্দবোৰ' আন্ধাৰৰ হাত', 'কুঁৰলীবোৰ', 'অশ্বাৰোহী', 'শিলাস্তৰৰ গভীৰত' আদি উল্লেখ কৰিব পাৰি। থলুৱা চিত্ৰ কল্প আৰু নিভাজ অসমীয়া মাত কথাৰ ব্যৱহাৰ তেওঁৰ কবিতাত লক্ষ্য কৰা যায় । 'বিহুৰ ৰাগী' কবিতাত গাঁৰৰ জীয়া ৰূপ দাঙি ধৰিছে এনে চিত্ৰকল্পৰ মাজেদি—

"গাঁওবোৰে বিজুলীয়াই আছে
পেঁপাৰ মাতবোৰত
***    ***    ***
মুগা সূতাৰে বন্ধা
হেঙুলীয়া শোকবোৰ লৈ

গাঁওবোৰ জীয়াই আছে।”

(বিহুৰ ৰাগী)

**অন্যান্যা কবিসকল ঃ**

চল্লিশৰ দশকৰপৰা ষাঠিৰ দশকলৈ (১৯৪০-১৯৭০) যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাই উত্তৰণৰ পথত গতি কৰাত কবিসকলৰ ভূমিকা নিঃসন্দেহে গুৰুত্বপূৰ্ণ। এই আলোচনাত যোৰাটো শতিকাৰ তিনিটা দশকৰ প্ৰধান কবিসকলৰ কাব্য কৃতিৰ চমু মূল্যায়ন কৰা হৈছে। এই সকল কবিৰ উপৰিও চল্লিশ- ষাঠিৰ দশকলৈ আধুনিক অসমীয়া কবিতাৰ ঐতিহাসিক প্ৰবাহটোত ভূমুকি মাৰা আন আন কবি সকলৰ ভিতৰত মহেশ্বৰ নেওগ (অন্ত্যজা), ভৱ প্ৰসাদ ৰাজখোৱা (মূটীয়া, ৰিক্সাৱালা পৰিচয়), জ্যোতিপ্ৰসাদ আগৰৱালা (আজিৰ কবিতা, আধুনিক কবিতা) আব্দুছ ছাত্তাৰ (অ’কে), সিদ্ধেশ্বৰ তামূলী (কুলি, আইচক্ৰিমৱালা, উত্তৰণ) যজ্ঞেশ্বৰ শৰ্মা, (১৯৪৩, নতুন দিল্লী) যতি নাৰায়ণ শৰ্মা (মানুহ আৰু ঈশ্বৰ, মনালিছা) অমৃত ডেকা, (ভিকহু), মথুৰা গোস্বামী (চাহপাত), প্ৰফুল্ল ভূঞা (নিৰ্জ্জনতা, তুলনা, বিহু, একো নোপোৱাৰ কবিতা), বীৰেণ বৰগোঁহাঞি (পূৰ্বৰাগ, নিৰ্জনতা, প্ৰাৰ্থনা ঃ মৃত্যুৰ) পবিন্দ্ৰ বৰা (যাদুঘৰ, এপিটাফ), মানিক গগৈ (কোৰাছ, জলছবিঃ হাইকু কবিতাৰ, ডুৰেট), সুশীল শৰ্মা (জোনাক ৰাতিৰ আৰতি, আমাৰ গাঁও), চেইদুদ্দিন আহমেদ (তিনিটা স্মৃতি ঃ পকাঘাটৰ, ফুলকলি), গুনাভি চৌধুৰী (উত্তৰায়ণ, সন্ধ্যাৰাগ, সাগৰ বস্তি), সদা শইকীয়া (কলিকতা; তোমালৈ লাল চালাম, ফাগুন আকৌ আহিল), নগেন ঠাকুৰ (মোৰ গানৰ শব্দ) প্ৰবীন শইকীয়া (মৃত্যুঞ্জয়, শিলৰ পিয়লা, দৰিদ্ৰ), নিত্যা দত্ত (এমুঠি পুৱাৰ নিয়ৰ), ৰবীন্দ্ৰ বৰা (দৃষ্টিঃ বন্দী আত্মাৰ), দিলীপ বৰুৱা (দৃষ্টিঃ ক্লান্ত কাউৰী, সাত সাগৰৰ চানেকি) আদিৰ নাম উল্লেখ কৰিব পাৰি। এই সকল কবিয়েও সেই সময়ত বিশেষকৈ আধুনিক অসমীয়া কবিতালৈ এক বাৰ্ত্তা কঢ়িয়াই আনিবলৈ সক্ষম হয়।

**সামৰণি ঃ**

নতুন চিন্তাৰ প্ৰাণ চাঞ্চল্যৰে চল্লিশৰ দশকৰ জয়ন্তী কবি গোষ্ঠীয়ে আধুনিক অসমীয়া

কবিতাৰ নতুন ধাৰাৰ সূচনা কৰিলেও এই কালছোৱাৰ কবিতাত জীৱনৰ সামগ্ৰিক ছবি প্ৰকাশ নহ'ল। কেৱল সমাজ চেতনাই কবিতাৰ মূলবস্তু নহয়। এই কবিতাই পাঠকৰ হৃদয় আলোড়িত কৰিব নোৱাৰিলে কিন্তু নতুন ভাব সমৃদ্ধ কাব্য আন্দোলনৰ জৰিয়তে এই দশকৰ কবিতাই এটা নতুন সুঁতি কাটি দিলে। এইটো দশকতে প্ৰগতিশীল বা সাম্যবাদী কবিতা আৰু প্ৰতীক-চিত্ৰকল্পবাদী এলিয়টী বা নব্য ৰোমাণ্টিক দুটা ধাৰাৰ কবিতা দেখা গ'ল। অৱশ্যে জয়ন্তীয়ে এলিয়টী ধাৰাৰ প্ৰতি বিশেষ আকৰ্ষণ নেদেখুৱালে। প্ৰকৃতাৰ্থত পৰৱৰ্তীকালত 'পছোৱা'ৰ জৰিয়তেহে প্ৰতীক-চিত্ৰকল্পবাদী ধাৰাৰ সূত্ৰপাত হয়। এইটো দশকত 'পছোৱা'ৰ আৰ্বিভাব আছিল এক উল্লেখযোগ্য ঘটনা। গতিকে চল্লিশৰ দশকত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা এই আলোচনী দুখনক কেন্দ্ৰ কৰিয়ে যুদ্ধোত্তৰ অসমীয়া কবিতাৰ এই কালছোৱাক জয়ন্তী-পছোৱাৰ যুগ বুলি অভিহিত কৰা হৈছে।

আলোচনী কেন্দ্ৰিক অসমীয়া সাহিত্যৰ ঐতিহাসিক ধাৰাটো পঞ্চাশৰ দশকতো এখন উল্লেখযোগ্য আলোচনীৰ নিয়ন্ত্ৰণাধীন আছিল। যুদ্ধোত্তৰ অসমীয়া কবিতাও ইয়াৰ ব্যতিক্ৰম নহয়। কেইবাজনো যোগ্য ব্যক্তিৰ ছত্ৰছায়াত 'ৰামধেনু' আলোচনীয়ে সেই সময়ত আধুনিক অসমীয়া কবিতাৰ গুৰি বঠা ধৰিছিল। বিশেষকৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সু-সম্পাদনাত আধুনিকঅসমীয়া কবিতাই আধুনিকতাৰ শীৰ্ষ স্তৰত উপনীত হৈ পূৰ্ণতা লাভ কৰে। অসমীয়া কবিতাই সেই সময়তে আধুনিকতাবাদী বিভিন্ন ধাৰা সমূহৰ লগত পৰিচিত হৈ বিশ্ব সাহিত্যৰ সংস্পৰ্শলৈ আহিবলৈ সক্ষম হয়। আনফালে অসমীয়া কবি সকলে নতুন পৰীক্ষা-নিৰীক্ষাৰে অসমীয়া কবিতাক ৰামধেনু যুগত উপযুক্ত মৰ্যাদা দিয়াৰ লগতে তেওঁলোকে নিজেও একোখন স্বকীয় আসনত প্ৰতিষ্ঠিত হয়। মুঠতে ৰামধেনুৰ পাতত আধুনিক অসমীয়া কবিতাই স্থায়ী প্ৰতিষ্ঠা লাভ কৰে। এইফালৰ পৰা পঞ্চাশৰ দশকটো অসমীয়া কবিতাৰ বাবে 'ৰামধেনু যুগ' হিচাপে চিহ্নিত হৈ ৰ'ব।

ষাঠিৰ দশকত আধুনিক অসমীয়া কবিতাই পৰিশোধনৰ মাজেদি আহি অধিক উৎকৰ্ষতা

লাভ কৰে। চল্লিশৰ দশকত আকাশ বতাহ কঁপোৱা সমাজবাদী কবিতা আৰু এলিয়টী বুদ্ধিনিষ্ঠ ধাৰাৰ কবিসকলে সংযত আৰু পৰিশীলিত ভাবে কবিতাত অভিজ্ঞতাৰ পৰিচয় দাঙি ধৰিলে। চল্লিশৰ দশকত কবিসকলে বিষয়ৰ ওপৰত প্ৰাধান্য দিয়াৰ বিপৰীতে পঞ্চাশৰ দশকত বিষয়ৰ উপৰিও আংগিকৰ নতুন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হৈছিল। ষাঠিৰ দশকত বিষয় আৰু আংগিকৰ সমন্বয় সাধন হ'ল। এনেদৰে যুদ্ধোত্তৰ অসমীয়া কবিতাই চল্লিশৰ দশকৰ পৰা ৰূপান্তৰৰ মাজেদি আহি ষাঠিৰ দশকত সচেতন কাব্য অনুশীলনৰ যোগেদি বৌদ্ধিক বিকাশৰ ক্ষেত্ৰ বিস্তৃত কৰিছে।

# পাদ-টীকা

১. বৰগোহাঞি, হোমেন (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড), হোমেন বৰগোহাঞি, সম্পাদকৰ ভূমিকা, পৃ.২২

২. বৰগোহাঞি, হোমেন (সম্পা.) ঃ উক্ত গ্ৰন্থ, পৃ. ২৩

৩. দাস, নাৰায়ণ আৰু পৰমানন্দ ৰাজবংশী (সম্পা.) ঃ অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাব, নলিনীধৰ ভট্টাচাৰ্য, 'আধুনিক অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাব', পৃ. ৩২

৪. বৰগোহাঞি, হোমেন (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, কবীন ফুকন, চল্লিশৰ দশকৰ অসমীয়া সাহিত্য ঃ সামাজিক আৰু বৌদ্ধিক পটভূমি', পৃ. ৩৩

৫. নেওগ, মহেশ্বৰ ঃ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৩২১

৬. শৰ্মা, উপেন্দ্ৰ নাথ ঃ সাহিত্য ঃ ৰোমাণ্টিক আৰু আধুনিক, পৃ. ২

৭. বৰগোহাঞি, হোমেন (সংক আৰু সম্পা.) ঃ ৰামধেনু, ৫ম বছৰ, ১১ শ সংখ্যা, (সম্পা. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য), হোমেন বৰগোহাঞি, 'আধুনিক অসমীয়া কবিতা', পৃ. ৩২৩

৮. বৰা, মহেন্দ্ৰ ঃ নতুন কবিতা, অৱতৰণিকা

৯. বৰগোহাঞি, হোমেন (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, নলিনীধৰ ভট্টাচাৰ্য, 'চল্লিছৰ দশকৰ কবিতা', পৃ. ৯৮, ৯৫

১০. বৰগোহাঞি, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাকসদৃশ

১১. কলিতা, মহেশ্বৰ ঃ চল্লিছৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা, পৃ. ১৮৯

১২. দেব, কমল নাৰায়ণ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য (সম্পা.) ঃ জয়ন্তী, ৬ষ্ঠ বছৰ, তৃতীয় সংখ্যা, কমল নাৰায়ণ দেৱ, 'প্ৰগতিশীল কবিতাৰ টেক্‌নিক', পৃ. ৯৭

১৩. আলি তফজ্জুল (সম্পা.) ঃ মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য, যোগেশ দাস, 'অসমীয়া আলোচনী', পৃ. ২৪১

১৪. বৰগোহাঞি, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, হোমেন বৰগোহাঞি, 'আধুনিক অসমীয়া কবিতা', পৃ. ৩২৪

১৫. কলিতা, মহেশ্বৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩২, ৩৩

১৬. বৰগোহাঞি, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, হোমেন বৰগোহাঞি, পাতনি

১৭. বৰগোহাঞিঃ, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, হোমেন বৰগোহাঞিঃ পাতনি

১৮. বৰগোহাঞিঃ, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩২২

১৯. বৰগোহাঞিঃ, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, হোমেন বৰগোহাঞিঃ, পাতনি

২০. বৰগোহাঞিঃ, হোমেন (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, গবিন্দ প্ৰসাদ শৰ্মা 'ৰামধেনু যুগ আৰু আধুনিক অসমীয়া সাহিত্য', পৃ. ২৮৬, ২৮৭

২১. বৰা, মহেন্দ্ৰ (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, অৱতৰণিকা

২২. Baruah, Birinchi kumar ঃ History of Assamese Literature, P. 142

২৩. বৰগোহাঞিঃ, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, হোমেন বৰগোহাঞিঃ, পাতনি

২৪. বৰগোহাঞিঃ, হোমেন (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, কবীন ফুকন, 'আধুনিক অসমীয়া কবিতা ঃ প্ৰকৃতি আৰু পটভূমি' পৃ. ৩১৬

২৫. গগৈ, লীলা (সম্পা.) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, মদন শৰ্মা, 'অসমীয়া কবিতাৰ ধাৰা ঃ ষষ্ঠৰ পৰা সপ্তম দশকৰ মাজলৈ', পৃ. ১২২

২৬. ফুকন, নীলমণি (সম্পা.) ঃ 'কুৰি শতিকাৰ অসমীয়া কবিতা', পাতনি, পৃ. ০.১১

২৭. গগৈ, লীলা (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১২১

২৮. বৰুৱা, ভবেন ঃ অসমীয়া কবিতা ঃ ৰূপান্তৰৰ পৰ্ব, পৃ. ৮২

২৯. বৰগোহাঞিঃ, হোমেন (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ২৯৬, ২৯৭, ২৯৮

৩০. তাঁতী, সমীৰ আৰু অন্যান্য (সম্পা.) ঃ অমূল্য বৰুৱাৰ কবিতা, অজিৎ বৰুৱা, অসমীয়া মাৰ্ক্সপন্থী কবিতাৰ পাতনি, পৃ. ১০৮

৩১. বৰগোহাঞিঃ, হোমেন (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৩৩১

৩২. কলিতা, মহেশ্বৰ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৩৯

৩৩. আলি, তফজ্জুল (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, মহেশ্বৰ নেওগ, 'অসমীয়া সাহিত্যৰ এই যায় পঁচিশটা বছৰ', পৃ. ২

৩৪. দত্ত, ভবানন্দ ঃ অসমীয়া কবিতাৰ কাহিনী, পৃ. ৮৪

৩৫. কটকী, চন্দ্ৰ ঃ আধুনিক অসমীয়া কবিতা, পৃ. ২৩

৩৬. বৰগোহাঞিঃ, হোমেন (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৩৩১, ৩৩২

৩৭. বৰগোহাঞিঃ, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ, মহেন্দ্ৰ বৰা 'ন কবিতাৰ তুলাচনী' পৃ. ১৮৪

৩৮. বৰগোহাঞিঃ, হোমেন (সংক আৰু সম্পা.) ঃ প্ৰাকসদৃশ

৩৯. বৰুৱা, হেম ঃ হেম বৰুৱাৰ কবিতা, মহেন্দ্ৰ বৰা, পাতনি, পৃ. ০.১৬

৪০. বৰুৱা, হেম ঃ উক্ত গ্ৰন্থ, পৃ. ২

৪১. বৰগোহাঞি, হোমেন (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৩৩৯, ৩৪০

৪২. বৰা, মহেন্দ্ৰ (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, অৱতৰণিকা

৪৩. পূজাৰী, অৰ্চনা (সম্পা.) ঃ অসমীয়া কবিতাৰ বিচাৰ-বিশ্লেষণ, ৰবীন্দ্ৰ বৰা, 'ৰামধেনু আৰু পৰৱৰ্তী কালৰ কবিতা', পৃ. ১১৩

৪৪. পূজাৰী, অৰ্চনা (সম্পা.) ঃ উক্ত গ্ৰন্থ, পৃ. ১১৩

৪৫. উল্লাহ, ইমদাদ ঃ সৃজন আৰু মনন, পৃ. ৮০

৪৬. কটকী, চন্দ্ৰ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৮৯

৪৭. ফুকন, নীলমণি (সম্পা.) ঃ প্ৰাকসদৃশ

৪৮. বৰুৱা, ভৱেন ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ১৭৫

৪৯. বৰগোহাঞি, হোমেন (সম্পা.) পূৰ্বোল্লিখিত গ্ৰন্থ, কবীন ফুকন, চল্লিশৰ দশকৰ অসমীয়া সাহিত্য ঃ সামাজিক আৰু বৌদ্ধিক পটভূমি, পৃ. ৩৪

৫০. গগৈ, লীলা (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, নলিনীধৰ ভট্টাচাৰ্য, 'কবিতা ঃ আধুনিক যুগ', পৃ. ১০৭

৫১. বৰা, মহেন্দ্ৰ (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, অৱতৰণিকা

৫২. বৰুৱা, ভবেন ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২০৫, ২০৯

৫৩. বৰুৱা, ভবেন ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২০৮

৫৪. কটকী চন্দ্ৰ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৬৪

৫৫. গগৈ, লীলা (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ১১৮

৫৬. গগৈ, লীলা (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ১১৮

৫৭. ফুকন, নীলমনি (সম্পা.) ঃ প্ৰাকসদৃশ

৫৮. বৰুৱা, ভবেন ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২৫৯

৫৯. বৰগোহাঞি, হোমেন (সম্পা.) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৩৬৩

৬০. শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ৪৪৮

৬১. ডেকা, হৰেকৃষ্ণ ঃ আধুনিকতাবাদ আৰু অন্যান্য প্ৰবন্ধ, পৃ.৭৭

৬২. শৰ্মা, উপেন্দ্ৰ নাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২১